নির্মল হালৈ মহাবিদ্যালয় আলোচনী

# প্ৰাগ্‌জ্যোতি

২০০০-২০০১ ইং চন




তত্বাৱধায়কঃ
শ্ৰীমনোজ কুমাৰ শৰ্মা

সম্পাদকঃ
শ্ৰীদীপক শৰ্মা

# প্ৰাগ্‌জ্যোতি

## নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী

বছৰেকীয়া প্ৰকাশ

ত্ৰয়োদশ সংখ্যা

*With due honour, love & best wishes....*

To,

..............................................................................

..............................................................................

From,
Dipak Sarma
Editor

# PRAGJYOTI

Nirmal Haloi College Magazine
13th Annual Publication

2000-2001 year

তত্বাৱধায়ক
শ্ৰীমনোজ কুমাৰ শৰ্মা

সম্পাদক
শ্ৰীদীপক শৰ্মা

নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী

ত্ৰয়োদশ সংখ্যা

২০০০-২০০১ চন

**সম্পাদনা সমিতি**

সভাপতি ঃ
ডঃ ৰমেশ চন্দ্ৰ শৰ্মা

উপদেষ্টা ঃ
ডঃ প্ৰবোধ চন্দ্ৰ গোস্বামী

তত্ত্বাৱধায়ক ঃ
শ্ৰীমনোজ কুমাৰ শৰ্মা

সম্পাদক ঃ
শ্ৰীদীপক শৰ্মা

সদস্য / সদস্যা ঃ
শ্ৰীঅনুপ কুমাৰ শৰ্মা, প্ৰৱক্তা
শ্ৰীঅনুৰাধা শৰ্মা, প্ৰৱক্তা
শ্ৰীউৎপল মজুমদাৰ
শ্ৰীৰাজেন শৰ্মা

বেটুপাত ঃ
শ্ৰীসঞ্জয় শৰ্মা

অংগ-সজ্জা ঃ
শ্ৰীমনোজ কুমাৰ শৰ্মা
ডঃ প্ৰবোধ চন্দ্ৰ গোস্বামী
শ্ৰীদীপক শৰ্মা

মুদ্ৰণ ঃ
গ্ৰাফিক্স
হেদায়েৎপুৰ, গুৱাহাটী-৭৮১ ০০৩
ফোন ঃ ০৩৬১-৬৬১৫২৫

## কৃতজ্ঞতা স্বীকাৰ

নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী 'প্ৰাগজ্যোতি'ৰ ত্ৰয়োদশ বাৰ্ষিক প্ৰকাশৰ বাবে সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়োৱা এইসকল ব্যক্তিৰ প্ৰতি কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ –

মাননীয় ডঃ ৰমেশ চন্দ্ৰ শৰ্মা, শ্ৰীযুত মনোজ কুমাৰ শৰ্মা, ডঃ লীলাৱতী শইকীয়া বৰা, ডঃ প্ৰবোধ চন্দ্ৰ গোস্বামী, শ্ৰীযুত নিৰ্মল চন্দ্ৰ শইকীয়া, শ্ৰীযুত কিশোৰ কুমাৰ শৰ্মা, শ্ৰীযুত ৰুদ্ৰ কলিতা, শ্ৰীযুত সদানন্দ দাস, শ্ৰীযুত হেমন্ত কুমাৰ শীল, শ্ৰীযুতা সাবিত্ৰী বেজবৰুৱা, শ্ৰীকমল চৌধুৰী, শ্ৰীদীপুল পাটগিৰি, খনিন, মুকুল, চন্দন, প্ৰশান্ত, বিপুল, প্ৰসন্ন, সঞ্জয়, দিগন্ত, নৱ, প্ৰাঞ্জল, দ্বীপেন, বিকাশ, মনোজ, ৰাণা, নৰেন, প্ৰদীপ, ৰূপধন, পোনাকণ, দীপাঙ্কু, পৰীক্ষিৎ, অজিত, প্ৰাণজিৎ, অৰুণ, আলকাচ, মুনীন, নিৰ্মালী, মীৰা, ৰীতা, ভনিতা, ববিতা, মিতালী, 'প্ৰাগজ্যোতি' সম্পাদনা, সমিতি, পাটাছাৰকুছি আঞ্চলিক ছাত্ৰ সন্থা, নিৰ্মল হালৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, মহাবিদ্যালয় কৰ্মচাৰী গোট আৰু গ্ৰাফিক্স প্ৰেছৰ স্বত্বাধিকাৰীৰ লগতে সমূহ কৰ্মচাৰীবৃন্দলৈ।

সম্পাদক, প্ৰাগজ্যোতি
নিৰ্মল হালৈ মহাবিদ্যালয়
আলোচনী

# শোকাশ্ৰু

"জাতস্য হি ধ্ৰুৱো মৃত্যুৰ্ধ্ৰুৱং জন্ম মৃতস্য চ।
তস্মাদপৰিহাৰ্য্যেঽৰ্থে ন ত্বং শোচিতুমৰ্হসি।।"

**আমাৰ মাজৰ পৰা কৰুণভাৱে অকালতে আতৰি যোৱা**



স্বৰ্গীয় মোহন চন্দ্ৰ কলিতা
জন্ম ঃ ইং ২৬-২-১৯৫৬ চন
মৃত্যু ঃ ইং ১৯-৬-২০০২ চন



স্বৰ্গীয় দিপ্তী ৰয়
জন্ম ঃ ইং ১৩-১০-১৯৮১ চন
মৃত্যু ঃ ইং ১৭-৮-২০০১ চন

মহাবিদ্যালয়ৰ জ্যেষ্ঠ প্ৰৱক্তা স্বৰ্গীয় মোহন চন্দ্ৰ কলিতা
আৰু
ছাত্ৰী স্বৰ্গীয় দিপ্তী ৰয়ৰ সজল স্মৃতিত.....

—সম্পাদক

অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী - ৭৮১ ০১৪, অসম
ফোন ঃ ৫৭০২৭৪ (কাঃ), ৫৭০৮৬৮ (গৃঃ)

দিনাংক ঃ ৮-১-২০০২

ড০ লীলাৱতী শইকীয়া বৰা
মুৰব্বী অধ্যাপিকা

## শুভেচ্ছা বাণী


নিৰ্মল হালৈ মহাবিদ্যালয়ে আজি ভালেকেইবছৰ ধৰি মহাবিদ্যালয়ৰ মুখপত্ৰ স্বৰূপ 'প্ৰাগজ্যোতি' আলোচনীখন নিয়মীয়াকৈ উলিয়াই আহিছে। এইবাৰো 'প্ৰাগজ্যোতি' প্ৰকাশ হ'ব বুলি জানি আনন্দ পাইছোঁ।

মহাবিদ্যালয়ৰ আলোচনী এখন সেই শিক্ষানুষ্ঠানৰ যাইকে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক চিন্তা-চৰ্চা আৰু সৃষ্টিশীল প্ৰতিভা বিকাশৰ এক সুন্দৰ মাধ্যম। নিৰ্মল হালৈ মহাবিদ্যালয়ে 'প্ৰাগজ্যোতি' প্ৰকাশৰ জৰিয়তে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক নিজৰ বুদ্ধিমত্তা আৰু প্ৰতিভা বিকাশৰ সুবিধা দি এক মহৎ কাম কৰিছে। এখন দেশ তথা এটা জাতিৰ সুদৃঢ় বুনিয়াদ প্ৰতিষ্ঠাত আলোচনী একোখনৰ ভূমিকা গুৰুত্বপূৰ্ণ। বৰ্তমান আমাৰ দেশৰ দুৰ্যোগপূৰ্ণ মুহূৰ্তত শিক্ষানুষ্ঠানসমূহৰ পৰা প্ৰকাশিত প্ৰতিখন আলোচনীয়ে বিশেষকৈ নৈতিক দিশত ক্ৰমে অৱনমিত হৈ পৰা দেশ আৰু জাতিৰ সমুখত সৎ আৰু সুস্থ ভাৱে জীয়াই থাকিব পৰা এক আশাৰ বতৰা দাঙি ধৰক। 'প্ৰাগজ্যোতি'ৰ পৰাও তাকেই কামনা কৰিলোঁ।

'প্ৰাগজ্যোতি'ৰ দুৰ্ঘায়ু কামনাৰে--

লীলাৱতী শইকীয়া বৰা
৮-০১-২০০২





মহাবিদ্যালয়ৰ অধ্যক্ষ
**শ্ৰদ্ধেয় ড০ ৰমেশ চন্দ্ৰ শৰ্মা**

তত্ত্বাৱধায়কৰ এষাৰ

সম্পাদকীয়

প্ৰবন্ধ


- মহাকবি ভাৰৱিৰ কিৰাতজুনীয়ম্ ঃ এক চমু আলোচনা ■ ডঃ প্ৰবোধ চন্দ্ৰ গোস্বামী /০৯
- পাঠ্যক্ৰম হিচাবে বুৰঞ্জী বা ইতিহাস ইয়াৰ প্ৰাসংগিকতা আৰু বৰ্তমান স্থান ■ তপন কলিতা /১১
- কেঁচা মাটিৰ গোন্ধ সনা এগৰাকী শিল্পী ঃ ■ শ্ৰীকল্পনা দেৱী /১৪
- বিষ্ণুপ্ৰসাদ ৰাভাৰ বহুমুখী প্ৰতিভা ■ শ্ৰীমনোজ কুমাৰ শৰ্মা /১৬
- বৰ্তমান বিশ্বৰ এক ভয়ংকৰ অভিশাপ 'এইড্ছ' ■ শ্ৰীপ্ৰসন্ন কলিতা /১৮
- বিচ্ছিন্নতাবাদ আৰু অসমৰ জনমানসত ইয়াৰ প্ৰতিক্ৰিয়া ■ শ্ৰীদীপক শৰ্মা /২০


কবিতা


- আশা ■ শ্ৰীগিতালী শৰ্মা /২৩
- আৰ্ত্তনাদ ■ শ্ৰীভগৱান তালুকদাৰ /২৩
- গুণ গুণনি ■ শ্ৰীঅনুপম দাস /২৪
- অনুশোচনা ■ শ্ৰীভগৱান তালুকদাৰ /২৪
- মাথো তোমাৰ বাবে ■ শ্ৰীবিটুমনি কলিতা /২৫
- লক্ষ্য স্থানলৈ বহু দূৰ ■ শ্ৰীমহানন্দ দাস /২৫
- সময় ■ শ্ৰীপাপৰি কলিতা /২৬
- ঠিকনাবিহীন চিঠি ■ শ্ৰীবিকাশ তালুকদাৰ /২৬
- বিস্ফোৰণ ■ শ্ৰীৰীতামণি ৰয় /২৭
- আগ্ৰহী ■ শ্ৰীসংগীতা দেৱী চক্ৰৱৰ্ত্তী /২৭
- জীৱন নাট ■ শ্ৰীঅনিতা পাঠক /২৮
- এদিন বুজিবা ■ শ্ৰীৰেণু মেধি /২৮
- আন্দোলন ■ শ্ৰীচন্দন দাস /২৯
- ভোকাতুৰ মই ■ শ্ৰীমনোজ কুমাৰ শৰ্মা /২৯
- বসন্ত ■ শ্ৰীমুনীন্দ্ৰ দাস /৩০
- সোনালী আভা ■ শ্ৰীঅৰূপ ৰাজবংশী /৩০
- শ্বহীদ ■ শ্ৰীদীপাংকৰ চৌধুৰী /৩১
- স্বপ্ন গোলাপ ■ শ্ৰীচন্দনা কলিতা /৩১
- তেজে ধোঁৱা ফুলবোৰ ■ শ্ৰীবনশ্ৰী দেৱী /৩২
- স্মৃতিৰ গুৱাগাছি ■ শ্ৰীৰাজেন শৰ্মা /৩২


গল্প


- সীমান্তত চকুলো ■ শ্ৰীপ্ৰহ্লাদ ৰাজবংশী/৩৩
- আধৰুৱা প্ৰেম ■ শ্ৰীগোপাল ডেকা /৩৫
- মোৰো মনে তোমাক বিচাৰে ■ শ্ৰীপিংকু ঠাকুৰীয়া /৩৭
- অপমান ■ শ্ৰীদিগন্ত কলিতা/৪১
- নিশাৰ চকুলো ■ শ্ৰীভৃগু কুমাৰ বৰুৱা /৪৩


সাময়িকী শিতান


- শিক্ষানুষ্ঠানত ছাত্ৰ-শিক্ষকৰ নিয়মানুৱৰ্তিতা ■ শ্ৰীসাবিত্ৰী বেজবৰুৱা/৪৫
- এৰা-বোঁটলা ■ শ্ৰীমনোজ কুমাৰ শৰ্মা /৪৭
- অধ্যয়ন কোঠা সজোৱাৰ কৌশল ■ শ্ৰী গুনীন তালুকদাৰ /৫০
- প্ৰতিবেদন/৫১-৫৯
- ১৯৮৮ চনৰ পৰা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদকসকলৰ নামৰ তালিকা/৬০
- সম্পাদনা সমিতিৰ ফটো
- ছাত্ৰ একতা সভাৰ ফটো
- মহাবিদ্যালয়ৰ গৌৰৱ
- সম্পাদকলৈ প্ৰশ্ন
- মতামত


## English Section


- To Autumn ■ Sri Girija Devi / 61
- My Feelings ■ Diganta Haloi / 61
- Secularism in India : in brief ■ Nirmali Mahanta Choudhury / 62
- Banks, Political intervention and Rural Development ■ Sri Anup Kr. Sarma / 63
- The Drug menace, prevention and its control ■ Pranjal Kalita, / 66




# তত্ত্বাৱধায়কৰ একাষাৰ

আধুনিক অসমীয়া ভাষাৰ প্ৰতিষ্ঠা আৰু পৰিপুষ্টি সাধনত অসমীয়া আলোচনী আৰু কাকতে অনৱদ্য বৰঙণি যোগাই আহিছে। আধুনিক অসমীয়া ভাষা সাহিত্যৰ বৰভেটি গঢ়াৰ প্ৰচেষ্টা আৰম্ভ হৈছিল ঊনবিংশ শতিকাৰ মাজভাগত, আলোচনীৰ জৰিয়তেই। আমেৰিকাৰ বেপ্তিছ মিছনাৰীৰ উদ্যোগত ১৮৪৬ চনৰ জানুৱাৰী মাহত প্ৰকাশিত বাৰ্ত্তালোচনী 'অৰুণোদই'খনেই অসমীয়া আলোচনী সাহিত্যৰ বাটকটীয়া। তেতিয়াৰে পৰা আজিলৈ বিভিন্ন সময়ত প্ৰকাশিত অসমীয়া আলোচনী সমূহে সাহিত্যৰ বিভিন্ন দিশৰ প্ৰকাশৰ ভাৰ বহন কৰি অসমীয়া ভাষা সাহিত্যৰ ভড়াল চহকী কৰি আহিছে।

এই আলোচনী সমূহেই নতুন চাম লেখক লেখিকাৰ বাবে আখৰা স্থলী স্বৰূপ। য'ত তেওঁলোকে নিজকে প্ৰকাশ কৰাৰ লগতে, সমাজৰ বাবে কিবা এটা কৰি ভৱিষ্যতৰ বাটত খোজ দিয়াৰ সুবিধা পায়। শিক্ষানুষ্ঠান সমূহৰ দাপোন স্বৰূপ আলোচনী সমূহৰো অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি কম নহয়। ছাত্ৰাৱস্থাত আলোচনীত লেখা-মেলা কৰি পিছৰ কালত সুপ্ৰতিষ্ঠিত সাহিত্যিক হোৱাৰ উদাহৰণ অসমীয়া সাহিত্যত অলেখ পোৱা যায়। সময়ৰ ক্ৰমবিৱৰ্ত্তনৰ বা-মাৰলিত খকা-খুন্দা খোৱা অভিজ্ঞতালব্ধ কোমল, নিভাজ মনৰ মুক্ত প্ৰকাশ ঘটা দেখা যায় এই আলোচনী সমূহতেই। সাহিত্যক যদি সমাজ সংস্কাৰৰ আহিলা ৰূপে ধৰা হয় আৰু সাহিত্যিক সকল যদি ইয়াৰ ধ্বজা বাহক হয় তেনেহলে শিক্ষানুষ্ঠানৰ এই নবীন লেখক-লেখিকা সকলৰ লেখনীৰ গুৰুত্বও অপৰিসীম। শামুকৰ পেটত বিচাৰিব জানিলে মানিক পোৱাৰ দৰে এই নবীন চামৰ লেখনিৰ মাজতো পোৱা যায় অভিজ্ঞতাপুষ্ট বাস্তৱ জীৱনৰ নিতোল প্ৰতিচ্ছবি। তাৰ পৰা ভাল-বেয়া, উচিত-অনুচিত, কৰ্ত্তব্য-অকৰ্ত্তব্য বিচাৰ বিশ্লেষণ কৰি উত্তৰ পুৰুষে প্ৰভাতী সূৰ্য্যৰ দিশত ধাৱিত হ'ব পাৰে।

চাওঁতে চাওঁতে আমাৰ 'প্ৰাগজ্যোতি'য়ে এইবাৰ তেৰ বছৰত ভৰি দিলেহি। মানৱ জীৱনৰ হতাশা, অনীহা, সমাজৰ কলংকিত অধ্যায়ৰ প্ৰতিচ্ছবি প্ৰায়বোৰ গল্প কবিতাৰ মাজতেই প্ৰকাশ পাইছে। তেওঁলোকৰ প্ৰকাশভংগীৰ কিছু শিথিলতা থাকিলেও ভাৱৰাশিৰ গভীৰতা উলাই কৰিব নোৱাৰি। সেয়েহে সম্পাদনা সমিতিয়ে এই দিশত কিছু দৃষ্টি নিক্ষেপ কৰিব লগা হৈছে। ছাত্ৰ-ছাত্ৰীৰ দুই এটা ব্যতিক্ৰম ধৰ্মী ৰচনাও এই সংখ্যাত ধৰি ৰখাৰ প্ৰয়াস কৰা হৈছে।

তত্ত্বাৱধায়ক হিচাপে দায়িত্ব পালন কৰাটো বৰ দুৰূহ কাম। তথাপি যিমানখিনি পৰা যায় সকলোৰে সহযোগত এই আলোচনীৰ সফল প্ৰকাশৰ চেষ্টা কৰা হৈছে। অনাগত দিনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা সামাজিক দায়বদ্ধতাৰে পুষ্ট দায়িত্বশীল লিখনিৰ আশা কৰি 'প্ৰাগজ্যোতি'ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

৩১ জানুৱাৰী/০২

শ্ৰীমনোজ কুমাৰ শৰ্মা

তত্ত্বাৱধায়ক, প্ৰাগজ্যোতি



# সম্পাদকীয়

সময় আগবাঢ়িছে, লগে-লগে বিশ্বও আগবাঢ়িছে। কিন্তু হঠাতে যেন গতিপথৰ পৰা বিচ্যুত হোৱাৰ উপক্ৰম হ'ল বিশ্ব। সন্ত্ৰাসবাদে গোটেই বিশ্বকে জুৰুলা কৰিলে। ইয়াৰ পৰিণতি স্বৰূপে আমি আজি অতি চিন্তাক্লিষ্ট ভাৱে আৰু উৎকণ্ঠাৰে বাট চাইছোঁ সেই সংস্কৃতি আৰু অপসংস্কৃতিৰ মাজত চলি থকা মহাসমৰখনলৈ। দাৰ্শনিক, চিন্তাবিদ, সমীক্ষক সকলে নতুন পুৰুষৰ কি সংজ্ঞা দিয়ে নাজানো, কিন্তু এই কথা নিসন্দেহে ক'ব পাৰি যে গতিশীল মানৱ জীৱনৰ প্ৰতিটো স্তৰতে এটা সামাজিক, ৰাজনৈতিক আৰু আৰ্থিক পৰিবৰ্ত্তনৰ লক্ষ্যক উদ্দেশ্যি সাম্প্ৰতিক যুৱ মানসিকতা গঢ় লোৱা উচিত। কোনো বিশেষ দৰ্শন বা চিন্তাধাৰা অন্ধভাৱে অনুকৰণ কৰাৰ পৰা বিৰত থাকি নিজৰ সামাজিক আৰু মানৱীয় তথা নৈতিক দায়বদ্ধতাৰ প্ৰতি সচেতন হৈ সমাজ ব্যৱস্থাৰ এটা পৰিবৰ্ত্তনমুখী আন্দো লন যুৱ-শক্তিয়ে গঢ়ি তুলিব লাগিব। কিন্তু এইখিনিতে ইতিহাসৰ প্ৰামাণ্য বিপ্লৱ এটাৰ অবিহনে কোনো পাৰ্থিৱ সমৰে গঠনমূলক পৰিবৰ্ত্তনৰ লক্ষ্যত উপনীত কৰাব নোৱাৰে।

আমি প্ৰত্যেকেই 'জীৱশ্ৰেষ্ঠ মানৱ জাতি'ৰ একো একোজন সদস্য-সদস্যা। আমাৰ ধ্যান-ধাৰণা, বিচাৰ-বুদ্ধি, অনুভূতি আদি বহুত আগবঢ়া। কিন্তু দুখৰ বিষয় আজি আমি শংকাহীনভাৱে প্ৰতিটো কথা প্ৰকাশ কৰিবলৈ বাধাগ্ৰস্থ হওঁ। বাতৰি কাকতৰ শিৰোনামাবোৰ দখল কৰে হত্যা, হিংসা, লুণ্ঠন, অপহৰণ, ধৰ্ষণ আদিৰ বাতৰিয়ে। তথাপি সমাজৰ পৰা একেবাৰে নাইকিয়া হৈ যোৱা নাই দয়া-মায়া, মৰম-চেনেহ, ভালপোৱা আৰু নৈতিকতাবোধ। আদিম যুগৰ পৰা মানুহে ক্ৰমবিকাশৰ মাজেৰে দানবীয় চৰিত্ৰৰ বিলোপ সাধন কৰি বৰ্ত্তমানৰ সভ্যতাৰ উচ্চ শিখৰত উপনীত হৈছে। সমাজ মানুহেই গঢ়ে; আৰু উত্তৰ পুৰুষে অভিজ্ঞতালব্ধ জীৱনৰ শিক্ষা সমাজৰ পৰাইগ্ৰহণ কৰে। আজিৰ পুৰুষ ভৱিষ্যতৰ বংশধৰ সকল ওপৰত সৰ্বোতভাৱে দায়বদ্ধ। পূৰ্বসুৰী সকলে যি বাট দেখুৱাই নতুন পুৰুষে তাকেই গ্ৰহণ কৰে। কিন্তু দুখৰ বিষয় যে আজিৰ সমাজ ব্যৱস্থাৰ সুদৃঢ় গুণডাল যেন চিন্ন ভিন্ন হৈ গ'ল। ভাল-বেয়া, উচিত-অনুচিত বিচাৰ নকৰি আমি যেন অন্ধকাৰৰ দিশত ধাৱিত হৈছো। আমি যেন আজি লক্ষ্যভ্ৰষ্ট হৈছো। অসামাজিক কাৰ্যকলাপৰ পয়োভৰে মানুহক আত্মতুষ্টিৰ দিশলৈ ধাৱিত কৰিলে। মানুহৰ বাক্‌স্বাধীনতাও যেন খৰ্ব হোৱাৰ উপক্ৰম হৈছে।

'সাহিত্য জাতিৰ দাপোন স্বৰূপ।' য'ত প্ৰতিফলিত হয় এখন সমাজৰ সংস্কৃতি আৰু সৰ্বস্তৰৰ লোকৰ সুখ-দুখ, আশা-নিৰাশাৰ প্ৰতিচ্ছবি। সমাজত যেতিয়া এক বা-মাৰলিৰ সৃষ্টি হয় তেতিয়াই স্তব্ধ হৈ পৰে সাহিত্যৰ গতিধাৰা আৰু স্থবিৰ হয় লেখকৰ কলম। অনৈতিক গতিধাৰা, উশৃংখল চিন্তা-ভাৱনা, আত্মকেন্দ্ৰীকতা, প্ৰচুৰ অৰ্থলিপ্সা, প্ৰকৃত জ্ঞানাহৰণৰ প্ৰতি অনীহা আদিৰ প্ৰকোপত অসমীয়া সমাজৰ কঁকাল পোনাব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। যতি পৰিছে সাহিত্যৰ সৃষ্টিশীল গতিধাৰাত। বৰ্ত্তমানৰ বিক্ষিপ্ত হৈ পৰা সমাজ আৰু চিন্তাক একত্ৰিত কৰিব পাৰে একমাত্ৰ সামাজিক ভাৱে দায়বদ্ধ সাহিত্যিকৰ সুচিন্তিত আৰু সৃষ্টিশীল লিখনিয়েহে। নতুনক আদৰি লোৱা মানুহৰ সহজাত প্ৰবৃত্তি। নতুন চিন্তা-ভাৱনা আৰু অভিজ্ঞতাৰে সাহিত্যক আলোকিত কৰি তুলিব পাৰিলে ইয়াৰ উত্তৰণ হয়। কিন্তু নতুনৰ বিজতৰীয়া সংস্কৃতিয়ে সাহিত্য তথা সমাজক যাতে কলুষিত কৰিব নোৱাৰে তাৰ প্ৰতি লেখক তথা জনগণে সচেতন হোৱাটো দৰকাৰ।

লোক-সংস্কৃতিৰ সমলবোৰে সাহিত্যিক সমৃদ্ধ কৰি তোলে। সেয়ে অসমীয়া সমাজৰ চুকে-কোণে থকা অনাদৃত লোক-সংস্কৃতিৰ সমলবোৰ বুটলি.আনি আৰু ইয়াৰ গভীৰ অধ্যয়ন তথা গৱেষণাৰে আমাৰ জাতীয় সাহিত্যৰ ভড়াল চহকী কৰি বিশ্বদৰবাৰত অসমীয়া ভাষা-সংস্কৃতিক প্ৰতিষ্ঠা কৰিব পাৰি।

'প্ৰাগ্‌জ্যোতি'য়ে অসমৰ ভাষা-সাহিত্য সংস্কৃতিৰ উত্তৰণত অকণমান হলেও বৰঙণি যোগাব পাৰিলে আমাৰ আশা, উদ্দেশ্য আৰু শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'

শ্ৰীদীপক শৰ্মা
সম্পাদক, প্ৰাগ্‌জ্যোতি





## প্ৰবন্ধ

"সাহিত্য হ'ল নান্দনিক দৃষ্টিবোধ আৰু পৰিপূৰ্ণ সম্পাদন দক্ষতাৰ পৰিবেশত চেতনাৰ স্বাভব্যক্তি।"

— ঋষি অৰবিন্দ

"আধুনিক অসমীয়া সাহিত্যৰ প্ৰধান ভাবাদৰ্শ হ'ল মানৱতাবাদ। জাতি-বৰ্ণ, উচ্চ-নীচ নিৰ্বিশেষে মানুহৰ মানৱীয় পৰিচয় প্ৰতিষ্ঠা আৰু প্ৰচাৰ কৰাই তাৰ লক্ষ্য বুলিব পাৰি।

— ড০ হীৰেন গোঁহাই



# মহাকবি ভাৰবিৰ কিৰাতজুনীয়ম্ ঃ এক চমু আলোচনা

ড০ প্ৰবোধ চন্দ্ৰ গোস্বামী
প্ৰৱক্তা, সংস্কৃত বিভাগ

সংস্কৃত কাব্যক দৃশ্য আৰু শ্ৰব্য ভেদে দুইধৰণে ভাগ কৰা হয়। দৃশ্যকাব্য নাটক, ৰূপক আদি। মহাকাব্য, খণ্ডকাব্য, গীতিকাব্য ইত্যাদিয়ে হ'ল শ্ৰব্যকাব্য। আমাৰ আলোচ্য বিষয় কিৰাতৰ্জুনীয়ম্ মহাকাব্য শ্ৰব্যকাব্যৰে অন্তৰ্গত। মহাকাব্যৰ প্ৰকৃতি সম্বন্ধে বহুতো মতানৈক্য দেখা যায়। সংস্কৃত সাহিত্যত অনেক মহাকাব্য ৰচিত হৈছে যদিও মূলতঃ পাঁচখন মহাকাব্যই প্ৰসিদ্ধিৰ উচ্চ শিখৰত আৰোহন কৰিছে। এই শীৰ্ষ মহাকাব্য পাঁচখন হ'ল--ৰঘুবংশ, কুমাৰসম্ভৱ, কিৰাতৰ্জুনীয়, নৈষধচৰিত আৰু শিশুপালবধ। সংস্কৃত সাহিত্যৰ মুকুটবিহীন সম্ৰাট কালিদাসে ৰচনা কৰিছে ৰঘুবংশ আৰু কুমাৰসম্ভৱ মহাকাব্য, ভাৰবিয়ে ৰচনা কৰিছে কিৰাতৰ্জুনীয়, শ্ৰীহৰ্ষই ৰচনা কৰিছে নৈষধ চৰিত আৰু মাঘে ৰচনা কৰিছে শিশুপালবধ মহাকাব্য।

কিৰাতৰ্জুনীয়ম্ মহাকাব্য মহাকবি ভাৰবিৰ সংস্কৃত সাহিত্যৰ এক সোণালী স্বাক্ষৰ। এই মহাকাব্যৰ জৰিয়তে তেওঁ ভাৰতীয় ভাষা-সংস্কৃতিত এক উজ্বল নক্ষত্ৰৰ দৰে চিৰদিন জিলিকি থাকিব। সংস্কৃত পণ্ডিতসকলৰ ৰচিত গ্ৰন্থ, জীৱন বৃত্তান্ত, জন্মস্থান আদিৰ সম্যক্ ধাৰণা দিয়াটো বৰ দুৰূহকাৰ্য্য। মহাকবি ভাৰবিৰ জীৱন, জন্মস্থান সন্দৰ্ভতো পণ্ডিত সকলৰ মতৰ ভিন্নতা দেখিবলৈ পোৱা যায়। দণ্ডীৰ 'অৱন্তীসুন্দৰী-কথা'ত ভাৰবিৰ জীৱন সম্বন্ধে কিছু তথ্য পোৱা যায়। তেওঁৰ আন এটা নাম দামোদৰ আৰু পিতৃৰ নাম হ'ল নাৰায়ণস্বামী। এই নাৰায়ণস্বামী এজন কৌশিক গোত্ৰীয় ব্ৰাহ্মণ আছিল। ১৯৫৪ চনত অনন্তশয়নম্ গ্ৰন্থমালাত প্ৰকাশিত 'অৱন্তীসুন্দৰীকথা' নামৰ গ্ৰন্থখনত পোৱা তথ্য অনুসৰি দণ্ডীক ভাৰবিৰ প্ৰপৌত্ৰ বুলি জনা যায়। এই গ্ৰন্থৰ লিখনিৰ পৰা জনা যায় যে ভাৰবিৰ পূৰ্বপুৰুষসকল গুজৰাটৰ অনন্তপুৰ নামৰ ঠাইৰ অধিবাসী আছিল। পিছত তেওঁলোক নাসিকলৈ যায়। নাসিকৰ পৰা তেওঁলোক দাক্ষিণাত্যলৈ আহি বসতি কৰে।

ভাৰবিৰ জীৱন সন্দৰ্ভত বহুতো কিম্বদন্তি পোৱা যায়। তেনে এক কিম্বদন্তিৰ আলমত কব পাৰি তেওঁ ৰজা ভোজৰ সমকালীন কবি আছিল। তেওঁৰ পিতৃৰ নাম শ্ৰীধৰ আৰু মাতৃৰ নাম সুশীলা। তেওঁ ভৃগুকচ্চৰ অধিবাসী চন্দ্ৰকীৰ্তিৰ কন্যা ৰসিকাক বিয়া কৰাইছিল। এইজন ভাৰবিয়ে শহুৰৰ ঘৰত ছয়মাহ কাল নিৰ্বাসন হিচাপে থাকি গৰু চৰাইছিল। সেই সময়তে তেওঁ প্ৰখ্যাত গ্ৰন্থ কিৰাতৰ্জুনীয়ম্ ৰচনা কৰিছিল।

চালুক্য বংশীয় ৰজা পুলকেশী দ্বিতীয়ৰ সময়ৰ অইহ'ল শিলালিপিত কবি কালিদাস আৰু ভাৰবিৰ প্ৰশংসাযুক্ত এফাঁকি শ্লোকৰ উল্লেখ পোৱা গৈছে।

*'যেনাযোজি ন বেশ্ম স্থিৰমৰ্থবিধৌ বিবেকিনা জিনবেশ্ম।*
*স বিজয়তাং ৰবিকীৰ্তিঃ কবিতাশ্ৰিত কালিদাসভাৰবি কীৰ্তিঃ।।'*

এই লিপিৰ সময় ৫৫৬ শকাব্দ অৰ্থাৎ ৬৩৪ খৃষ্টাব্দ। দ্বিতীয় পুলকেশীৰ অনুজ বিযুঃবৰ্দ্ধন তেওঁৰ আশ্ৰয়দাতা আছিল। তেওঁৰ আবিৰ্ভাৱৰ সময় ৬১৫ খৃষ্টাব্দ। ইয়াৰ পৰা অনুমান কৰিব পাৰি ভাৰবিৰ আবিৰ্ভাৱৰ সময় প্ৰায় ৬০০ খৃষ্টাব্দ।

'কিৰাতৰ্জুনীয়ম্' হৈছে ভাৰবিৰ কবিত্ব প্ৰতিভাৰ লাইখুটা। এই গ্ৰন্থখন ১৮টা সৰ্গৰ সমষ্টি। ভাৰবিয়ে একমাত্ৰ এই গ্ৰন্থখনেৰে সংস্কৃত সাহিত্যত তেওঁৰ চানেকি যুগমীয়া কৰি থৈ গৈছে। এই মহাকাব্যখনৰ উৎস হৈছে মহাভাৰতৰ বনপৰ্ব। যদিও মহাভাৰতৰ বনপৰ্বৰ আধাৰত ইয়াৰ কথাবস্তু সমৃদ্ধ, তথাপিও ইয়াৰ ৰচনাৰ ক্ষেত্ৰত ভাৰবিয়ে নিজৰ মৌলিকতা প্ৰদৰ্শন কৰিছে। এই মহাকাব্যখনৰ ৰচনাত কবিয়ে কিছুমান উল্লেখযোগ্য বিচ্যুতি (Important Deviation) প্ৰদৰ্শন কৰা দেখা যায়। যিবিলাক মূল মহাভাৰতৰ বনপৰ্বত পোৱা নাযায়। উদাহৰণস্বৰূপে বনেচৰৰ কাহিনী, শৰৎকালৰ বৰ্ণনা, হিমালয় বৰ্ণনা, গন্ধৰ্ব আৰু অপ্সৰাৰ ৰতিক্ৰিয়া বৰ্ণনা, শিৱসেনাৰ যুদ্ধ ইত্যাদি তেওঁৰ মৌলিক সৃষ্টি। মহাকাব্যৰ সমস্ত লক্ষণ ভাৰবিয়ে তেওঁৰ মহাকাব্যত সম্যক ধৰণে প্ৰয়োগ কৰাতো পৰিলক্ষিত হোৱা দেখা যায়। এই মহাকাব্যৰ সপ্তম সৰ্গৰ পৰা দশম সৰ্গলৈ অপ্সৰাসকলৰ বিচিত্ৰ লীলাৰ বৰ্ণনাৰে শৃঙ্গাৰ ৰসৰ উদ্ৰেক হলেও মুখ্যৰস হৈছে বীৰৰস। বিবিধ ছন্দৰ প্ৰয়োগত ভাৰবি আছিল সিদ্ধহস্ত। তেওঁ আটাইতকৈ বেছি প্ৰয়োগ কৰিছিল

বংশস্থবিলছন্দ। ইয়াৰোপৰি বৈতালীয়, প্ৰমিতক্ষৰা, প্ৰহৰ্ষিনী, স্বাগতা, পুষ্পিতাগ্ৰা, দ্ৰুতবিলম্বিত, উদ্‌গাতা, উপচন্দ্ৰিকা, উপজাতি আদি ছন্দৰো প্ৰয়োগ কিৰাতৰ্জুনীয়ম্ মহাকাব্যত দেখিবলৈ পোৱা যায়। উল্লেখযোগ্য কথা এই যে ভাৰবিৰ কাব্যত জলদ্ধদ্‌গতি, চন্দ্ৰিকা, মত্তময়ূৰা, কুটিলা ইত্যাদি সততে অপ্ৰয়োগ ছন্দও দেখিবলৈ পোৱা যায়। প্ৰায় সত্তৰবিধ অলংকাৰৰ্ প্ৰয়োগেৰে ভাৰবিৰ মহাকাব্য সমৃদ্ধ। তাৰভিতৰত উল্লেখযোগ্য অলংকাৰসমূহ হ'ল--উপমা, উৎপ্ৰেক্ষা, অৰ্থাপত্তি, অপহ্নুতি, অৰ্থান্তৰন্যাস, অতিশয়োক্তি, উদাত্ত, অনুপ্ৰাস, বিভাবনা, সন্দেহ ইত্যাদি।

ভাৰবিৰ কাব্যৰ আটাইতকৈ উল্লেখযোগ্য দিশটো হ'ল--অৰ্থগৌৰৱ অৰ্থাৎ অৰ্থৰ গুৰুত্ব। প্ৰাচীন শ্লোক এফাঁকিত কালিদাস, ভাৰবি, শ্ৰীহৰ্ষৰ নৈষধচৰিত আৰু মাঘৰ বৈশিষ্ট্যৰ বৰ্ণনা সুন্দৰভাৱে পোৱা যায়--

*'উপমা কালিদাসস্য ভাৰবেৰৰ্থগৌৰৱম্।*
*নৈষধে পদলালিত্যং মাঘে সন্তি ত্ৰয়োগুণাঃ।।*

ইয়াত ভাৰবিৰ কাব্যৰ বৈশিষ্ট্য হিচাপে অৰ্থগৌৰৱ অংকিত হৈছে। অৰ্থৰ গভীৰতা প্ৰকাশ কৰাৰ ক্ষেত্ৰত ভাৰবিয়ে কালিদাস আদি মহাকবিকো অতিক্ৰমি গৈছে। কমশব্দেৰে বহুঅৰ্থ প্ৰকাশ কৰাৰ কৃতিত্বৰ ক্ষেত্ৰত ভাৰবি অদ্বিতীয়। সৰ্বসাধাৰণৰ মনোগ্ৰাহী, নিশ্চিত অৰ্থপূৰ্ণ লিখনিৰ প্ৰকাশ তেওঁৰ কাব্যৰ এক বিশেষত্ব।

*ব্ৰজন্তি তে মূঢ়ধিয়ঃ পৰাভৱং ভৱন্তি মায়াবিষু যে ন মায়িনঃ।*
*প্ৰবিশ্য হি ঘ্নন্তি শঠাস্তথাবিধানসংবৃতাঙ্গান নিশিতা ইৱেষৱঃ।।*

(যি মূৰ্খব্যক্তিয়ে কুটিলৰ প্ৰতি কপটতা আচৰণ নকৰে, তেওঁ পৰাজয় প্ৰাপ্ত হয়। কিয়নো, কপট আচৰণকাৰীসকলে সেই ব্যক্তিৰ আত্মীয়ৰূপে প্ৰৱেশ কৰি, তীক্ষ্ণ শৰে যেনেকৈ কৱচহীন দেহত প্ৰৱেশ কৰি ধ্বংস কৰে, তেনেকৈ তেওঁলোকক বিনাশ কৰে।)

ভাৰবিৰ কাব্যৰ ভাষা কঠিন হলেও দীৰ্ঘসমাসযুক্ত, কৰ্ণকটু নহয়। তেওঁৰ ৰচনা শৈলীত ক্লিষ্টতাৰ দোষ পোৱা নাযায়। কিন্তু তেওঁৰ কাব্যক বাহ্যিক দৃষ্টিত সহজবোধ্য যেন নেলাগে। পণ্ডিত মল্লিনাথে তেওঁৰ কাব্যক প্ৰশংসাৰে নাৰিকল ফলৰ লগত তুলনা কৰি কৈছে--

*নাৰিকেল ফলসম্মিতং বচো ভাৰবেঃ সপদি তদ্বিভজ্যতে।*
*স্বাদয়ন্তু ৰসগৰ্ভনিৰ্ভৰং সাৰমস্য ৰসিকা যথেপ্সিতম্।।*

(অৰ্থাৎ যিদৰে ওপৰৰ ডাঠ আৱৰণ ফালি নাৰিকল ফলৰ ভিতৰৰ ৰস পান কৰা যায়, ঠিক সেইদৰে ভাৰবিৰ কবিতাৰ ক্লিষ্ট বাহ্যাৱৰণ আঁতৰাই ভিতৰত প্ৰৱেশ কৰাৰ পিছতহে ৰসগ্ৰাহী লোকসকলে ভিতৰত থকা ৰস ইচ্ছা অনুযায়ী পান কৰিব পাৰে।) ■

> **"কল্কি অৱতাৰত সম্পত্তিয়েই হ'ব সামাজিক পদ মৰ্য্যাদাৰ হেতু, ধনেই হ'ব ধৰ্মৰ মূল, অভিৰুচিয়েই হ'ব দাম্পত্য সম্বন্ধ-সূত্ৰ, অসত্যই হ'ব ব্যৱহাৰিক জয়ৰ অস্ত্ৰ, যৌন আসক্তিয়েই হ'ব উপভোগৰ মূল নীতি আৰু বাহ্যিক আৱৰণেই হ'ব নীতি ধৰ্মৰ স্বৰূপ।"**
>
> — বিষ্ণুপুৰাণ



## পাঠ্যক্ৰম হিচাবে বুৰঞ্জী বা ইতিহাস

# ইয়াৰ প্ৰাসংগিকতা আৰু বৰ্তমান স্থান

তপন কলিতা
প্ৰৱক্তা, বুৰঞ্জী বিভাগ

ইতিহাস বা বুৰঞ্জী হ'ল সকলো সমাজ বিজ্ঞানৰ মাতৃ স্বৰূপ। কিয়নো ইতিহাসত এখন সমাজ, এটা জাতি, এখন দেশৰ সামাজিক আৰ্থিক, নৈতিক ধৰ্মীয় আদি দিশকে ধৰি জীৱন যাপন প্ৰণালীৰ সকলো দিশ সন্নিৱিষ্ট থাকে। ইতিহাস শব্দৰ ইংৰাজী উচ্চাৰণ হ'ল হিষ্টৰি (Hi story) এই হিষ্টৰি শব্দটো মূলত গ্ৰীক শব্দ হিষ্টৰিয়া (Hi storia) ৰ পৰা অহা যাৰ অৰ্থ হ'ল খবৰ কৰা বা কোনো ঘটনাৰ সত্যাসত্য অনুসন্ধান কৰা। আনহাতে অসমীয়াত কোৱা বুৰঞ্জী আৰু ইতিহাস শব্দ দুটি যথাক্ৰমে আহোম আৰু সংস্কৃত ভাষাৰ পৰা অহা। আহোম ভাষা মতে, বুৰঞ্জী শব্দটোৰ অৰ্থ হৈছে বু - নজনা, ৰণ - জনোৱা, জী - ভৱাল অৰ্থাৎ নজনা কথা জনোৱাৰ ভৱাল। সংস্কৃত মূলৰ ইতিহাস শব্দৰ অৰ্থ হ'ল অতীতত হৈ যোৱা কোনো গুৰুত্বপূৰ্ণ ঘটনাৰ বিৱৰণকে বুজায়। আদিতে এই শব্দবোৰৰ প্ৰয়োগিক দিশত কিছু পাৰ্থক্য আছিল যদিও আজিকালি বুৰঞ্জী, ইতিহাস বা হিষ্টৰি শব্দই সমাৰ্থক বিষয়কে বুজায়।

বহুযুগ পূৰ্বতে সমাজত এটা ঐতিহাসিক ঘটনাবোৰ লিপিবদ্ধ কৰি তাৰ পৰা মানুহক উচিত শিক্ষা দিবৰ বাবে কেবাজনো মহাপুৰুষে চেষ্টা কৰিছিল। তাৰ ভিতৰত গ্ৰীক ইতিহাসবিদ হেৰোদোতাছৰ নাম উল্লেখযোগ্য। খ্ৰীঃ পূঃ পঞ্চম শতিকাৰ মাজভাগত গ্ৰীচৰ সামাজিক, সামৰিক জীৱনযাত্ৰাৰ সম্পৰ্কে নহয়, লগতে তাতোকৈ বহু প্ৰাচীন কালৰ জন-জীৱনো তেওঁৰ গ্ৰন্থত অন্তৰ্ভুক্ত হয়। ইতিহাস ৰচনাৰ তথ্য স ংগ্ৰহৰ কাৰণে তেওঁ কেবাখনো দেশ ভ্ৰমন কৰিছিল। নিজ চকুৰে দেখা আৰু স্থানীয় লোকসকলৰ মুখত শুনা ঘটনাবোৰ তেওঁ লিপিবদ্ধ কৰি গৈছে। প্ৰাচীন কালতেই হেৰোদোতাছৰ ইতিহাস ইমান মূল্যবান বুলি বিবেচিত হৈছিল যে তেওঁক ইতিহাসৰ জনক বোলা হৈছিল। তেওঁৰ পৰৱৰ্তী লেখক থুচিদাসে গ্ৰীচত হোৱা বিখ্যাত পেল'পনেছিয়ান যুদ্ধৰ বিতং তথ্য লিপিবদ্ধ কৰাৰ উপৰিও এই যুদ্ধৰ কাৰণ আৰু তাৎপৰ্য্য বাখ্যা কৰি ইতিহাসৰ এক নতুন দিশ তেওঁৰ দিনতেই দিয়ে।

প্ৰাচীন কালত আৰু মধ্যযুগত প্ৰধানকৈ ধৰ্মীয় দিশত অধিক গুৰুত্বৰে ইতিহাস চৰ্চা কৰা হৈছিল। সেয়েহে প্ৰাচীন কালত ৰচিত ইতিহাসত সেই সময়ৰ চিত্ৰৰ উপৰিও ঠাই বিশেষে বহুত অনুমানিক, কাল্পনিক আৰু অন্ধবিশ্বাসৰ চিত্ৰও দেখা যায়। কিন্তু ১৭ শ শতিকাৰ পৰা এক পদ্ধতিগতভাৱে সমাজৰ বিভিন্ন দিশ চালি জাৰি, বিভিন্ন উৎস তথ্য আদি বৈজ্ঞানিক পদ্ধতিত বিশ্লেষন কৰি ইতিহাস চৰ্চা তথা বাখ্যা কৰাৰ নতুন প্ৰচেষ্টা আৰম্ভ হয়। অৱশ্যে বৰ্তমান একৈশ শতিকাৰ দুৱাৰ দলিত ইতিহাসৰ বিস্তৃতি আৰু পৰিধি যথেষ্ট বৃদ্ধি পাইছে। আধুনিক ইতিহাসে এতিয়া মাত্ৰ তাৰ পূৰ্বৰ বিষয় ৰজা-ৰাণী, পুৰোহিত, উচ্চশ্ৰেণীৰ মানুহ, যুদ্ধ বিগ্ৰহতে পৰিসীমা আবদ্ধ ৰখা নাই। নতুন বাখ্যা অনুসৰি ইতিহাসৰ এক মূখ্য বিষয় হ'ল সাধৰণ প্ৰজা - তেওঁলোকৰ আশা আকাঙ্খা, ঘৰসংসাৰ, কাপোৰ বাচন, কৃষি কৰ্ম, ব্যৱসায় বৃত্তি, নায্যতা প্ৰাপ্তিৰ বাবে চৰকাৰৰ লগত কৰা সংগ্ৰাম। সেয়েহে আধুনিক বুৰঞ্জীয়ে (১) ৰাইজ বা প্ৰজা (২) স্থান (৩) সময় আৰু (৪) ধাৰণা এই চাৰিটা মূল বিষয়ৰ ওপৰত গুৰুত্ব দি সমাজৰ অধ্যয়ন আগবাঢ়ে। বুৰঞ্জী সাহিত্যৰ এই গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখিয়ে বিশ্বৰ সকলো সভ্য দেশতে ইয়াৰ নাগৰিক, ছাত্ৰ-ছাত্ৰীসকলক বুৰঞ্জীৰ জ্ঞান দিবলৈ সচেষ্টা হৈ উঠিছে। কিয়নো দেশৰ নাগৰিকৰ, ছাত্ৰ-ছাত্ৰীৰ অতীত সম্বন্ধে সঠিক জ্ঞান থাকিলে তেওঁলোকে নিজ নিজ দেশৰ, বিশ্বৰ বৰ্তমান ৰূপটো ভালদৰে জানিব বুজিব পাৰিব আৰু ভৱিষ্যতক পূৰ্বৰ দোষত্ৰুটি আতৰাই সুন্দৰ ৰূপত গঢ় দিব

পাৰিব। সেয়েহে বিশ্বৰ বিভিন্ন দেশৰ লগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত শীৰ্ষ স্থান দখল কৰা আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড আদি দেশত এতিয়াও আন আন বিষয়ৰ দৰে বুৰঞ্জীকো এটা বিষয় হিচাবে স্কুলসমূহত পাঠদান কৰা হয়। আনকি ৰুছ দেশত বুৰঞ্জী বিষয়টো বিজ্ঞান শাখাৰ অৰ্ন্তভুক্ত।

আমাৰ জন্মভূমি ভাৰতবৰ্ষ পৃথিৱীৰ এখন অন্যতম প্ৰাচীন সভ্য দেশ। ইয়াৰ পাঁচ হাজাৰ বছৰীয়া পুৰণি ঐতিহ্য আছে। ইয়াত ইতিহাস চৰ্চ্চা অতি প্ৰাচীন কালৰে পৰা বিভিন্ন ৰূপত প্ৰচলিত হৈ আহিছে। অৱশ্যে আধুনিক পদ্ধতিত বুৰঞ্জীচৰ্চা, গৱেষণা আৰু ৰচনা ভাৰতবৰ্ষত বৃটিছ ৰাজত্ব আৰম্ভ হোৱাৰ পৰাহে সূচনা হয়। কিন্তু ভাৰতৰ উত্তৰ পূৱ কোনত অৱস্থিত অসম ৰাজ্যত বুৰঞ্জীচৰ্চা তথা ৰচনা কৰা তথ্য অতি প্ৰাচীন। ছশ বছৰ এই ভূখণ্ড শাসন কৰা আহোম ৰাজবংশৰ লোকসকলে আদিৰে পৰা তেওঁলোকৰ ৰজা, প্ৰজা, যুদ্ধ বিগ্ৰহ, আকাল মহামাৰী, বিভেদ-মিলাপ্ৰীতি আদি সকলো দিশ সামৰি বংশানুক্ৰমে বুৰঞ্জী তথা বংশাৱালী ৰচনা কৰিছিল। সেই বাবেই আমি ভাৰতৰ আন আন ৰাজ্যৰ তুলনাত অসমৰ অতীতৰ উত্থান-পতনৰ বিষয়ে অধিক নিৰ্ভৰযোগ্য ভাৱে জানিব পাৰো।

ভাৰত বুৰঞ্জীৰ ক্ৰমাগত অধ্যয়নে আমাক যেনেদৰে ভাৰতীয় সমাজখন কেনেকৈ প্ৰস্তযুগ, ব্ৰঞ্জযুগ, লৌহযুগ আদি অতিক্ৰম কৰি বিভিন্ন স্তৰৰ মাজেৰে বৰ্তমান যুগ পালে, কেনেকৈ গাঁও, চহৰৰ সৃষ্টি হ'ল, কেনেকৈ বিভিন্ন জাতি-জনজাতি লগ হৈ ভাৰতীয় হ'ল, কেনেকৈ ক্ষুদ্ৰ স্বাৰ্থৰ বাবে ৰজা মহাৰজাই খোৱা কামোৰা কৰিছিল ইত্যাদি জানিব পাৰো; তেনেদৰে অসম বুৰঞ্জীৰ আধ্যয়নে আমাক অসমৰ বিভিন্ন ঐতিহাসিক ঘটনাৰ জ্ঞান দিয়ে। অসম বুৰঞ্জীয়ে আমাক অসমীয়া জাতিটো বিভিন্ন জাতি-জনজাতিৰ সংমিশ্ৰণত কেনেদৰে গঢ়ি উঠিছিল, চুকাফা কোন, তেওঁ কেনেকৈ বৰ অসমৰ ভেটি স্থাপন কৰিছিল, বীৰ লাচিতে কেনেকৈ এমুঠি সেনাৰে বিৰাট মোগল বাহিনীক পৰাস্ত কৰিছিল, বীৰ নৰনাৰায়ণ আৰু চিলাৰায়ে কেনেদৰে নিজৰ বীৰত্ব প্ৰদৰ্শন কৰিছিল, সতীত্ব ৰক্ষা কৰি ৰাণী সাধনীয়ে কিদৰে নিজৰ প্ৰাণ আহুতি দিছিল আদি অনেক ঘটনাৰ জ্ঞান দিয়ে। এই বুৰঞ্জীয়ে আমাক জানিবলৈ দিয়ে--গুৰু শংকৰদেৱে কেনেদৰে বৈষ্ণৱধৰ্ম প্ৰচাৰ কৰি অসমত এখন জাতি ভেদহীন সমাজ দি গৈছে। এইবোৰৰ উপৰিও অনেক আপুৰুগীয়া অমূল্য তথ্য এই বুৰঞ্জী পুথিবোৰতে পোৱা যায়।

কিন্তু অতি আক্ষেপৰ বিষয় আজি আমাৰ অসমত বুৰঞ্জী সাহিত্যৰ পাঠকৰ সংখ্যা দ্ৰুত গতিত হ্ৰাস পাইছে। ফলস্বৰূপে সমাজৰ, নাগৰিকৰ, ছাত্ৰ-ছাত্ৰীৰ, দেশৰ অতীতৰ বিষয়ে, তেওঁলোকৰ পূজনীয় বীৰ-বীৰঙ্গনাৰ বিষয়ে লজ্জাজনকভাৱে জ্ঞান আৰু ধাৰণা নোহোৱা হৈছে। আজিৰ ছাত্ৰ ছাত্ৰীৰ বাবে বুৰঞ্জী অধ্যয়ন মানে কেৱল যুদ্ধ-বিগ্ৰহ, ৰজা-ৰাণীৰ আচৰণ অৰু চন তাৰিখ কিছুমানৰ সমষ্টি বুলিয়ে ভ্ৰমাত্মক এক ধাৰণাৰ সৃষ্টি হৈছে। ইয়াৰ বাবে কিন্তু এওঁলোকক আমি দোষ দিব নোৱাৰো। ইয়াৰ বাবে প্ৰত্যক্ষভাৱে দায়ী হ'ল এক তথাকথিত বুদ্ধিজীৱী তথা শিক্ষিত শ্ৰেণীৰ ধাৰাবাহিকভাৱে এই বিষয়টোৰ ওপৰত কৰা অপপ্ৰচাৰ তথা ৰাজ্য চৰকাৰৰ ঋনাত্মক দৃষ্টিভংগী। লগতে অসম বিদ্বেষী শ্ৰেনী এটাও ইয়াত জড়িত আছে। এওলোকৰ উদ্দেশ্য হ'ল বুৰঞ্জী আৰু লগতে আন এটা গুৰুত্বপূৰ্ণ বিষয় ভূগোলৰ ওপৰত যদি জনসাধৰণৰ সাধৰণ জ্ঞানকণো নাথাকে তেতিয়া তেওঁলোকে ৰাজ্যত থলুৱা বিৰোধী কাণ্ড- কাৰখানা চলাই নিয়াত সুবিধা হয়। এওলোকৰ প্ৰৰোচনাতে অসমত কুৰি শতিকাৰ ৭০ ৰ দশকৰ মাজভাগৰ পৰা উচ্চ মাধ্যমিক শ্ৰেনী অৰ্থাৎ দশম শ্ৰেনীলৈকে বাধ্যতামুলক হিচাবে পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত থকা বুৰঞ্জী বিষয়টো বাদ দিয়া হয়। দুখৰ বিষয় যে মাধ্যমিক পৰ্য্যায়ত বাধ্যতামূলক বিষয় হৈ প্ৰচলিত আছিল যদিও অসম চৰকাৰৰ শিক্ষা বিভাগে ৮০ দশকৰ শেষ ভাগত বুৰঞ্জী বিষয়টো পাঠ্যক্ৰমৰপৰা বাদ দিয়ে।

এইটো সঁচা যে পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত নহ'লেও সাহিত্য হিচাবে অধ্যয়ন কৰি বুৰঞ্জীৰ ৰস লব পাৰি, সমাজখনক জানিব পাৰি, জাতিটোক বুজিব পাৰি। তদুপৰি জানিবলগীয়া সকলো বিষয়কে পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা সম্ভৱ নহয়। সেইটো সঁচা হলেও একমাত্ৰ বাধ্যতামূলক পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰে বুৰঞ্জীৰ নিচিনা গুৰুত্বপূৰ্ণ বিষয় এটা অধ্যয়ন বিমুখী অসমীয়া সমাজক জ্ঞান দিব যায়। বুৰঞ্জীৰ জ্ঞান আবিহনে এটা জাতিৰ চাৰিত্ৰিক বৈশিষ্ট্য, বিশেষত্ব জনাটো অসম্ভৱ। ইয়ে জাতিটোক ধ্বংসৰ পথত নিয়াটো অনিবাৰ্য্য। বুৰঞ্জী আৰু ভূগোলৰ সঠিক জ্ঞানৰ অভাৱৰ বাবে এসময়ত শান্তি, ঐক্য, মিলাপ্ৰীতিৰ অসমত আজি বিৰাজ কৰিছে অশান্তি; অসূয়া আৰু বিদ্বেষভাৱৰ। সাম্প্ৰদায়িকতা, দুৰ্নীতিৰ, হিংসা-হত্যাৰ বিষবাষ্পই অসম চানি ধৰিছে।

বৰ্তমান অসমত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইতিহাসৰ জ্ঞান-চৰ্চা নথকাৰ বাবে সমাজ সচেতন বিজ্ঞলোক সকলৰ যথেষ্ট চিন্তিত আৰু উৎকণ্ঠিত হোৱা দেখা গৈছে। সমাজখনক ভালদৰে গঢ় দিবলৈ, ই সন্মূখীন হোৱা বিভিন্ন সমস্যাৰ গূঢ়াৰ্থ উদ্ঘাটন কৰিবৰ বাবে বিভিন্ন জাতি জনজাতিৰ মাজত একতাৰ সমন্বয় আনিবলৈ হ'লে দেশৰ ভবিষ্যত নাগৰিকসকলক ইতিহাসৰ জ্ঞান দিবই লাগিব। সেয়েহে বুৰঞ্জী বিষয়টো পুনৰ অন্তত শিক্ষান্ত পৰীক্ষালৈ স্কুলসমূহত পাঠদান কৰাৰ নিত্যান্ত প্ৰয়োজন। অসমৰ বিভিন্ন সংগঠন, সংস্থা বুদ্ধিজীৱি যেনে অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ আদিৰ লগতে অনেক গন্য মান্য ব্যক্তিয়ে বুৰঞ্জী আৰু ভূগোল এই দুয়োটা বিষয়কে উচ্চ মাধ্যমিক স্তৰলৈ বাধ্যতামূলক কৰাৰ দাবী উঠাইছে। অৱশ্যে নতুনকৈ অন্তৰ্ভুক্ত কৰিবলগীয়া এই বিষয়টোৰ পাঠ্যপুথি যাতে পূৰ্বতকৈ অধিক সংস্কাৰমুখী, বিজ্ঞানসন্মত, ত্ৰুটিহীন হোৱাৰ লগতে পুনঃ উক্তি বৰ্জন কৰি ছাত্ৰ-ছাত্ৰীৰ অধিক গ্ৰহনযোগ্য কৰিব পাৰি তাৰ এখন বিশেষজ্ঞ কমিটি গঠনৰ আৱশ্যকতা আছে।

বৰ্তমান সময়ত যদিও চৰকাৰে ইতিহাস আৰু ভূগোল এই দুয়োটা বিষয়কে মাধ্যমিক পৰ্য্যায়ত বাধ্যতামূলক বিযয় হিচাবে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব বুলি ঘোযনা কৰি আহিছে, বাস্তৱক্ষেত্ৰত এই দিশত মন্ত্ৰী আমোলাসকলক বিশেষ তৎপৰতা প্ৰদৰ্শন কৰা এতিয়াও দেখা হোৱা নাই। মাধ্যমিক পৰিষদৰ বিষয়া, মুৰব্বী সকলেও এই ক্ষেত্ৰত এতিয়াও বিশেষ উদ্যোগ লোৱা নাই। পৰিতাপৰ বিষয় এই যে কোনোজনে বা কোনো কোনো সংগঠনে এই বিষয়টো পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰাৰ দাবী কৰি আহিছে যদিওঁ জাতিটোৰ তথা ৰাজ্যখনৰ বুকুত পদাঘাত আৰু ভৰিত কুঠাৰঘাত কৰা এনে এটা নিষ্ঠুৰ, অবিদ্যায়তনিক ব্যৱস্থাৰ বিৰুদ্ধে অসমৰ সামাজিক শিক্ষাজগত তথা শিক্ষক সমাজ গৰজি উঠাৰ কথা দূৰতে থাকক সাংগঠনিকভাৱে ক'তো এটাও বুৰবুৰণি উঠা দেখা নগ'ল। এইটো লজ্জাত শিৰনত কৰিবলগীয়া কথা।

গতিকে জোৰাৰ জুইয়ে হাত নুপুৰোতে আমি ইয়াকে ক'ব পাৰো যে যদি অসমখনক, অসমবাসীক সু-সংগঠিত কৰি জাতীয় একতাৰ ডোলেৰে আৱদ্ধ ৰাখি ৰাজনৈতিকভাৱে সচেতন তথা কুচক্ৰান্তৰ পৰা মূক্ত ৰাখিব লাগে তেতিয়া হ'লে সমূহ ৰাইজকে প্ৰাচীন অসমৰ তথা ভাৰত আৰু বিশ্বৰ বিভিন্ন ঘটনা ফলাফলৰ সম্যক জ্ঞান দিবই লাগিব আৰু তাৰ বাবে বুৰঞ্জী বা ইতিহাসৰ জ্ঞানৰ নিত্যান্ত প্ৰয়োজন। সকলোৰে মাজত অতীতৰ জ্ঞান জাগ্ৰত কৰাৰ বাবে বৰ্তমান একমাত্ৰ উপযুক্ত স্থলী হ'ল বিদ্যালয়সমূহত প্ৰৱেশিকা পৰীক্ষা পৰ্য্যন্ত 'বুৰঞ্জী'ক এটা বাধ্যতামূলক বিষয় হিচাবে প্ৰৱৰ্তন কৰাটো। তেতিয়াহে ক্ৰমান্বয়ে অতীত গৌৰৱ, জাতীয় বীৰক পাহৰি যোৱা জাতিটোৱে মেৰুদণ্ড পোন কৰি বিদেশী যড়যন্ত্ৰ কুচক্ৰান্তসমূহ ওফৰাই পেলাবলৈ সক্ষম হব। দেখাত সাধাৰণ অথচ গুৰুত্বপূৰ্ণ কথাখিনি যিমান সোনকালে সমাজ, ৰাইজ আৰু চৰকাৰে গভীৰভাৱে উপলদ্ধি কৰি হাতে কামে আগবাঢ়ি আহে সিমানে সকলোৰে মঙ্গল।

**লিখা-পঢ়া শিকি কেৱল নিজে শিক্ষিত হলেই নহ'ব, নিজে পোৱা শিক্ষাৰ মহান আদৰ্শ আনকো বিলাই দিব লাগিব।**

**— ভল্টেয়াৰ**

**উন্নতিৰ বাবে শান্তিৰ অতি প্ৰয়োজন।**

**— স্বামী দয়ানন্দ**

# কেঁচা মাটিৰ গোন্ধ সনা এগৰাকী শিল্পীঃ

শ্ৰীকল্পনা দেৱী
স্নাতক প্ৰথম বাৰ্ষিক

অসমৰ শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত অতুলনীয় অৱদানেৰে সমৃদ্ধ গৌৰীপুৰ জমিদাৰ বংশৰ এজন সন্তান আছিল প্ৰমথেশ বৰুৱা। প্ৰমথেশ বৰুৱা চলচ্চিত্ৰ জগতৰ মোহত পৰি কলিকতাত থাকিবলৈ লয়। সেয়েহে জমিদাৰী চলোৱাৰ দায়িত্ব পৰে তেখেতৰ ভাতৃ প্ৰকৃতিশ চন্দ্ৰ বৰুৱাৰ ওপৰত।

প্ৰকৃতিশ চন্দ্ৰ বৰুৱাৰ পত্নীৰ নাম আছিল মালতীলতা। তেওঁলোকৰ তিনিটা কন্যা সন্তান ক্ৰমে প্ৰতিমা, পূৰ্ণিমা আৰু প্ৰতিভা। গোৱালপাৰা জিলাৰ গৌৰীপুৰৰ কেঁচা মাটিৰ গোন্ধ বুকুত লৈ জন্ম গ্ৰহণ কৰা আৰু থলুৱা সংস্কৃতিৰ সুবাসেৰে ডাঙৰ দীঘল হোৱা প্ৰকৃতিশ চন্দ্ৰ বৰুৱা আৰু মালতীলতাৰ প্ৰথম কন্যা প্ৰতিমাই হ'ল আজি মাটিৰ মানুহৰ শিল্পী প্ৰতিমা পাণ্ডে বৰুৱা, যাৰ কণ্ঠেৰে নিগৰি অহা সুৰৰ ধ্বনিয়েই প্ৰতিজন শ্ৰোতাক অবিস্মৰণীয় আনন্দ প্ৰদান কৰে।

কলিকতাৰ কালীগঞ্জত থাকি প্ৰতিমাই শিক্ষা জীৱন আৰম্ভ কৰে। ১৯৫৩ চনত গৌৰীপুৰ ছোৱালী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। ইয়াৰ পিছত 'ছাউথ কেলকাতা গাৰ্লছ' কলেজত ভৰ্তি হয়। বেছিভাগ সময় কলিকতাত কটালেও স্কুল কলেজৰ বন্ধত ঘৰলৈ আহি হাতীৰ পিঠিত উঠি গৌৰীপুৰৰ সেউজী প্ৰকৃতিৰ সান্নিধ্যত আত্মহাৰা হৈছিল প্ৰতিমাই।

**সংগীত জীৱন ঃ-** গোৱালপৰীয়া গীতবোৰক ৪ ভাগত ভাগ কৰিব পাৰি- (১) দেহ বিচাৰৰ গীত (২) মানুহৰ গীত (৩) মইষালৰ গীত আৰু (৪) অন্যান্য গীত। প্ৰতিমা পাণ্ডে বৰুৱাৰ আটাইকেইবিধ গীতৰ ওপৰতেই গভীৰ জ্ঞান আছিল।

প্ৰতিমা পাণ্ডে বৰুৱাৰ সংগীত জীৱনৰ প্ৰথম গুৰু হ'ল তেওঁৰ দুগৰাকী পেহীয়েক। পেহীয়েক দুগৰাকীয়ে বহুত গীত জানিছিল আৰু সেইবোৰ গীত প্ৰতিমাক শিকাইছিল। দেউতাকৰ এখন হাতীশাল আছিল। সেই হাতীশালৰ মাউটবিলাকৰ মুখৰ পৰা প্ৰতিমাই 'মানুহৰ গীত'বোৰ শিকিছিল। গৌৰীপুৰৰ প্ৰতিমাৰ ঘৰৰ কাষেৰে বৈ গৈছিল গদাধৰ নৈ। সেই নৈত উটি অহা নাঁওবোৰত নাঁওৰীয়াই হিয়া উজাৰি 'মইষালৰ গীত'বোৰ গাইছিল। এই গীতবোৰ প্ৰতিমাই কাণ পাতি শুনিছিল। এনেদৰে বিভিন্ন জনৰ কণ্ঠৰ পৰা নিগৰি অহা গীতবোৰ এই জনা শিল্পীয়ে শৈশৱকালতেই ভালদৰে আয়ত্ব কৰিছিল আৰু পিছলৈ নিজেই বিভিন্ন উৎসৰ পৰা গীতবোৰ সংগ্ৰহ কৰি গোৱালপৰীয়া লোকগীতৰ প্ৰখ্যাত গায়িকা হিচাবে খ্যাতি লাভ কৰে।

১৯৪৯ চনত এইজনা শিল্পীয়ে প্ৰথম ৰাজহুৱা মঞ্চত গীত গাইছিল। তেতিয়া তেখেতৰ বয়স আছিল ১১ বছৰ।

১৯৬২ চনত তেখেতে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত নিয়মীয়াকৈ অনাতাঁৰ শিল্পী ৰূপে স্বীকৃতি পায়। ইয়াৰ পিছত ১৯৭৫ চনত কলিকতা দূৰদৰ্শন কেন্দ্ৰত নিয়মীয়া শিল্পীৰূপে স্বীকৃতি লাভ কৰে।

**ভূপেন হাজৰিকাৰ সতে চিনাকি ঃ-** ১৯৫৫ চনৰ কথা। প্ৰতিমা পাণ্ডেৰ বৰদেউতাক প্ৰমথেশ বৰুৱাৰ পুত্ৰ অলকেশ বৰুৱা ভূপেন হাজৰিকাৰ প্ৰিয় বন্ধু। অলকেশৰ লগত ভূপেন হাজৰিকা এদিন গৌৰিপুৰলৈ আহিল। সিদিনাই হাজৰিকাৰ সন্মুখত প্ৰতিমাই প্ৰথম গীত গালে। সেই গীতত ভূপেন হাজৰিকা অভিভূত হৈ পৰিল আৰু সিদিনাই প্ৰতিমাৰ জীৱনলৈ আহিল এক অভিনৱ সোণালী দিনৰ সংকেত।

১৯৫৬ চনত ভূপেন হাজৰিকাৰ "এৰা বাটৰ সুৰ" নামৰ চলচিত্ৰ খনে মুক্তি লাভ কৰে। এই চলচিত্ৰখনতেই পোনপ্ৰথম বাৰৰ বাবে সোমাই পৰিল গোৱালপৰীয়া লোকৰ গীত আৰু লগে লগে এই গীতে লাভ কৰিলে এখন বহল পৰিসৰ।

ইয়াৰ পিছত ভূপেন হাজৰিকাই পৰিচালনা কৰে 'মাহুত বন্ধুৰে'। অলকেশ বৰুৱাৰ কাহিনীৰে এই চলচিত্ৰৰ আধাৰ গোৱালপাৰা। এই চলচিত্ৰত গোৱা প্ৰতিমা পাণ্ডেৰ প্ৰতিটো গীত বৰ জনপ্ৰিয় হৈছিল।

১৯৭৫ চনত কলিকতা দূৰদৰ্শন কেন্দ্ৰযোগে প্ৰতিমা পাণ্ডে বৰুৱাৰ এটি সাক্ষাৎকাৰ প্ৰচাৰ হৈছিল। এই সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল ভূপেন হাজৰিকাই। এনেদৰে ভূপেন হাজৰিকাই এই গৰাকী শিল্পীৰ প্ৰতিভাক গোটেই



ভাৰতবৰ্ষত প্ৰদৰ্শন কৰাৰ সুযোগ আনি দিলে।

১৯৬২ চনত প্ৰতিমা পাণ্ডে বৰুৱাই প্ৰথম গুৱাহাটী কেন্দ্ৰত গাইছিল " হস্তিৰ কন্যা হস্তিৰ কন্যা", 'একবাৰ হৰি বোলো মন ৰচনা' আৰু 'কেনহে ৰাধে তোৰ বিৰহ মন' এই তিনিটি গীত।

**পাৰিবাৰিক জীৱন ঃ-** মানুহৰ মাজত দৰদী কণ্ঠেৰে কেঁচা মাটিৰ গোন্ধ বিলাই ফুৰা এই গৰাকী শিল্পীয়ে অসংখ্য জনৰ মাজত বাচি ললে জীৱনৰ সংগীৰূপে জি, এচ, পাণ্ডে নামৰ এজন ইংৰাজী অধ্যাপকক। এই বিয়াত ঘৰৰ সন্মতি নাছিল। বিয়াৰ পিছত তেওঁলোকে জমিদাৰ পৰিয়ালৰ অতিথিশালা মাটিয়াবাগত থাকিবলৈ ল'লে। তাতেই তেওঁলোকৰ অমৃতা আৰু অলকা নামৰ দুগৰাকী সন্তান জন্ম হয়। বৰ্তমানেও এই মাটিয়াবাগতে স্বামী, জী, নাতি-নাতিনীৰ সৈতে তেখেতে বসবাস কৰি আছে।

**জীৱন কৃতিত্ব ঃ-** সংগীতকেই জীৱনৰ মূলমন্ত্ৰ হিচাবে লৈ আগবাঢ়ি যোৱাৰ লগে লগে শিল্পী গৰাকীৰ জীৱনলৈ আহিবলৈ ধৰিলে লক্ষ লক্ষ জনতা আশীষবাণী আৰু তেখেতৰ অতুলনীয় প্ৰতিভাৰ উপযুক্ত প্ৰতিদান।

১৯৬২ চনত বি হাইগ্ৰেডৰ শিল্পী হিচাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰত গীত পৰিবেশন কৰা এই শিল্পীগৰাকীক ১৯৮৮ চনত আকাশবাণীয়ে 'এ' গ্ৰেড শিল্পী হিচাবে স্বীকৃতি দিয়ে।

ভাৰতবৰ্ষৰ সংগীত জগতলৈ আগবঢ়োৱা অতুলনীয় অৱদানৰ বাবে ১৯৮৯ চনত 'সংগীত নাটক একাডেমী বঁটা' এখেতলৈ আগবঢ়োৱা হয়।

১৯৯৯ চনত এই গৰাকী মহান কণ্ঠশিল্পীক 'পদ্মশ্ৰী' উপাধিৰে সন্মানিত কৰা হয়।

**সামৰণি ঃ-** সংগীতৰ পৰিবেশৰ মাজতেই জন্ম গ্ৰহণ কৰি শৈশৱ, কিশোৰ আৰু যৌৱনৰ মধুৰ দিনবোৰ পাৰ কৰি অহা প্ৰতিমা পাণ্ডে বৰুৱা আজিও থমকি ৰোৱা নাই। সেই দৰদী কণ্ঠেৰে আজিও হেজাৰ শ্ৰোতাক আপ্লুত কৰি কিমান মানুহৰ মৰম বুটলিছে তাৰ লেখ নাই। ৬০ৰ দশকৰ সেই গীতবিলাক আজিও তেখেতৰ কণ্ঠত সমানেই প্ৰাণৱন্ত।

কেঁচা মাটিৰ পৰশ দি যোৱা এই গৰাকী শিল্পীৰ সুৰে প্ৰতিজন অসমীয়াৰ অন্তৰৰ পৰা হিংসা, বিদ্বেষ আৰু অশান্তিৰ ধুমুহাজাক আঁতৰাই বোৱাই দিয়ে যেন এছাটি শান্তিৰ শীতল মলয়া। ■

মানুহে ভুল স্বীকাৰ কৰিবলৈ কেতিয়াও লাজ কৰিব নালাগে। কাৰণ ভুল স্বীকাৰ কৰি তেওঁ প্ৰমাণ কৰে যে তেওঁ আগতকৈ ভাল হৈছে।

— আলেকজেণ্ডাৰ পোপ

বেয়া কাৰ্য্যৰ লগত অসহযোগিতাই হ'ল মানুহৰ আটাইতকৈ পবিত্ৰ কৰ্ত্তব্য।

— মহাত্মা গান্ধী

# বৰ্তমান বিশ্বৰ এক ভয়ংকৰ অভিশাপ

## ‘এইড্‌ছ’ AIDS)

শ্ৰীপ্ৰসন্ন কলিতা
স্নাতক তৃতীয় বৰ্ষ

বৰ্তমান গোটেই বিশ্বত বিভিন্ন ভাষা-ভাষী, সংস্কৃতি, নান ধৰণৰ জলবায়ুৰ মাজত বসবাস কৰা মানুখিনিয়ে যিটো ৰোগৰ নাম শুনিলে সন্ত্ৰাসিত হৈ পৰে, সেই নামটো হৈছো ‘এইড্‌ছ’ [A I D S)। এইড্‌ছ ৰোগে বৰ্তমান যুগত আটাইতকৈ ভয়ংকৰ ৰূপে পৃথিৱীত আত্মপ্ৰকাশ কৰিছে। এই ব্যাধি ১৯৮১ চনত পোন প্ৰথমবাৰৰ বাবে চিহ্নিত হয় আমেৰিকাত। কিন্তু বৰ্তমান বিশ্বৰ প্ৰায়বোৰ ৰাষ্ট্ৰলৈয়ে ই বিয়পি পৰিছে আৰু বিশ্বৰ সমগ্ৰ মানুহ তথা প্ৰতিখন দেশৰে চৰকাৰক বিব্ৰত কৰি তুলিছে। লগতে মানৱ সমাজ, চিকিৎসা ব্যৱস্থা তথা আধুনিক বিজ্ঞানৰ ওপৰতো সাংঘাতিক ধৰণে প্ৰভাৱ বিস্তাৰ কৰিছে।

**এইড্‌ছ কি?**

বৰ্তমান বিশ্বৰ সকলোৰে মুখে মুখে এইড্‌ছ (AIDS) ৰোগৰ নাম শুনা যায়। A I D S নামৰ এই মাৰাত্মক ৰোগটো নো কি? AIDS ৰ সম্পূৰ্ণ নাম হ’ল- “একুৱাৰ্ড ইমিউনো ডেফিচিয়েন্সি চিনড্ৰ’ম (Acquired Immuno Deficiency Syndrome)।” এইড্‌ছ ৰোগ হ’লে শৰীৰৰ ৰোগৰ প্ৰতিৰোধ ক্ষমতা নাইকিয়া হৈ যায়। এই ৰোগ উদ্ভৱ হয় এবিধ ভাইৰাছ বা বীজানুৰ পৰা যাৰ নামাকৰণ কৰা হৈছে এইড্‌ছ আই ভি (Human Immuno deficiency Virus) বুলি। এই HIV মানুহৰ শৰীৰত প্ৰৱেশ কৰিলে ‘টি লিম্ফছাইট’ নামৰ তেজৰ শ্বেত কণিকাৰ ক্ষতি কৰি মানুহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা নিঃশেষ কৰি পেলায়। এইড্‌ছ ৰোগীৰ ৰোগ প্ৰতিৰোধ ক্ষমতা নাইকিয়া হোৱাৰ বাবে ৰোগীক বিভিন্ন বেমাৰৰ বীজানুৱে আক্ৰমণ কৰে আৰু ইয়াৰ ফলতে শুকাই-খীণাই গৈ অৱশেষত ৰোগীৰ মৃত্যু হয়।

যদি কোনো মানৱ দেহত AIDS ৰোগৰ ভাইৰাছে প্ৰৱেশ কৰে তেতিয়া প্ৰথম অৱস্থাত ইয়াক গম পোৱা নাযায় যদিও প্ৰায় ৫ বা ৬ মাহ পিছত ইয়াৰ লক্ষণ সমূহে দেখা দিবলৈ আৰম্ভ কৰে। কিছুমান ব্যক্তিক এইড্‌ছৰ বীজানুৱে আক্ৰমণ কৰাৰ বহুদিন পিছলৈকে শৰীৰত কোনো ধৰণৰ লক্ষণে দেখা নিদিয়ে যদিও ৮\১০ বছৰ পিচতহে লক্ষণবোৰে দেখা দিয়ে। যি সময়ত ইয়াৰ লক্ষণসমুহে দেখা দিয়ে তেতিয়াই এই ৰোগক কোনো ধৰণৰ ঔষধে কাম নকৰা হয়। যাৰ ফলস্বৰূপে ৰোগীজনে মৃত্যুক আকোঁৱালি ল’ব লগা হয়।

সাধাৰণতে AIDS ৰোগৰ ভাইৰাচ প্ৰৱেশ কৰাৰ সম্ভাৱনা থাকিলে ৰোগীজনৰ ক্ষেত্ৰত ‘এলিছা’ টেষ্ট ব্যৱহাৰ কৰা হয়। যদিহে টেষ্টত এবাৰ, দুবাৰ বা তিনিবাৰ ধনাত্মক লক্ষণ দেখুৱায়, তেতিয়া তেজৰ পৰীক্ষা কৰি নিশ্চিত হ’ব লাগে।

**AIDS ৰ লক্ষণ :-**

বিশ্ব স্বাস্থ্য সংস্থাই গ্ৰহণ কৰা AIDS ৰোগৰ লক্ষণসমূহ এনে ধৰণৰ---

(ক) বহুদিন ঘা হৈ যদি নুশুকায়।

(খ) মুখত ঘা হ’লে।

(গ) গাৰ বিষ আৰু ৰাতিৰ ভাগত যদি বেছিকৈ ঘামে।

(ঘ) জ্বৰৰ ঔষধ ব্যৱহাৰ কৰিলে যদি জ্বৰ নকমে।

(ঙ) এমাহতকৈ বেছি দিন গ্ৰহণী হোৱা।

(চ) যদি কোনো কাৰণ নোহোৱাকৈ আস্বাভাৱিকভাৱে শৰীৰৰ ওজন কমে।

বিভিন্ন ধৰণে বিভিন্ন কাৰণত মানৱদেহত এইড্‌ছৰ বীজানু সোমাব পাৰে। এইড্‌ছ আক্ৰান্ত হোৱাৰ কিছুমান কিছুমান বিপদজনক প্ৰক্ৰিয়া হ’ল ঃ

(ক) বহুজনৰ লগত যৌন সম্পৰ্ক ৰখা।

(খ) বীজানুযুক্ত বেজীৰ দ্বাৰা নিচাযুক্ত দ্ৰব্য লোৱা।

(গ) এইড্‌ছ ৰোগৰ বীজানুৰ দ্বাৰা আক্ৰান্ত ব্যক্তিৰ লগত যৌন সম্পৰ্ক ৰখা।

(ঘ) পৰীক্ষা নকৰাকৈ তেজ বা অন্য তেজৰ উপাদান গ্ৰহণ কৰা।

(ঙ) এইড্‌ছ ৰোগ বহনকাৰী গৰ্ভৱতী মাতৃৰ পৰা জন্মৰ আগতে বা জন্মৰ পাছত সন্তানৰ গালৈ এইড্‌ছ বিয়পে।



**প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণঃ-**

প্ৰকৃতাৰ্থত যিহেতু এইড্‌ছৰ কোনো চিকিৎসাই উদ্ভাৱন হোৱা নাই সেয়ে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ হ’লে আমাৰ সন্মুখত উপায় মাথোন এটাই আছে; সেয়া হ’ল নিয়ন্ত্ৰন আৰু প্ৰতিৰোধ। উপযুক্ত তথ্যপাতি আৰু শিক্ষাৰে সম্পূৰ্ণ জ্ঞান আহৰণ কৰিহে আমি এইড্‌ছ নিয়ন্ত্ৰণ কিম্বা প্ৰতিৰোধ কৰিব পাৰিম হ’ক। ‘নিয়ন্ত্ৰণ’ শব্দটোৰ অৰ্থ হৈছে ইতিমধ্যেই যি সকল HIV/AIDS ৰ দ্বাৰা আক্ৰান্ত হৈছে তেওঁলোকৰ পৰা যাতে অইন সুস্থ ব্যক্তিলৈ অধিক সংক্ৰামন হ’ব নোৱাৰে তাৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণ কৰা। ‘প্ৰতিৰোধ’ শব্দটোৰে বুজোৱা হৈছে HIV/AIDS সম্প্ৰাসৰণৰ সমূহ পথেৰে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰা।

তদুপৰি, আক্ৰান্ত ব্যক্তিসকলক যিদৰে আমি মানসিক সাহস গোটাই নিত্য নৈমিত্তিক কাম কাজ সমূহত সমানে অংশ গ্ৰহণ কৰিবলৈ সুযোগ দিয়াটো প্ৰতিজন নাগৰিকৰে পৱিত্ৰ কৰ্তব্য তথা দায়িত্ব, সেইদৰে আক্ৰান্ত ব্যক্তিসকলেও তেওঁলোকৰ গাৰ পৰা অইনলৈ বীজানু সংক্ৰমন নকৰাকৈ থকাটোও এক পৱিত্ৰ কৰ্তব্য তথা মহান দায়িত্ব। এই ক্ষেত্ৰত তেওঁলোকৰ নীতি হোৱা উচিত “আনৰ অনিষ্ট নকৰিবা।” আক্ৰান্ত ব্যক্তিসকলে পালন কৰিবলগীয়া দায়িত্ব সমূহ হ’ল--

(১) ৰোগৰ বিষয়ে যাকে-তাকে কৈ ফুৰিব নালাগে।

(২) ৰক্তদানৰ পৰা বিৰত থাকিব লাগে।

(৩) অসুৰক্ষিত যৌনকৰ্মৰ পৰা বিৰত থাকিব লাগে।

(৪) স্বামী- স্ত্ৰী অথবা যৌনসংগীৰ লগত সম্পৰ্কৰ অবনতি ঘটাৰ সম্ভাৱনা থাকিলেও ৰোগৰ বিষয়ে তেওঁক অৱগত কৰোৱা উচিত।

(৫) চিকিৎসকৰ লগত সুহৃদপূৰ্ণ আলোচনাত ব্ৰতী হ’ব লাগে।

(৬) সুৰাপান, ধূমপান অথবা নিচাসক্ত দৰৱ সেৱনৰ পৰা বিৰত থাকিব লাগে।

(৭) সুষম পুষ্টিকৰ আহাৰ নিয়মীয়াকৈ খাব লাগে।

(৮) হতাশাগ্ৰস্ত নহৈ নিত্য-নৈমিত্তিক কাম কাজসমূহ নিঃসকোচে অংশ গ্ৰহণ কৰিব লাগে।

**এইড্‌ছৰ আৰম্ভণিঃ-**

এইড্‌ছ নামৰ এই নতুন ৰোগবিধ সৌ সিদিনাখনহে মাথোন ১৯৮১ চনৰ জুন মাহত আমেৰিকাত ধৰা পৰে। আমেৰিকাত ৰোগ নিয়ন্ত্ৰণ কেন্দ্ৰ (Centre for Disease Control-C.D.C) ই লছ এঞ্জেলছৰ দেখাত স্বাস্থ্যবান যেন লগা সমকামী যুৱক পাঁচজনৰ গাত পোন প্ৰথমবাৰৰ বাবে এই ৰোগৰ লক্ষণ চিহ্নিত কৰে।

**এইড্‌ছৰ বিস্তৃতি ঃ**

বিশ্ব স্বাস্থ্য সংস্থা (WHO)ৰ তথ্য মতে এতিয়ালৈকে বিশ্বৰ ১৯০ খনতকৈও অধিক দেশলৈ HIV বীজানু বা এইড্‌ছ সম্প্ৰসাৰিত হোৱাৰ উমান পোৱা গৈছে। পুৰুষ, মহিলা তথা শিশুকে সামৰি এতিয়ালৈকে মুঠ প্ৰায় ৩০.৫ নিযুত লোক ইতিমধ্যে এই বীজানুৰ দ্বাৰা আক্ৰান্ত হৈছে।

১৯৮৪ চনত থাইলেণ্ডত এই ৰোগৰ বীজানু চিনাক্ত কৰা হয়। এতিয়াও সংখ্যাৰ ক্ষেত্ৰত দখল কৰিছে থাইলেণ্ডেই। ইয়াৰ পিছত স্থান পাইছে ক্ৰমে ভাৰত আৰু ম্যানমাৰে।

১৯৮৫ চনৰ মে’ মাহত ভাৰতবৰ্ষত সৰ্বপ্ৰথম এইড্‌ছ ৰোগীজন চিনাক্ত কৰা হৈছিল বোম্বে (মুম্বাই) মহানগৰীত। সেই একে বছৰতে মাদ্ৰাজ (চেন্নাই) মহানগৰীতো কেইজনমান যৌনকৰ্মীৰ শৰীৰত HIV পজিটিভ পোৱা যায় আৰু তেতিয়াৰ পৰা অৰ্থাৎ ১৯৮৫ চনৰ পৰা ২০০০ চনৰ ৩১ ডিচেম্বৰলৈ ভাৰতবৰ্ষত এইড্‌ছ ৰোগীৰ সংখ্যা ১৭,৯৯৭ জনলৈ বৃদ্ধি পাইছে। তাৰ ভিতৰত অসমত ১০২ জন এইড্‌ছ ৰোগী বুলি চিনাক্ত কৰা হৈছে আৰু ইতিমধ্যেই তাৰ ১৮ জনৰ মৃত্যু ঘটিছে।

**সামৰণি ঃ**

সদৌ শেষত ইয়াকে ক’ব পাৰি যে বৰ্তমান কালছোৱাত AIDS ৰোগীৰ সংখ্যা বাঢ়ি আছে। বৰ্তমান বিশ্বত ই এক ভয়ংকৰ অভিশাপ স্বৰূপ হৈ পৰিছে। এইড্‌ছ ৰোগৰ চিকিৎসাৰ বাবে বৰ্তমানলৈ কোনো ঔষধ বা প্ৰতিৰোধ ছিটা ওলোৱা নাই। এইড্‌ছ হ’ব পৰা কাৰণ সমূহৰ পৰা আঁতৰি থাকিলে এইড্‌ছ প্ৰতিৰোধ কৰিব পৰা যায়। অৰ্থাৎ ‘প্ৰতিৰোধেই এইড্‌ছৰ একমাত্ৰ চিকিৎসা’। সেয়ে সকলো নাগৰিকে সচেতন হৈ এক সুস্থ নিৰাপদ জীৱন-যাপন কৰি এই দুৰন্ত ব্যাধিক প্ৰতিৰোধ কৰিব পাৰি।

> **ভগৱানৰ আটাইতকৈ ডাঙৰ শক্তি শান্ত বতাহতহে থাকে, ধুমুহাত নহয়।**
> — ৰবীন্দ্ৰ নাথ ঠাকুৰ

# বিচ্ছিন্নতাবাদ আৰু অসমৰ জনমানসত ইয়াৰ প্ৰতিক্ৰিয়া

শ্ৰীদীপক শৰ্মা
স্নাতক তৃতীয় বৰ্ষ

বৃহত্তৰ অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়া আহোমৰ দিনত আৰম্ভ হয় যদিও পিছলৈ, কুৰি শতিকাৰ প্ৰথমাংশৰ পৰাই এই প্ৰক্ৰিয়াত ভাঙণ আৰম্ভ হয়। সেয়ে বৃহত্তৰ অসমীয়া জাতিৰ ধাৰণা ক্ৰমাৎ শিথিল হৈ আহে। তীব্ৰভাৱে ভাষা আৰু গোষ্ঠীবাদৰ বিৰোধ আৰম্ভ হয় আৰু বৰ অসম ভাঙি থানবান হয়। বিচ্ছিন্নতাবাদৰ ধাৰণা সৰু সৰু ভাষা আৰু জনগোষ্ঠী বোৰৰ মাজত তীব্ৰতৰ হয়। ইয়ে সমাজ, ৰাজনীতি, অৰ্থনীতি, সংস্কৃতিৰ মাজত অস্থিৰতা তথা ভাঙোণ আনি দিয়ে।

বৰ্তমান বিশ্বৰ বিভিন্ন কোণত বহু সংখ্যক জনগোষ্ঠীৰ মাজত বিচ্ছিন্নতাবাদ গা কৰি উঠা দেখা যায়। ইয়াৰ ভৌগোলিক তথা ৰাজনৈতিক বহু কাৰণ আছে। আধুনিক বিশ্বত বিচ্ছিন্নতাবাদৰ ধাৰণা মানি ল'ব নোৱাৰি। কাৰণ হিচাপে তথ্য প্ৰযুক্তিৰ কথা ক'ব পাৰি। তথ্য প্ৰযুক্তিৰ বহল ব্যৱহাৰে গোটেই পৃথিৱীখনকে এটি চুবুৰীত পৰিণত কৰিছে। কোনেও কাকো এৰাই চলিব নোৱাৰে। প্ৰগতিৰ দিশত আগবাঢ়িব লাগিলে সকলোৱে হাতত ধৰাধৰিকৈয়ে আগবাঢ়িব লাগিব। ইয়াৰ অন্যথা নিজৰ অস্তিত্বৰ বিৰুদ্ধে জেহাদ। এয়া কোনো দেশ বা জাতিয়ে কৰিবৰ আগ্ৰহী নহয়।

কিন্তু কোনো দেশ আনখন দেশৰ সৈতে কোনো এটা জাতিয়ে আন জাতিৰ সৈতে একাত্ম হোৱাৰ ভয়তে নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে সচেতন হৈ পৰিছে। নিজৰ স্থিতি ৰক্ষাৰ সবল প্ৰচেষ্টা অব্যাহত ৰাখিছে। ফলত আৰম্ভ হৈছে বিচ্ছিন্নতাবাদৰ। আজি স্বাধীনতাৰ ৫৩ বছৰ পিছতো এই উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন সমস্যাৰে জৰ্জৰিত। বিশেষতঃ বিচ্ছিন্নতাবাদৰ যি ঢৌ উঠিছে ইয়ে ইতিবাচক ধাৰণা গ্ৰহণ কৰাৰ আশা ক'ম। গতিকে এই বিচ্ছিন্নতাবাদৰ কাৰণবোৰ আৰু প্ৰতিক্ৰিয়াবোৰ ফঁহিয়াই চোঁৱাৰো অৱকাশ আছে।

বৰ্তমান বিশ্বৰ বিভিন্ন দেশৰ থলুৱা জাতিবোৰৰ মাজত স্বগৃহভূমি, বিচৰাৰ প্ৰৱণতা দেখা পোৱা যায়। ইয়াৰ কাৰণ অস্তিত্বৰ প্ৰতি সংকট। ইয়ে বহুকেইটা ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি জনগোষ্ঠীৰ মাজত এই আত্মনিয়ন্ত্ৰনৰ প্ৰৱণতা, স্বশাসনৰ বাবে আগ্ৰহী কৰি তুলিছে। বিশ্বৰ বিভিন্ন প্ৰান্তত চকু ফুৰালে আমি এই বিচ্ছিন্নতাবাদৰ জোঁৱাৰ দেখিব পাওঁ। ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ চীন দেশৰ বৌদ্ধ ধৰ্মী তিব্বতীসকল, এই দেশৰ পৰা মুক্তি বিচাৰিছে। আমেৰিকাৰ লক'টা জাতিয়ে নিজৰ অস্তিত্বৰ প্ৰতি সংকট আহি পৰাত লুচিয়ানা পাৰ্চেছ নামৰ সুকীয়া ৰাজ্য দাবী কৰিছে। আকৌ এছিৰিয়াৰ দৰে অতি পুৰণি সভ্যতাৰ মূলৰ জাতিও পৃথক গৃহত ভূমি বিচৰা দেখা যায়। আফ্ৰিকাৰ মাছাইসকলে নিজৰ জন্মভূমিতে সুকীয়া স্বাধীন ভূমি বিচাৰিছে। উত্তৰ আমেৰিকাৰ মাউকছ জাতিটোৱে নিজৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত পৰা দেখা যায়। আবেদী মিক্ৰবট দ্বীপপুঞ্জক, প্ৰশান্ত মহাসাগৰৰ কিছুমান জনগোষ্ঠীয়ে ৰাষ্ট্ৰসংঘৰ এখন সুকীয়া দাবী উত্থাপন কৰিছে।

গতিকে দেখা যায় যে বিশ্বৰ বিভিন্ন প্ৰান্তৰ সৰু সৰু জাতিগোষ্ঠীবোৰৰ মাজত এই অস্তিত্বৰ সংকট তীব্ৰতৰ কৰি তুলিছে। ইয়ে বিচ্ছিন্নতাবাদৰ জোঁৱাৰ আনিছে। অৱশ্যে এই জনগোষ্ঠীবোৰৰ সমস্যা সমাধানৰ এক সুস্থ প্ৰক্ৰিয়া উলিওৱা দেখা নাযায়। এই জনগোষ্ঠীবোৰৰ কিছুমানে এই সমস্যাটো আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়লৈ তুলি ধৰিছে আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়টো দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে। কিন্তু এই সংগ্ৰামক ইতিবাচক ফলৰ ইঙ্গিত বুলি ধৰা নহ'ল। ফলত অকল বিচ্ছিন্নতাবাদৰ দাবী বুলিয়ে বল প্ৰয়োগেৰে ইয়াক দমন কৰিবৰ চেষ্টা অব্যাহত ৰাখিছে। সন্ত্ৰাসবাদে গা কৰি উঠিছে। পৰিবেশ পৰিস্থিতি কঠোৰ হৈ পৰিছে।

আকৌ ভাৰত-ইংৰাজ উপনিবেশিকতা কৱলৰ পৰা মুক্তি লাভৰ ৫৩ বছৰ হ'ল। কিন্তু ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি জনগোষ্ঠী বোৰৰ উন্নয়নৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। সেয়ে সম্প্ৰতি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত বিচ্ছিন্নতাবদে তীব্ৰৰূপ ধাৰণ কৰিছে। ইয়ে সমগ্ৰ ৰাজ্য কেইখনৰ ৰাজনীতি, অৰ্থনীতি, সংস্কৃতি আদি দিশত ভাঙোণ প্ৰক্ৰিয়া আনিছে। ইয়াৰ কুফলবোৰ জাতি-জনগোষ্ঠীৰ লোকসকলে ভোগ কৰিব লগা হৈছে। ইয়াৰ কাৰণ ওপৰত কৈ অহাৰ দৰে সুস্থভাৱে সমস্যা সমাধানৰ চৰকাৰৰ সদিচ্ছাৰ অভাৱ। ফলত এইবোৰৰ সামান্য মাথো বিছিন্নতাবাদৰ আন্দোলন বুলি সামৰিক শক্তি প্ৰয়োগেৰে সমাধা কৰিবৰ চেষ্টা কৰা দেখা যায়।

এই সমস্যা আমি বাল্টিক ৰাষ্ট্ৰসমূহতো দেখিবলৈ পাও। বৰ্তমানে এই ৰাষ্ট্ৰসমূহত সংখ্যালঘু ৰুছ আৰু ইউৰোপীয় সকলৰ পৰা উত্থাপিত দাবীবোৰে ভাঙনমূখী প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। আকৌ মধ্য ইউৰোপৰ পিনে চকু ফুৰালে দেখা যায় যে-যুগোশ্ল'ভিয়াৰ, শ্লভোলিয়া, এছিয়া আদিত বিচ্ছিন্নতাবাদৰ তীব্ৰ জোঁৱাৰ। আকৌ ইষ্ট-টাইমুৰ, ইৰাকৰ টাৰ্কুমান আৰু কৰ্দসকল, চীনৰ পশ্চিম ভাগত পূৱ টাৰ্কিস্থান গঠন আদিৰ বিচ্ছিন্নতাৰ দাবী মন কৰিবলগীয়া।

আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত এই বিচ্ছিন্নতাবাদৰ যি কাৰণ সম্প্ৰতি অসমকে ধৰি উত্তৰ-পূৱ ৰাজ্যসমূহত যি বিচ্ছিন্নতাবাদৰ দাবী গা কৰি উঠিছে তাৰ মাজত মিল দেখিব পোৱা যায়। প্ৰক্ৰিয়াগতভাৱে এই ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি গোষ্ঠীবোৰৰ ওপৰত শোষণ বা সংখ্যাগোষ্ঠী সকলৰ শোষণ, সেই সংখ্যাগোষ্ঠী সকলৰ কবলৰ নিজৰ অস্তিত্ব হেৰাই যোৱাৰ ভয়ত গঢ়ি উঠিছে এই স্বগৃহভূমিৰ দাবী। সুস্থিৰ ভাৱেই সমগ্ৰ আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায় বা উত্তৰ পূৰ্ব্বাঞ্চলতে এই দাবী স্থায়ী সমাধানৰ পৰিবৰ্তে, মাথো বিচ্ছিন্নতাবাদৰ আন্দোলন বুলি শক্তি প্ৰয়োগেৰে সমস্যা সমাধানৰ চেষ্টা কৰা দেখা যায়।

সমাজ এখনৰ সফলতা-বিফলতা আদিত ইয়াৰ আৰ্ন্তভুক্ত জাতি গোষ্ঠীবোৰৰ নিজস্ব আৰিহণা আছে। এই জাতি গোষ্ঠীবোৰৰ নিজস্ব স্বাৰ্থ জড়িত আছে। যদি প্ৰশাসনিক শিথিলতা আহি পৰে তেতিয়া এই জাতি গোষ্ঠীবোৰৰ বিবাদ আৰম্ভ হোৱাই স্বাভাবিক। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰত এই কথা ক'ব পাৰি। ভৌগোলিক অৱস্থানৰ হেতুবোৰ প্ৰশাসনিক দিশত বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। কিন্তু ভাৰতৰ দৰে দেশ এখনত ইয়াৰ আৱশ্যকতা আছিল আৰু প্ৰশাসনিক অদক্ষতা বাবেই স্বাধীনতাৰ ৫৩ বছৰ পিছত উত্তৰ-পূৱ ৰাজ্যসমূহৰ উন্নয়নৰ নামত বিশেষ অগ্ৰগতি দেখা নাযায়। ফলত যোৱা কেইটামান দশকৰ পৰা প্ৰবলতৰ হ'ব ধৰিছে ৰাষ্ট্ৰীয় মূলসূতিৰ সতে তীব্ৰ ভাষিক সাংস্কৃতিক বিচ্ছিন্নতাবাদ।

এই বিচ্ছিন্নতাবাদ তথা বিদ্ৰোহ বিপ্লৱ প্ৰৱল হোৱাৰ কাৰণবোৰ ৰাজ্য চৰকাৰৰ গণতান্ত্ৰিক চেতনহীনতা আৰু ঠিক এই বিপ্লৱ বিদ্ৰোহ ৰাজনৈতিক সমস্যা বুলি সমাধানৰ পৰিবৰ্তে, চৰকাৰৰ আক্ৰোষ মূলক দমন নীতিয়ে এই বিদ্ৰোহী বিপ্লৱ বেছি কঠোৰ কৰি তুলিছে। সমস্যা ক্ৰমাৎ গভীৰ হৈ আহিছে।

সমগ্ৰ উত্তৰ-পূৱ ৰাজ্য কেইখনত বিচ্ছিন্নতাবাদৰ যি জোঁৱাৰ আহিছে ইয়াৰ লগতে উজান দিয়া অসমৰ বৃহৎ জাতি গঠন প্ৰক্ৰিয়াৰ ভাঙন মন কৰিবলগীয়া। পূৰ্ব্বতে উল্লেখ কৰা হৈছে যে বিশ্বৰ বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি জনগোষ্ঠীবোৰে নিজ অস্তিত্ব ৰক্ষাৰ্থে স্বভূমিৰ অধিকাৰ সাব্য কৰিছে। উত্তৰ-পূৰ্ব্বঞ্চালৰ কি দৰে অসমকে ধৰি আন ৰাজ্যতো স্বভূমিৰ অধিকাৰ ৰখাৰ নামত বিদ্ৰোহ কি ভাৱে বিচ্ছিন্নতাৰ জোঁৱাৰ উঠিছে , লগতে বৰ্তমান বৃহৎ অসমীয়া জাতিৰ যি ভাঙন মুখীতা আৰম্ভ হৈছে এই দিশটোও উনুকিয়াই থব পৰা যায়। লিখাৰ আৰম্ভনিতে কৈ অহা হৈছে অসমীয়া জাতি গঠনৰ বীজ প্ৰক্ৰিয়াৰ আৰম্ভ হৈছিল আহোম দিনত আৰু কুৰি শতিকাত ইয়াৰ প্ৰসাৰ লাভ হৈছিল। পুঁজিবাদৰ প্ৰসাৰৰ লগে লগে এই প্ৰক্ৰিয়াতো বিকাশ হয়। কিন্তু কুৰি শতিকাতে অসমৰ মধ্যবিত্ত বৰ্ণ হিন্দুৰ হাতত পৰি এই বিকাশত ভেটা পৰে। ফলত কুৰি শতিকাৰ শেষৰ পিনেই আমি দেখিবলৈ পাওঁ বিভিন্ন জনগোষ্ঠীয়ে শোষণৰ প্ৰতিবাদ কৰি পূৰ্ণ স্বায়ত্ব শাসনৰ কৰা দাবী।

অসম তথা উত্তৰ- পূৰ্বৰ ৰাজ্য কেইখনত গা- কৰি উঠা বিচ্ছিন্নতাবাৰ্দ। বিদ্ৰোহ বিপ্লৱে জনসাধৰণৰ সদ্দিছা পূৰণত ব্যৰ্থ হৈছে। জনসাধাৰণে শান্তি, প্ৰগতি, ঐক্য, সাম্য, মৈত্ৰী বিচাৰে। দীৰ্ঘদিনীয়া শোষণৰ পৰা মুক্তিও বিচাৰে। কিন্তু এই বিচ্ছিন্নতাবাদী সংগঠনবোৰে জনসাধাৰণৰ মৰ্মবাণী উপলব্ধি কৰিব পৰা নাই। ফলত এই বিদ্ৰোহে ৰাইজক ফালৰি কটাইছে। জনগণ অবিহনে কোনো বিদ্ৰোহ বিপ্লৱ সম্ভৱ নহয়। সেয়ে বৰ্তমানে প্ৰায়বোৰ বিচ্ছিন্নতাবাদী সশস্ত্ৰ দ'লবোৰে সন্ত্ৰাসবাদী দললৈ পৰিবৰ্তন হোৱা দেখা যায়। ইয়ে জনসাধাৰণক প্ৰত্যক্ষভাৱেই মাধমাৰ সোধাব। কাৰণ এই স্বগৃহভূমি বিচৰাৰ নামত এই সশস্ত্ৰ বিদ্ৰোহী সংগঠনবোৰে যি কুটাঘাটমূলক কাৰ্য্য সংঘটিত কৰিছে, এয়া জনসাধাৰণৰ বিপৰীত সাধিছে আৰু অৱশেষত সাংস্কৃতিক বিচ্ছিন্নতাবাদৰ অৱসান থাকি যায়। এয়া সমগ্ৰ উত্তৰ পূৱ ৰাজ্য কেইখনৰ বাবে ভয়ংকৰ কথা। স্বৰাজোক্তৰ কালৰ পৰা উত্তৰ পূৱ ৰাজ্যকেইখন যি বিচ্ছিন্নতাবাদৰ বিদ্ৰোহ বিপ্লৱ আৰম্ভ হৈছে ইয়ে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক সকলোবোৰ দিশত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অসম কেন্দ্ৰৰ পৰা বঞ্চিত হৈ শাসিত বুলি কৈ সমগ্ৰ অসমৰ উন্নয়নৰ বাবে কেন্দ্ৰক জগৰীয়া কৰা হয়, ই যিধৰণৰ সত্য, আকৌ বিচ্ছিন্নতাৰ নামত অসমৰ স্বাধীনতাৰ নামত বিদ্ৰোহী সংগঠনবোৰে যি কুফলবোৰ সমাজ জীৱনত মেলি দিছে ইয়ো অধিকাৰ কৰিব নোৱাৰা সমানেই সত্য। অসমৰ অনগ্ৰসৰতাই সামাজিক প্ৰবঞ্চনতা সমূহৰ অস্থিৰতাৰ মূল কাৰণ। কিন্তু ই সমানেই কেন্দ্ৰীয় চৰকাৰ মাহী আইৰ দৃষ্টিৰ কাৰণে নহয়। কিয়নো বৰ্তমানে, বহুদিন আগেয়ে সশস্ত্ৰ বিচ্ছিন্নবাদী বিদ্ৰোহী দ'লবোৰে অসমৰ জনসাধাৰণৰ মানসিকতাক শ্ৰদ্ধা কৰা দেখা নাযায়। সিহঁতৰ মনত জনসাধৰণৰ কোনো ধাৰণা নাই আৰু বিদ্ৰোহী সকলৰ বহুতৰে মাজত সুস্থ সবল এক

ঐতিহাসিক ধাৰণা থকা স্বত্বেও তেওঁলোকৰ সশস্ত্ৰ বিছিন্নতাবাদী ধাৰণা ক্ৰমাৎ ম্লান কৰি আনিছে, তেওঁলোকৰ একমাত্ৰ ভুল জনসাধাৰণৰ প্ৰমূল্যক পাত্তা নিদিয়াৰ বাবে। আকৌ আমি এইদৰে ভাবি চাব পাৰো যিবোৰ বিদ্ৰোহীৰ ওপৰত জনগণৰ আস্থা নাই, বন্দুকৰ আগেৰে স্বাধীনতা পালেও তাত জনসাধাৰণৰ কিমান নিৰাপদ হ'ব?

এতিয়া বিদ্ৰোহী সমস্যাই সৃষ্টি কৰা সমস্যাৰাজিৰ সবলীকৰণ প্ৰক্ৰিয়া, এই ধৰণৰ বিদ্ৰোহ দমনৰ নামত অযথা হেচা প্ৰয়োগ, সন্ত্ৰাস দমনৰ নামত প্ৰতিসন্ত্ৰাসৰ সৃষ্টি, বিদ্ৰোহী সংগঠনবোৰৰ প্ৰত্যক্ষ পৰোক্ষ হস্তক্ষেপে সমাজ জীৱন কলুষিত কৰিছে। সমাজত অবাধ দুৰ্নীতি গা কৰি উঠিছে। এচাম সুবিধাভোগীয়ে নিজৰ উদৰ পুৰাইছে। গতিকে অসমৰ সৰ্বত্ৰ বিৰাজমান সন্ত্ৰাস, হত্যা, গণহত্যা, দুৰ্নীতি, অৰাজকতা আদি এটি প্ৰক্ৰিয়াগত সম্পৰ্ক থকা বুলি অনুভৱ কৰিব পাৰি। দীৰ্ঘদিনীয়া সন্ত্ৰাসৰ ফলত সমাজ জীৱন ব্যাহত হৈছে। ক্ৰমে সমাজৰ সকলো স্তৰলৈ দুৰ্নীতি বিয়পি পৰিছে। ব্যাপক দুৰ্নীতিয়ে অৰ্থনৈতিক দিশটো গ্ৰাস কৰি পেলাইছে। আশাৰ থলী জাতি এটিৰ বৌদ্ধিক পৰিক্ৰমা নিশ্চিত কৰা শিক্ষা বিভাগৰ ব্যাপক দুৰ্নীতি জাতিটোৰ বাবে ভয়ংকৰ কথা। আকৌ লোকসেৱা আয়োগৰ দুৰ্নীতি জনসাধাৰণৰ বাবে সুখবৰ নহয়। এই দুৰ্নীতিয়ে সামাজিক প্ৰমূল্য ৰাশিৰ অবনত কৰিছে। আকৌ ইয়ে সমগ্ৰ জাতিটোৰ উন্নয়নৰ প্ৰতিক্ৰিয়া বিৰাট বাধা হৈ পৰিছে। কিন্তু দেখা যায় সন্ত্ৰাসবাদৰ গইনালৈয়ে অসমৰ উন্নয়ন প্ৰক্ৰিয়া ব্যাহত হোৱা বুলি গা এৰা দিয়া দেখা যায়। পিছে মন কৰিলে দেখা যায় এই সন্ত্ৰাসবাদৰ কাৰণেই ব্যাপক দুৰ্নীতিয়ে গা কৰি উঠিছে। দুৰ্নীতিৰ বাবেই অসমৰ সামগ্ৰীক উন্নয়নৰ নামত একো কৰা নহ'ল। উন্নয়নৰ পুঁজি মাথো বিষয়াৰ চন্দুকত সোমাই থাকিল। ফলত অনগ্ৰসৰতাৰ কাৰণে নতুন প্ৰজন্মৰ মাজত ভয়ানক নিবনুৱা সমস্যাই গা কৰি উঠিল। আৰু ইয়ে নতুন প্ৰজন্মক উগ্ৰপন্থী কাৰ্য্যকলাপৰ বাবে উদ্ধুদ্ধ কৰালে। গতিকে ক'ব পৰা যায় দীৰ্ঘদিনীয়া দুৰ্নীতিয়ে সমাজ জীৱনৰ প্ৰতিটো স্তৰতে শিপা মেলাৰ বাবে সমগ্ৰ ৰাজ্যখনৰ উন্নয়নে খৰ্বকায় কৰা হৈছে।

বিচ্ছিন্নতাবাদৰ নামত আৰম্ভ হোৱা বিদ্ৰোহে যোৱা কেইটামান দশকত হত্যা, সন্ত্ৰাস এনে ব্যাপক ৰূপ পৰিগ্ৰহ কৰিছে যে প্ৰতিজন সচেতন লোক সচেতন হোৱাৰে কথা। নলবাৰীৰ ঘগাবিল আদিত গণকবৰ উদ্ধাৰ হোৱা কাৰ্য্য সমগ্ৰ জাতিৰ বাবেই লজ্জাৰ কথা । ঠায়ে ঠায়ে গণ কবৰ উদ্ধাৰ হৈছে, গণহত্যা নিৰ্বিবাদে চলাই গৈছে। কিন্তু এইবোৰত চৰকাৰে কৰিব পৰা দায়িত্ব পালন কৰা দেখা নাযায়। কিয়নো এটি জাতিৰ নতুন প্ৰজন্মৰ হত্যা কৰি, পংগু কৰি কোনো জাতিৰ ভৱিষ্যত উন্নতি হ'ব নোৱাৰে। তীব্ৰভাৱে পৰ্য্যালোচনা কৰিলে দেখা যায় যে বিচ্ছিন্নতাবাদে অসমৰ জনমানসত এক ভয়ংকৰ ৰূপ পৰিগ্ৰহ কৰিছে। এতিয়া ৰাইজে মাথো ৰাজনৈতিক স্বাধীনতা পাবৰ বাবে কোনো বিচ্ছিন্নতাবাদী, উগ্ৰপন্থী দ'লৰ সৈতে আপোচ নকৰিবৰে কথা। কাৰণ অসমৰ জনসাধৰণে দ্বিতীয়বাৰৰ বাবে ৰাজনৈতিক স্বাধীনতা বিচাৰি কাল গহ্বৰত সোমাই যাবৰ ইচ্ছুক নহয়। বিচ্ছিন্নতাবাদী বিদ্ৰোহী দ'লবোৰৰ সৃষ্টিত অৰ্থনৈতিক কাঠামো গঠনৰ বা স্বাধীনতাৰ সুস্থিৰ নীতি পথ নথকাতো মন কৰিব লগা। এই বিচ্ছিন্নতাবাদৰ প্ৰাসংগিকতা ক'ত? তাক ক'ব পৰা নাযায়। কিয়নো এই বিচ্ছিন্নতাবাদ বা স্বভূমিৰ বাবে বিদ্ৰোহীয়ে সমগ্ৰ জাতিটোৰ ধ্বংস মাতি আনিব। এতিয়া আৰু বিচ্ছিন্নতাবাদী বিদ্ৰোহ বিপ্লৱেৰে জাতিটোৰ সৰ্বাধিক উন্নয়নৰ বাধা প্ৰদান কৰি জাতিটোক মৃত্যু গহ্বৰত সেমাই দি একো লাভালাভ নহ'ব। গতিকে ইয়াৰ স্থায়ী সমাধানে আচল কথা। কিন্তু বহুদিন আগতে গা কৰি উঠা এই বিচ্ছিন্নতাবাদ এদিনতে মনৰ পৰা আঁতৰাব নোৱাৰি। তেতিয়া হ'লেও জাতিটোক জীয়াই ৰখাৰ স্বাৰ্থত এইখিনি কৰাৰ যুক্তি আছে।

হত্যা, সন্ত্ৰাস স্থায়ী সমস্যা নহয়। এই বিচ্ছিন্নতাবাদ স্থায়ী সমস্যা নহ'লেও ই স্থায়ী সমস্যাৰ ৰূপ পৰিগ্ৰহ কৰা দেখা যায়। বৰ্ত্তমানে নগাচুক্তি সম্পৰ্কত মণিপুৰত যি গণবিক্ষোভ আৰম্ভ হৈছে ইয়ালৈ চাই এই সমস্যা সমাধান কৰিব পৰা নাযায়। এক সুস্থিৰ পৰিকল্পিত নীতিৰে এই হত্যা সন্ত্ৰাসৰ সমস্যা সমাধা কৰিব পৰা যায়।

প্ৰথমে উল্লেখ কৰা হৈছে এই বিচ্ছিন্নতাবাদ সমস্যা বৰ্ত্তমান বিশ্বৰৰ বিভিন্ন প্ৰান্তৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি জনগোষ্ঠীবোৰৰ মাজত দেখা পোৱা যায়। কিন্তু সকলোতে এই সমস্যা ৰাজনৈতিক প্ৰক্ৰিয়াৰে সমাধান কৰা দেখা নাযায়। ফলত আন্তঃৰাষ্ট্ৰীয় যি পৰ্য্যয়ত দৃষ্টি কাঢ়ি নিলে তেনে বিচ্ছিন্নতাৰ দাবীক কঠোৰ প্ৰশাসনীয় নীতিৰে দমন কৰা হৈছে। ফলত কঠোৰ দমন নীতিয়ে বিচ্ছিন্নতাবাদী সকলোকো বেচিকৈ দৃঢ় আৰু কঠোৰ কৰি তুলিছে। ঠিক সেইদৰে বৰ্ত্তমানে উত্তৰ-পূৱ বিচ্ছিন্নতাবাদ ৰোধৰ বাবে শক্তিশালী প্ৰশাসনৰ আৱশ্যক নহয়। শক্তিশালী ৰাজনৈতিক পৰিপক্কতাৰেহে আৱশ্যক। প্ৰশাসনীয় নীতিৰে ইয়াক কেতিয়াও সমাধা কৰিব পৰা নাযায়। সুস্থ ৰাজনৈতিক প্ৰক্ৰিয়াৰে ইয়াক সমাধা কৰিব পৰা যায়। ■





## কবিতা

'বাক্যং ৰসাত্মকং কাব্যম্।'

-- বিশ্বনাথ কবিৰাজ

“মানৱতাবোধ উৎকৃষ্ট কবিতাৰ প্ৰাণস্বৰূপ।”

-- কবি ভবেন বৰুৱা

“কবিতা হ'ল, আবেগময় আৰু ছন্দস্পন্দিত ভাষাৰ মাধ্যমত মানৱীয় মনৰ মূৰ্তিমান আৰু শিল্পিত অভিব্যক্তি।”


------ Watts Dunton

# আশা

শ্ৰীগিতালী শৰ্মা
স্নাতক প্ৰথম বাৰ্ষিক

মানুহৰ শব্দ মোৰ বাবে বিষাক্ত,
কথাবোৰ অভিশপ্ত।
জিলমিল তৰাৰ ৰেঙনি,
মৃদু মধু ছন্দ।
এতিয়া মই মুক্ত,
দুচকুত আছে অনেক স্বপ্ন।
নোৱাৰে কৰিব আমনি,
অহাৰ বাটেৰে যাব উভতি।
সময় তুমি নিষ্ঠুৰ!
মোৰ পৰা আঁতৰাই নিলা অজান দেশলৈ বুলি,
তাৰ বাবে দায়ী তুমি নে সময়?
শেষ মূহুৰ্তলৈকে থমকি তোমাৰ অপেক্ষাত ৰৈ,
পোৱা নোপোৱাৰ, আশা নিৰাশাৰ,
হা-হুমুনিয়া বুকুত সাৱটি।
অনেক কল্পনা গুপুতে মাৰ গ'ল,
মনৰ বেদনাবোৰ স্মৃতিৰ পাপৰি হ'ল।
এদিন দেখিলো একুৰা জুই,
জ্বলি উঠিছিল এটি আবেলিত।
নিমিষতে ছাৰ খাৰ হৈ গ'ল,
সেই পঁজাটি।
মাথোন চিঞৰ আৰু আৰ্ত্তনাদ,
বিষাদ অশ্ৰুসিক্ত অঞ্জলি।
হঠাৎ যেন আকৌ জ্বলি উঠিছিল,
এটি আবেলিত। ■







# আৰ্ত্তনাদ

শ্ৰীভগৱান তালুকদাৰ
স্নাতক প্ৰথম বাৰ্ষিক

তাহানিৰ আইতাহঁতে এৰি দিয়া শান্তিৰ পাৰযোৰ
এতিয়া চিৰিয়াখানাৰ পিঞ্জৰাবদ্ধ।
অসমৰ আকাশ আগুৰি ভীষণ অন্ধকাৰ
ধূমকেতুই পোহৰ নাশিছে।
ভাগৰুৱা শ্ৰমিকৰ কুম্ভকৰ্ণ টোপনি,
বন্দুকৰ শব্দত সাৰ পাই দেখে,
হিৰোচিমা আৰু নাগাচাকিৰ জুই।
শাসকে চটিয়াই ফুৰিছে 'শান্তি আৰু সমন্বয়'
প্ৰতিবাদ সভাৰ আবেষ্টনীত।
প্ৰভাতী সংগীতত বাজি উঠে
নিস্পেষিতৰ গান আৰু আৰ্ত্তনাদ,
আজিৰ পৃথিৱীত সত্যই আনে হত্যা আৰু দমন
সত্যৰ ভয়ত মানুহ অন্ধ আৰু বোবা হয়।
আন্ধাৰ নিশাৰ সুযোগ লৈ
দস্যুৰ বৰ্বৰতাই ধৰণী কঁপায়,
জ্বলি উঠে 'উকাৰ জুই'
আৰু ৰিক্ত হৃদয়ত তিক্ত বেদনা, সিক্ত নয়ন।
সীতাক বচাবলৈ গৈ জটায়ুৱে
লঙ্কেশ্বৰৰ হাতত ডেউকা হেৰুৱায়,
আৰ্ত্তনাদৰ চকুলো আৰু দমিতৰ ত্ৰাসত
ভুমিকম্প হয়, ভুমিকম্প কোনেওঁ নেদেখে। ■



## গুণ গুণনি

শ্ৰীঅনুপম দাস
স্নাতক দ্বিতীয় বাৰ্ষিক

অন্তহীন সম্ভাৱনাৰ দুৱাৰ দলিত
চিৰ অতৃপ্তিৰ মৰুতৃষ্ণা।
সৃষ্টিৰ বিস্ময়--
জটিল ৰহস্য
বিৰাটলৈ গতি
ক্ষুদ্ৰৰ পৰা।
অসীমৰ অনুধাৱন
সীমাচেৰাই সসীম প্ৰান্তৰ।
আন্ধাৰৰ পৰা পোহৰলৈ--
অভিযান অশান্ত মানৱসত্তাৰ,
আৱৰণে ঢাকি ৰখাৰ বিস্ময়--
সকলোতে এক সুক্ষ্ম বিচিত্ৰ
গংগা-যমুনা, লুইত পাৰত
সৰ্বত্ৰতে প্ৰাৰ্থনাৰ গুণ-গুণনি।
নিয়া মোক আন্ধাৰৰ পৰা পোহৰলৈ।■



## অনুশোচনা

শ্ৰীভগবান তালুকদাৰ
স্নাতক প্ৰথম বাৰ্ষিক

লগপোৱাৰ দিনৰে পৰা
আজি কেইবাটাও বসন্তই গৰকা
মনটোৰে---
কেৱল তোমাৰ কবিতাই লিখিলোঁ
গালো তোমাৰ প্ৰেমৰ গান
সাৱটি ললো তোমাৰ স্মৃতি
আৰু--
ধৰি ৰাখিলো দুচকুত শেঁতা পৰা মুখৰ
এখন মৃন্ময় ছবি।
সেইদিনা যিটো ভবা নাছিলো,
আজি সেইটোৰেই ঘটিল।
তুমি মোৰ ওচৰত নাই।
প্ৰতাৰণাৰে নিজকে আঁতৰাই ৰাখি
এতিয়া তুমি....?
মোৰ বিবেকক লৈ হেতালি খেলিছো,
গোলাপজোপাৰ পাহিবোৰ সৰি গৈছে
নগুঠা গছডালৰ চেহেৰাক ঘিণ লগাত
কেতেকীজনীও আহিব এৰিলে।
আবেগত ভাবো কিবা কিজানি
তেজাল ধ্ৰুৱয়ো মোক আথনি কৰি কয়
তুমি নিজকে বুজাব লাগিব।
ধুমুহাত নিশ্চয় ধ্বংস বুলি জনা মন নাওৰ
মই মাথো আৰোহী
টৌৱে যলৈ ঠেলিছে তালৈ আঁতৰি যাওঁ।।■



## মাথো তোমাৰ বাবে

শ্ৰীবিটুমনি কলিতা
স্নাতক প্ৰথম বাৰ্ষিক

মই ৰৈ আছো
অন্তহীন প্ৰতীক্ষাত
অযুত স্বপ্ন বুকুত সাৱটি,
এজনী নাৰীৰ অস্তিত্বৰে
মাতৃত্বৰ গৌৰৱত গৌৰৱান্বিত,
মাথো তোমাৰ বাবে......।
তোমাৰ বাবেই
সৃষ্ট মোৰ কবিতাৰ
এই মধুময় জীৱনৰ
ছন্দময় ভাব ৰাশি,
এটি উজ্জ্বল মুখৰ হাঁহি।
তোমাৰ প্ৰেম আৰু স্পৰ্শৰ বাবেই
মই আজি পূৰ্ণাংগ নাৰী,
যেন উৰ্বৰা ভূমি।
তোমাৰ বাবেই মই আজি
গোলাপ সদৃশ ফুলৰ বাণী,
প্ৰতীক্ষাত এটি শিশুৰ মাতৃ।।■








## লক্ষ্য স্থানলৈ বহু দূৰ

শ্ৰীমহানন্দ দাস
স্নাতক প্ৰথম বৰ্ষ


মই সাঁচি থৈছো
একেজনী আইৰ
গৰ্ভত থিতাপি লোৱা
মৰমৰ ভাতৃৰ
আকাল পঙ্গুত্ব।
ভনীজনীৰ চেকালগা চাঁদৰ,
সূৰ্য্যটো আনিবলৈ যোৱা
মোৰ বন্ধুৰ শীতল টোপনি,
পিতাইৰ উজাগৰি নিশা
য'ত প্ৰতিটো মুহূৰ্ত হৈ থাকে ভয়াৰ্ত।
পদুলিলৈ চাই থকা
মোৰ আইৰ অকাল বাৰ্ধক্য,
শুভ দিনলৈ? প্ৰতীক্ষা কৰি থকা
মোৰ প্ৰিয়তমাৰ আকুল আহ্বান........
কিন্তু......., মই উভতি নোচোৱাকৈ
মোৰ হাতৰ মুঠিত কলিজাটোলৈ
বাৰুদৰ মাজেৰে দৌৰি আছো......
মোৰ লক্ষ্য,
প্ৰিয়তমাই প্ৰতীক্ষা কৰি থকা
শুভ দিনলৈ.......... ?
মই ক্ৰমশ অনুভৱ কৰিছোঁ,
আগলৈ চাই দেখিছোঁ
লক্ষ্য স্থানলৈ বহু দূৰ......।■



## সময়

শ্ৰীপাপৰি কলিতা
স্নাতক দ্বিতীয় বৰ্ষ

হে নিলাজ সময়,
বিচাৰিছা নো কি........?
অনামী গাভৰুৰ
দেহৰ কামাতীত স্পৰ্শ !
হে নিষ্ঠুৰ সময়,
বুজা নাই নে এতিয়াও
তাইয়ো যে ধৰ্ষিতা হ'ল
দুঃসময়ৰ মাৰলিতে।
হে দুৰন্ত সময়,
ক্ষত বিক্ষত হৃদয় তাইৰ
প্ৰতিটো পল অনুপলে
যন্ত্ৰনাৰ অনুভৱ অসহ্য।
হে নিৰবধি সময়,
এবাৰ চোৰাচোন উভতি
শত শত গঞ্জনাৰে শিৰণত
মাতৃ ধৰিত্ৰী।■



## ঠিকনাবিহীন চিঠি

শ্ৰীবিকাশ তালুকদাৰ
স্নাতক দ্বিতীয় বৰ্ষ


কিয় বাৰু কেতিয়াবা
মৰমৰ বহু ভাষা একত্ৰ কৰি
লিখি যাবৰ মন হয়
এখনি ইতিহীন চিঠি?

নিমিষতে যিয়ে
অন্তৰ উজাৰিব খোজে
উদ্বাউল হাতৰ কলম
মোৰ হাততে থমকে;
তথাপিও প্ৰেমৰ দুৰ্বাৰ গতি মোৰ
অজানিতে কলমেৰে নিগৰি যায়
যেতিয়া মৰমৰ ভৰত
সহিব নোৱাৰা হয়;

অকৃত্ৰিম মৰম সানি
লিখা বহু অন্তৰ উজাৰি
মোৰ চিঠিত পিচে
লিখিব যে এটি ঠিকনা নাই !

সেয়েহে নেকি প্ৰতিবাৰে
প্ৰেমাস্পদ ছন্দবোৰ
দুৰ্বোধ্য আৰু অনাদ্ৰিত হৈ
মাথো অক্ষৰৰ সমষ্টি হয়;

অহৰ্নিশে সেয়ে যেন
অন্তৰত উঠে মোৰ
উদভ্ৰান্ত প্ৰেমৰ কোলাহল
অনাদ্ৰিত, অৱহেলিত হৈ
অনুভূতিহীন কলমতে মাথো
থূপ খাই ৰয়
এক ঠিকনাবিহীন চিঠি।।■







## বিস্ফোৰণ

শ্ৰীৰীতামনি ৰয়
স্নাতক দ্বিতীয় বাৰ্ষিক

হেৰাই গ'ল সি
মিলি গ'ল মাটিত,
তৃষ্ণাতুৰ জীৱনৰ
তাৰ হৃদয়ৰ সপোনবোৰ।
জীৱনৰ কুসুম কাননত
ধৰাবলৈ আহিছিল সি
কলিজাৰ কেঁচা তেজেৰে
আইক পুজিবলৈ।
সিতো কোৱা নাছিল একোকে,
সি ভৱাও নাছিল;
পৃথিৱীত কেৱল জীয়াই থকাৰ হেঁপাহ
তোমাৰ, মোৰ
আৰু বহুতৰ দৰে।
তথাপি কিয় আজি এই সন্তান,
কোনে দিব সমিধান,
ভাতৃঘাতী, পিতৃঘাতী...... মাউৰা হোৱাৰ।■





## আগ্ৰহী

শ্ৰীসংগীতা দেৱী চক্ৰৱৰ্তী
স্নাতক দ্বিতীয় বৰ্ষ

বগা কাগজ আৰু নীলা চিয়াহী
হাতত তুলি ভাবিছোঁ
ক'লৈ যাব বাৰু এই কলমৰ আখৰ
স্তব্ধ হৈ যাব খোজে হাতৰ কলম
অহৰহঁ বৈ যায় চকুপানী
মহা সমুদ্ৰলৈ।
সুৰংগৰ মাজেৰে পাৰ কৰিছোঁ
এটি অঘৰী জীৱন
নাই কোনো সাৰথি
চৌদিশ ভ্ৰমি চাওঁ
ভয়, শংকা, হিংসা
দ্বিধাগ্ৰস্ত মই ....।
অবিৰত আশাৰে
সত্যক বিচাৰি
ধাবমান
মই বৰ আগ্ৰহী।
দিবনে কোনোবাই সহাঁৰি
হেৰাই যোৱাখিনি পাবলৈ
মই বৰ আশাবাদী।■

# জীৱন নাট

শ্ৰীঅনিতা পাঠক
স্নাতক প্ৰথম বৰ্ষ

জীৱনৰ বিয়লি বেলাৰ
আন্তিম ক্ষণলৈ
আছোহি ৰৈ
যিদিনা আঁতৰিম পৃথিৱীৰ পৰা,
মৃত্যুক সাৱটি
সকলো যাম পাহৰি।।
দিন মাহ কৰি বছৰ বাগৰে
কালৈকো নৰয় সময়,
মায়াময় সংসাৰত
আপোনজনক সাৱটি
কৰি আছো নাটকৰ আভিনয়।।
জনম লভিলো পৃথিৱীত
মানৱ ৰূপে,
কৰি আছো ক'ত অভিনয়
যিদিনা অন্ত হ'ব নাটকৰ সংলাপ,
মৃত্যুই মাতিব হাতবউলি
যৱানিকা পৰিব জীৱন নাটখনিৰ।।
এই বিশাল বিশ্বত
একো একোজন অতিথি আমি,
দেখা দেখি হয় অচিন পথত
মনত ভাব হয় আপোন পৰৰ।।
কিয় আহিলো, যাম ক'লৈ
নাপাও একোৱে উমান,
মাথো উদ্যেশ্যহীন পথৰ
তুমি মই একোজন যাত্ৰী,
যাত্ৰা আৰম্ভ হয় অনন্ত পথত
লক্ষ্যহীন জীৱন সোঁতত।।
সুখ দুখ চিৰ লগৰী
সংগ্ৰাম সংঘাটে কৰিছে
অস্থিৰ মানৱ জীৱনৰ।
স্তব্ধ হয় মানুহৰ জীৱন,
অসম্পূৰ্ণ হয় আশা আকাংক্ষা,
সময়ত বিদায় মাগে
অপূৰ্ব সৌন্দৰ্য্যৰ মায়া মোহ চিঙি।।
সময়ৰ আহ্বানত বিদায় লম
সকলোৱে এদিন আগ পিছ কৰি,
পৰি ৰব সংসাৰত প্ৰেম ভালপোৱাখিনি
মৃত্যুই নুমাব জীৱনৰ বন্তি।। ■





# এদিন বুজিবা

শ্ৰীৰুণু মেধি
স্নাতক প্ৰথম বাৰ্ষিক

তুমি বিচৰামতে
মই গৈ কৰিছিলো দেখা,
পদুলি মুখৰ শেৱালী জোপাৰ তলত;
মই অহাৰ বাতৰি আছে লিখা;
আৰু কৈছিলো তোমাক অহাৰ বাবে,
খুলি ৰাখিছিলো মোৰ মুক্ত হিয়া।
চিনাকিৰ পৰা বৰ্তমানলৈ
তোমাৰ আৰু মোৰ মাজেৰে
বহু বসন্ত পাৰ হৈ গ'ল,
কেতিয়াবা আনন্দত আৰু কেতিয়াবা বিষাদত
জীৱন নাওঁ আগুৱাই ভটিয়নীৰ সোঁতত।
নাজানো,
তুমি আহি মোক কেতিয়া প্ৰেৰণা দিবা
আৰু দিবা মনোবল।
মই আজি অধীৰ অপেক্ষাত,
আৰু জীৱনৰ অন্তিম ক্ষণলৈ
ৰৈ থাকিম তোমাক দেখা পোৱাৰ প্ৰতীক্ষাত।
ধিমিক ধামাককৈ জ্বলি থকা
মোৰ জীৱনৰ বন্তি গছি যিদিনা নুমাই যাব,
সিদিনাহে বুজিবা তুমি
তোমাৰ বাবে মোৰ প্ৰয়োজন কি? ■



# আন্দোলন

শ্ৰীচন্দন দাস
স্নাতক তৃতীয় বৰ্ষ

চাৰিওফালে কেৱল
সামৰিক বাহিনীৰ পয়োভৰ
হত্যা, লুণ্ঠন, অপহৰণ আৰু ধৰ্ষন,
সংবাদিকৰ কলম কঁপে
বাকৰুদ্ধহৈ ৰয় অজস্ৰজন।
পুলিচৰ গুলি আৰু লাঠিৰ কোব,
কাৰাগাৰৰ ভিতৰত
নিৰ্মম যন্ত্ৰনাত ছট্‌ফটাই সহস্ৰজনে
অসমীৰ ৰঙা তেজ ক'লা হ'ল।
চাৰিওঁফালে হাঁহাকাৰ
জনতাৰ উন্মুক্ত কণ্ঠ....,
শাৰীপাতি মানুহৰ জুম
মনৰ দুৰ্বাৰ হেপাহ প্ৰত্যক্ষ কৰিবলৈ
কিনো সেইয়া?
কি আচৰিত!
সেইখন দেখোন ৰক্তৰ নদী
লুতুৰি পুতুৰি হৈ আছে অসংখ্য মৃতদেহ
শুধ বগা কাপোৰ ক'ত বাৰু?
হিয়া ধাকুৰি কন্দা আত্মীয়জন ক'লৈ গ'ল?
ঔষধৰ গোন্ধৰ ঠাইত,
বন্দুক বাৰুদৰ গোন্ধ,
আপোন জনৰ ঠাইত
মানুহৰ তেজপি খোৱা দানৱবোৰ
শৰীৰত ৰঙা বগা ফুলৰ ঠাইত
তেজৰ ফাকুগুৰি
সিহঁতৰ মৃত আত্মাই যেন
বাৰে বাৰে চিৎকাৰ কৰি কৈছে
ফুলৰ দৰে নিষ্পাপ আমাৰ প্ৰাণ
কিয় কৰিলে বিনাশ? ■





# ভোকাতুৰ মই

শ্ৰীমনোজ কুমাৰ শৰ্মা
স্নাতক প্ৰথম বৰ্ষ

এদিন ভোকত মই দৌৰিছিলো প্ৰাণপনে,
সিহঁতৰ কাষলৈ,
সিঁহতে মোক খাবলৈ দিছিল
দুখন বৃহৎ কান
এটি শ্ৰুতিকুট গান।
মই কেৱল খাবলৈ বিছাৰিছিলো............।
কি খালো বা কি দিলে
সেয়া মই চকু নিদিলোঁ
মই খালো মাত্ৰ
দুটা নওঠা শব্দ,
বন্দুক আৰু হত্যা;
সিহঁতে মোৰ চকুহাল
বন্ধ কৰি দিলে।
হৃদয় মোৰ জ্বলে
এটা অমানুহৰ দৰে,
এদিন ভোকত হঠাৎ
মই নিজকে খাই পেলালোঁ
আৰু নিহত হলোঁ
সিহঁতৰ হাতত
দুচকুত সজাই লৈ এটি সোনোৱালী সপোন। ■

# বসন্ত

শ্ৰীমুনীন্দ্ৰ দাস
স্নাতক তৃতীয় বৰ্ষ

শীতৰ ঠৰঙা গছৰ ডালত
ক্ৰমে ক্ৰমে এটি দুটি কুঁহিপাত
সি ক্ৰমে বাঢ়ি আহিল নিজস্ব ৰূপত
মন মোৰ সজীৱ সেউজ প্ৰকাশত।

যাৰ বুকুত উমলি
শুনো জীৱনৰ হাঁহি

গভীৰৰ পৰা গভীৰতালৈ সোমাই গৈ
বিচাৰি ফুৰো জীৱনৰ সেউজ ৰহন
আত্ম প্ৰলোভিত হৈ....

পোৰা আৰণ্যখনৰ কাষত কন্দা
চৰাইৰ মুখত-
দেখো আজি হাঁহিৰ ৰেখা .......... ।

বসন্ত যে আমাৰ বাবে এক সজীৱ প্ৰৱাহ
যাৰ ভাষাৰ মাদকতাত
আবিৰ সানি
আগবাঢ়ে ক্ৰমে
পল অনুপল সুখৰ সংবাদ বিচাৰি।

বননিত প্ৰতিটো জীৱনৰ আশাক সজীৱ কৰি
প্ৰতিটো দুঃসময় নিৰসনৰ পিছত
আহে সেই বসন্ত......

সেই আশাৰ মধুৰ আলিঙ্গনত
জীৱনৰ প্ৰতিটো ক্ষণৰ মধুৰ স্বপ্ন....... ।

সেউজ আমাৰ বাবে,
সেউজ জীৱনৰ বাবে,
সেউজ যে বসন্ত ঋতুৰ এক স্বাশ্বত দান। ■

---

(মহাবিদ্যালয় সপ্তাহত থিততে লিখা কবিতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত কবিতা)



# সোনালী আভা

শ্ৰীঅৰূপ ৰাজবংশী


মোৰ ক্ষত-বিক্ষত দেহৰ
প্ৰতিটো তেজৰ কণিকাত
আছে সুপ্ত আগ্নেয়গিৰিৰ
অলেখ লাভা;
ৰৈ আছে শতাব্দী জুৰি
উদ্‌গীৰণৰ অপেক্ষাত,
বিচাৰি মাথো
এটি সোনালী আভা। ■




# শ্বহীদ

শ্ৰীদিপাংকৰ চৌধুৰী
স্নাতক দ্বিতীয় বাৰ্ষিক

হে শ্বহীদ প্ৰণামো তোমাক,
তোমাৰ বুকুৰ সাহসেৰে।
লিখিলা তোমাৰ বীৰত্ব।
তোমাৰ বুকুৰ তেজেৰে।
লিখিলা তোমাৰ অমৰত্ব।।
তোমাৰ বুকুৰ ত্যাগেৰে ।
ৰাখিলা দেশৰ স্বদেশত্ব।।
গৈছা মাতৃৰ বুকু শুদা কৰি।
কিন্তু আছা বিশ্ব বিয়পি।।
হে শ্বহীদ শতবাৰ প্ৰণামো তোমাক।। ■





# স্বপ্নৰ গোলাপ


শ্ৰীচন্দনা কলিতা
স্নাতক দ্বিতীয় বাৰ্ষিক

ভবাটো নাছিলো এই নীল আকাশৰ তলত
দুটি মন বহাগত মিলিব,
বুজাটো নাছিলো এই বন-বননিৰ মাজত
আশাৰ খৰিকাজাঁই ফুলিব।
জেতুকা বুলীয়া এই বুকুখনি দিলোঁ
আৰু যে একোৱেই নাই দিব,
একোকে নালাগে মোক, লাগে সঁচা মৰম
প্ৰাণৰ ৰহণ তাতেই চৰিব।
যিদিনা আঁতৰিম তোমাৰ পৰা
স্ব প্নৰ গোলাপ মৰহি যাব,
তেনেকৈ নকবা, মোৰেই শপত
অমৰপ্ৰেম চিৰদিন থাকিব। ■

# তেজে ধোৱা ফুলবোৰ

শ্ৰীবনশ্ৰী দেৱী
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

এটি প্ৰচণ্ড শব্দ কৰি খোল খাই গেছিল
মোৰ  হৃদয়ৰ দুৱাৰখন,
সেই বাটেৰে সোমাই আহিছিলা তুমি,
মোৰ মন বাগিছাত  বিকশি উঠিছিল
নিষ্পাপ ফুলবোৰ।
হঠাৎ এদিন  তুমি
অহা বাটেৰে উভতি গ'লা
ফুলবোৰ লেৰেলি থৈ,
ফুলবোৰে কান্দিছিল উচুপি উচুপি,
পাহিবোৰৰ পৰা নিগৰিছিল তেজ,
খহি পৰিছিল এটি এটিকৈ,
আৰু তেজলগা পাহিবোৰত  গ্ৰথিত হৈছিল
ভগ্ন হৃদয়ৰ কৰুণ আৰ্ত্ত নাদ। ■





# স্মৃতিৰ গুৱাগছি

শ্ৰীৰাজেন শৰ্মা
স্নাতক তৃতীয় বাৰ্ষিক

কেৱল মোৰেই বাইদেউতো নহয়
সহস্ৰমানৰ সঁফুৰা থাপনাৰে উচৰ্গিত
বাইদেউ আমাৰ মুহুৰ্ত্তৰ স্মৃতিৰ জলন্ত শিখা ,
বৰ্ণনাতীত চকুৰ নিমিষত ভাহি পৰা
স্বচ্ছ আইনাৰ দৰে মহাবিদ্যালয়ৰ কোঁঠাত
লুইতৰ পৰা ডানিয়ু ৰলৈ
শব্দবোৰে নাচি নাচি নৃত্যকৰাৰ দৃশ্য,
এতিয়াওঁ মন দাপোনত উজলি আছে........,
উজলি আছে কণমানি কেচুৱাৰ দৰে
বুদ্ধৰ স্থিতপ্ৰজ্ঞ উক্তিবোৰৰ বট-বৃক্ষ- স্বৰ
কণ্ঠৰ প্ৰতিটো প্ৰচণ্ড গভীৰতা
মুহূৰ্তত ভাহি ভাহি অহাৰ কথা হৃদয়ে
এতিয়াও কয়।
সোনালী শইচৰ উমদি নিচুকনি গীত গোৱা
হে মোৰ কালৰ অশ্বাৰোহী
চিৰদিনলৈ গুচি যোৱা তেওঁ মূৰ্ত্তি নহয়
যেন এটি চলন্ত অক্ষয় পিৰামিড়,
সুৱদী কণ্ঠ শুকাই
হাড়-ছাল ওলোৱা আইৰ সমস্ত দেহত
ঐতিহ্যৰ শিপাডাল এতিয়াও জীপাল কৰি
কণ্ঠ বাজি থাওঁক
স্মৃতিৰ বেদীত জ্বলি থাওঁক গুৱাগছিৰ শলিতা
কেতিয়াবা আগলি কলপাত  পাৰি দিম,
চিলনী আই হৈ ধ্ৰুৱত ৰাৱ আশা দি
সেই  কণ্ঠই তাত বজাব মৃদঙ্গ আৰু চেতাৱৰ
যুগ সন্ধিৰ দেওঁ। ■





# গল্প

"শেষ হয়ে হইল না শেষ।"

— ৰবীন্দ্ৰ নাথ ঠাকুৰ

"নিজৰ বিক্ষিপ্ত ভাৱ আৰু মনোবেগক সম্পূৰ্ণৰূপে আয়ত্ত্বাধীন কৰি কম কথাতে মনোৰমকৈ চিত্ৰ সংযোগৰ মাজেদি চঞ্চল জীৱনৰ কোনো মুহূৰ্ত্তৰ অৱলম্বনত জীৱনক উদ্ভাসিত কৰি তোলা গল্পলেখকৰ প্ৰধান উদ্দেশ্য।"

-- *ত্ৰৈলোক্য নাথ গোস্বামী*



# সীমান্তত চকুলোঁ

শ্ৰীপ্ৰহ্লাদ ৰাজবংশী
স্নাতক প্ৰথম বৰ্ষ

সন্ধিয়াৰ লগে-লগে আন্ধাৰ নামি আহিছিল। চাইকেলখন লৈ ওলাই আহিলো, উদ্দেশ্যবিহীনভাৱে। দিনতো যিহে গৰম, ঘৰত সোমাই থাকি অসহ্য লাগিছিল মোৰ। এতিয়া অৱশ্যে মাজে মাজে দুই এচাতি বতাহ বৈ থকাত মনটো ভাল লাগিছে। মোৰ চাইকেল দ্ৰুত গতিত আগবাঢ়িছে। এনেতে হঠাৎ পিছফালৰ পৰা দেবেনে মোক দেখি চিঞৰি দিলে-"ঐ, ৰখচোন", মই ৰৈ গ'লো। সি মোৰ ওচৰলৈ আহি আৰম্ভ কৰিলে- "অহাকালি বিদ্যাপুৰত হেনো মানুহ লব, সীমা সুৰক্ষা বাহিনীত, কথাতো তই শুনিছনে? নাই, মই তোৰ ঘৰলৈ যাম বুলিয়েই ভাবিছিলো।

কথাটো শুনি মোৰ নতুন উৎসাহ এটা জন্মিল। দুয়ো যোৱাটোকে থিৰাং কৰিলোঁ আৰু যথা সময়ত ইন্টাৰভিউ দিলো। দেবেন মোৰ বাল্য বন্ধু আছিল। পঢ়া শুনাৰ ক্ষেত্ৰত সি মোতকৈ ভাল আছিল। প্ৰৱেশিকা পৰীক্ষাত সি দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল। কিন্তু শাৰীৰিক ব্যায়াম চৰ্চাত দুয়ো স্কুলৰ ভিতৰতে প্ৰথম আছিলোঁ। কোনো খেলতেই দুযোকে হেৰুৱাব পৰা নাছিল। সেয়ে দুয়ো প্ৰৱেশিকা পাছ কৰাৰে পৰা এই ইন্টাৰভিউবোৰ দি আহিছিলো। এইবাৰো দুয়োৱে ইন্টাৰভিউ ভালেই হৈছিল মাত্ৰ আমি নিয়োগ পত্ৰলৈ অপেক্ষা কৰিছিলো। এদিন সঁচাকৈ নিয়োগ পত্ৰ আহিল। কিন্তু নিয়তিৰ কি পৰিহাস; আহিব লাগিছিল তাৰ আহি গ'ল মোৰ। তাক অশেষ বুজনি দি মই চাকৰিত যোগদান কৰিলোঁ।

এইয়া আছিল আজিৰ পৰা প্ৰায় সাত বছৰ আগৰ কথা। মই যেতিয়া দুবছৰ পিছত চুটিত ঘৰলৈ উভতিছিলো তেতিয়াই শুনিছিলো দেবেন হেনো এটা উগ্ৰবাদী সংগঠনৰ সদস্যত ভৰ্ত্তি হৈছে; কথাটো শুনি মই আচৰিত হৈছিলোঁ। দুয়ো বন্ধুৰ আজি দুটা বিপৰীত পথ, কি আঁচৰিত এই মানৱ জীৱন। চুটীত থকা দিন কেইটা মই অশান্তিত কটাইছিলো, যেন তাক আৰু মই কোনো দিনেই লগ নাপাম। কিন্তু সময়েতো কাৰো কাৰণে ৰৈ নাথাকে। চুটী শেষ হোৱাত আকৌ নতুন উৎসাহ লৈ চাকৰিত যোগদান কৰিলোঁ।

বৰ্তমান মই মানস অৰণ্যৰ পৰা প্ৰায় সাত-আঠ কিলোমিটাৰ নিলগত থকা সৰু চহৰ এখনৰ ওচৰতে এই সীমা সুৰক্ষা বাহিনীৰ কেম্প এটাত নিয়োজিত হৈ আছো। ইয়ালৈ অহা মোৰ তিনি মাহমান হৈছিল। আজিৰ এই সংকটৰ পৰিস্থিতিত মোৰ সদায় সংশয়ত দিনবোৰ পাৰ হৈছিল। কিন্তু কি কৰিম সকলো কৰ্তব্যৰ আহ্বান। জীৱনৰ স্বাৰ্থ, ঘৰৰ স্বাৰ্থ, সমাজৰ স্বাৰ্থ সকলো স্বাৰ্থই মোক কৰ্ত্তব্যত জৰিত কৰিছিল। ৰাতিপুৱাৰ দৈনিক বাতৰিখন হাতত ললেই মোৰ মনে হাহাকাৰ কৰি উঠে। গণহত্যা, লুণ্ঠন, অপহৰণ, ধনলুট, আদিৰেই যেন সৃষ্টি হৈছে মানুহৰ জীৱন সংগ্ৰাম; যেন অইন কোনো বিকল্প পথেই নাই।

কথাবোৰ ভাবি থাকোতে হঠাৎ এবাৰ ঘড়ীটোৰ পিনে চকু পৰিল। নিশা ছয় বাজিছে। তাৰ মানে মোৰ ডিউটি শেষ। গাটো ধুই জিৰণি লও মানে সময় হ'ল। খাই বৈ জিৰণি লব খোজোতেই হঠাৎ আমাৰ গ্ৰুপ মেজৰে অৰ্ডাৰ দিলে---

"সকলোৱে ৰেডি হোৱা সোনকালে। মানস থানাৰ পৰা এইমাত্ৰ খবৰ আহিছে যে দহ বাৰজনীয়া উগ্ৰপন্থীৰ দল এটাই ভূটান সীমান্তত আহি খাপ পাতিছে। থানা আৰু আমাৰ সহযোগত এইমাত্ৰ এটা অপাৰেছন আৰম্ভ হ'ব।"

কথা মাত্ৰেই কাম সকলোৱে সু-সজ্জিত হৈ দৌৰি গৈ গাড়ীত উঠিলো। এটা সংঘৰ্ষৰ সন্মুখীন হ'বলৈ আমি সাজু হৈ বলোঁ। আমাৰ কেম্পৰ পৰা ছয়খন আৰু থানাৰ পৰা চাৰিখন গাড়ীৰে সৈতে আমি নিৰ্দিষ্ট ঠাইখিনিলৈ আগবাঢ়িলোঁ। নিৰ্দিষ্ট ঠাইৰ প্ৰায় তিনি কিলোমিটাৰ আঁতৰত গাড়ী ৰখাই আমি অপাৰেচনত নামি পৰিলো।

প্ৰত্যেকেই নিজক পাহৰি গৈছিলোঁ। জোনাক ৰাতি, মাজে মাজে দুই এচাটিকৈ মলয়া বতাহ পাৰ হৈ গৈছিল, দুই এটা বনৰীয়া নিশাচৰী চৰাই কোৰ্হাল কৰিবলৈ

লৈছিল, বোধহয় পোহৰ হ'বলৈ আৰু বেছিপৰ নাই। আমাৰ সহকৰ্মীসকল মুঠ ছয়টা গ্ৰুপত ভাগ হৈ পহৰা দিছিলো। মই, 'চবিৰ' আৰু 'বিনয়' এডাল প্ৰকাণ্ড গছৰ আঁৰত চোপ লৈ আছো। হঠাৎ পাহাৰৰ ওচৰত কিছুমান গুণ-গুণনি শুনা গ'ল।

লগে লগেই আমাৰ মেজৰ ৰহমানৰ পৰা শব্দ হোৱা শুনা গ'ল যে "বি ৰেডি"।

কথা মতেই কাম। লগে লগেই পাহাৰৰ ওপৰৰ পৰা ধাৰাসাৰে গুলিবৰ্ষণ হ'বলৈ ধৰিলে, উভয় পক্ষৰ। আমাৰ এ, কে, ফ্ৰটিছিক্স ৰাইফলেও গুজৰি উঠিল। লগে লগে আৰম্ভ হ'ল এক ভয়ানক পৰিবেশ মাথোঁ গুলিৰ শব্দ আৰু মানুহৰ ক্ৰন্দনহে শুনা গ'ল।

আঁচৰিত ভাৱে হঠাৎ এটা গুলি আহি বিনয়ৰ বাঁও আঠু ভেদ কৰিলেহি। সি লগে লগেই চিৎকাৰ কৰি উঠি মাটিত বাগৰি চট্‌ফটাবলৈ ধৰিলে। আমি তাক ধৰি মেলি গছডালৰ সন্মুখৰ পৰা টানি আনি আঁতৰত লুকাই থলো। লাহে লাহে সিফালৰ গুলিৰ শব্দ নোহোৱা হোৱাৰ লগে লগে মাজনিশাৰ জাগ্ৰত অৰণ্যখনি যেন নিমজ পৰিল। ইতিমধ্যে পোহৰ হৈছিল। কিছুসময় পিছত তিনিটা মৃতদেহ জঙ্গলৰ ওচৰত আৱিষ্কাৰ কৰা হ'ল। বিনয় আৰু দুজন আহত সৈনিকক চিভিল হস্পিতাললৈ পঠাই দিয়া হ'ল। মই আৰু চবিৰ গাড়ীৰ সন্মুখত পেলাই থোৱা মৃতদেহ তিনিটাৰ ওচৰলৈ আগবাঢ়িলোঁ। মোৰ মূৰতো আচন্দ্ৰাই কৰিবলৈ ধৰিলে। এইয়া কি দেখিছোঁ। মোৰ একমাত্ৰ বন্ধু দেবেন এইয়া ক্ষত-বিক্ষত হৈ পৰি আছে। ক'ব নোৱাৰাকৈয়ে মোৰ দুচকুৰে দুটোপাল চকুলো বৈ আহিল। বোধহয় মোৰ অজানিতে "সীমান্তত চকুলো"ই বহন কৰিলে বন্ধুৰ প্ৰতি মোৰ আন্তৰিকতা আৰু অন্তিম শ্ৰদ্ধা.........। ■

যিয়ে এবাৰ বিশ্বাসঘাতকতা কৰিছে তেওঁক পিছত কেতিয়াও বিশ্বাসত নলবা।
– শ্বেক্সপীয়েৰ

খং আৰু অসহিষ্ণুতাই হৈছে জ্ঞান লাভৰ প্ৰধান শত্ৰু।
-- মহাত্মা গান্ধী

তোমাৰ নিজৰ দুৰ্বলতাখিনিৰ বাহিৰে আন কাৰোৰে ওপৰত খং নাখাবা।
-- মেহৰ বাবা



# আধৰুৱা প্ৰেম

শ্ৰীগোপাল ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

এটি সৰু বন্ধ কোঠাত এডাল মমবাতিৰ শিখা। শিখাটোৱে কোঠাটোৰ চাৰিওফালে পোহৰাই তুলিছে। খোলা খিৰিকীৰ পৰ্দা নেওচি কোঠাৰ ভিতৰলৈ ঠাণ্ডা বতাহ জাক সোমোই আহিছে। প্ৰফুল্লই চিগাৰেটো জ্বলাই হুপি হুপিয়ে ক'লে-

ঃ কোৱা নমিতা! তোমাৰ জীৱনৰ সকলোবোৰ কথা কোৱা।

ঃ কিন্তু আপুনি সেইবোৰ সহ্য কৰিব পাৰিব? সেইবোৰ শুনি আপুনি মোক ক্ষমা কৰিব পাৰিব....?

ঃ ক্ষমা কৰিম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছো যেতিয়া তাত নোৱাৰাৰ কোনো প্ৰশ্নই নুঠে।

ঃ নাই আপুনি মোৰ এই কলংকিত কাহিনী শুনিলে মোক আপুনি ঘৃণা কৰিব। মোক এৰি থৈ গৈ নিঠৰুৱা কৰিব।

ঃ (আকৌ এটি চিগাৰেট জ্বলাই) তুমি যি কোৱা কৈ যোৱা মই মাত্ৰ শুনি যাম।

ঃ আপুনি যদি ইমানেই ব্যগ্ৰ তেতিয়াহলে শুনক মোৰ জীৱনৰ কলংঙ্কিত কাহিনী।

কোঠাৰ চুক এটাত থকা চকী এখনত বহি.....

নিলয়পুৰ গাঁৱত মোৰ ঘৰ। মোৰ দেউতা, ঘনকান্ত ডেকাই খেতি -বাতি কৰি কোনোমতেই ঘৰখন চলায়। ঘৰ বুলিবলৈ এটি মাত্ৰ জুপুৰী। ঘৰখন বৰ সুখৰ ঘৰ আছিল। ঘৰ -পৰিয়াল বুলিবলৈ মা -দেউতাৰ আৰু মোৰ সৰু ভাইটি; মৰমৰ ভা.....ই........টি .....

ঃ প্ৰফুল্লই দেখিলে নমিতাৰ গালত চকুলোঁ। নেকান্দিবা, সকলো কোৱা। অকণো নেৰিবা।

ঃ খেতিৰ ধানেৰে খাবলৈ কোনোমতে জুৰে মাত্ৰ; সাচিবলৈ অকণো নৰয়। তথাপি কোনো কষ্ট নোহোৱাকৈয়ে মোক আৰু ভাইটিক পঢ়াই আছিল। মই তেতিয়া ষষ্ঠ শ্ৰেণীত পঢ়ি আছিলো। গাওঁত এবাৰ মহামাৰীয়ে গাওঁৰ মানুহক গ্ৰাস কৰিবলৈ ধৰিলে। গাওঁৰ মৰাশ শ্মশানলৈ নিবৰ বাবেও মানুহ নোহোৱাৰ দৰে হ'ল। চৰকাৰৰ ফালৰ পৰা সহায়ৰ বস্তু গাওঁৰ মহাজনৰ ধন ভঁড়ালত সঞ্চয় হয়। কিন্তু ভগৱানৰ হৃদয়ত ধনী দুখীয়া বুলি ৰেহাই নাই। ৰেহাই নিদিলে আমাৰ ঘৰখনকো। সেই মহামাৰীত মোৰ দেউতায়ো ভূগিলে। ঘৰখনত টকাৰ প্ৰয়োজন। কিন্তু আমাৰ টকাৰ কোনো সাচতীয়াও নাছিল। টকাৰ বাবে ই ফাল-সিফাল কৰিলো। মনত পৰিল মহাজনৰ কথা। টকাৰ বাবে মহাজনলৈ বুলি ঢাপলি মেলিলো। গৈ দেখিলো মহাজন বাৰণ্ডাতে বহি আছে। দেউতাৰ অসুখৰ কথা কলো আৰু চিকিৎসাৰ বাবে অলপ টকাৰ কথা কলো। তেতিয়া.........

ঃ মই গাৱঁৰ সকলো মানুহকে টকা দি সহায় কৰিব নোৱাৰো নহয়।

ঃ নহয় দেউতা, আৰোগ্য হ'লে আপোনাক টকা পৰিশোধ কৰিম। অনুগ্ৰহ কৰি টকা অলপ দিয়ক।

ঃ এই এটকাটো ল' আৰু যদি টকাৰ প্ৰয়োজন হয় তেতিয়া মাৰক পঠাই দিবি। এতিয়া যাগৈ।

মই মহাজনৰ সকলো দুষ্টামি বুজি পালো আৰু টকাটো মহাজনৰ মুখত মাৰি থৈ ঘৰলৈ লৰ দিলো। আহি দেখিলো চোতালত গাওঁৰ কেইজনমান মানুহে কিবা এটা আগুৰি আছে। মোৰ বুজিবৰ বাকী নাথাকিল। মা আৰু ভাইটিয়ে দেউতাৰ মৃতদেহটোৰ ওপৰত উবুৰি কান্দি আছে।

* * * *

এনেকৈয়ে গৈ মই দশম শ্ৰেনী পালো। মোৰ পঢ়া সম্পৰ্কে চাৰ বাইদেউহঁতে আলোচনা কৰে। মই হেনো প্ৰথম বিভাগত উত্তীৰ্ণ হ'ব পাৰিম। মাই কাম বন কৰি আৰু ঘৰখন চলোৱাব নোৱাৰা হৈছে। ভাইটিয়ো মোক পঢ়াৰ বিভিন্ন সুবিধা দিছিল। সি খুব কম বয়সতে এখন দোকানত বন্দবস্ত কৰিলে। মই অৱশেষত উচ্চতৰ মাধ্যমিক পৰীক্ষা দিলো। আৰু অপেক্ষা কৰিলো ফলাফললৈ। পৰীক্ষা আৰু ফলাফলৰ মাজত চোৱা সময়ত মাক মই ঘৰুৱা কামত সহায় কৰিছিলো।

খবৰ কাগজত পঢ়িবলৈ পালো অহাকালি হেনো আমাৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। মনত উগুল-থুগুল লাগিল, মনৰ আশা পূৰণ হ'ব নে নহ'ব তাকলৈ। ফলা ফল ওলাল আৰু মই স্কুলৰ ভিতৰতেই প্ৰথম হৈ উত্তীৰ্ণ হলো। মা আৰু ভাইটিয়ে মোৰ ফলাফল শুনি খুব আনন্দ পালে। মাই দেউতাক অনুভৱ কৰি খুব কান্দিলে। ময়ো নাকান্দকৈয়ো

থাকিব পৰা নাছিলো।

কলেজত নাম ভৰ্ত্তি কৰাত মোক স্কুলৰ তৰফৰ পৰা সহায় কৰিছিল। মোক বেছি দূৰত পঢ়াব খুজিছিল যদিও মই ইচ্ছা কৰা নাছিলো। ওচৰৰে কলেজত নাম ভৰ্ত্তি কৰিলো। বাছত গ'লে প্ৰায়ে ২ কি;মি: হয়। প্ৰথম দিনাখনেই মোক কেইজনমান লৰাই আগুৰি ধৰি কিবা কিবি.....

ঃ তোমাৰ নামটোনো কি...?

ঃ নমিতা ডেকা।

ঃ আমাৰ কেইজনৰ ভিতৰত কাকনো বেছি ভাল লাগিছে।

ঃ উত্তৰ নিদিলো।

ঃ কেইডালতনো পাছ কৰিছা?

ঃ প্ৰথম বিভাগত ।

ঃ (এজনে কলে) মোৰ নাম দিগন্ত শৰ্ম্মা, এয়া....

আধৰুৱাকৈয়ে লৰাকেইজন এজন মানুহক দেখি তৎক্ষণাত তাৰ পৰা আঁতৰি গল। জানিব পাৰিলো সেইজন কলেজৰ অধ্যক্ষ আৰু লৰাকেইজন স্নাতক তৃতীয় বৰ্ষৰ । যিজনে মোক প্ৰথম চিনাকী দিছিল তেখেতে মোক অকলে এবাৰ পুনৰ লগ ধৰিলে। নবাগত আঁদৰণি সভা পাৰ হ'ল। দিগন্ত শৰ্ম্মা প্ৰথম মোৰ দিগন্ত দা আছিল পাছত.....।

ঃ ৰৈ গলা কিয়? কোৱা সকলো কোৱা।

পানী এগিলাচ পি লৈ নমিতাই পুনৰ আৰম্ভ কৰিলে!

দিগন্ত আৰু মোৰ চাৰি চকুৰ মিলন হৈছিল। আই মিন -দুয়ো দুয়োকে ভাল পাইছিলো। আৰু তেখেতে মোক বিয়া কৰাব বুলি প্ৰতিশ্ৰুতি দিছিল। তেখেতে এই কলেজৰ পৰা পাচ কৰি এম.এ ডিগ্ৰী ল'বলৈ বাহিৰলৈ গ'ল। ময়ো বাধা দিয়া নাছিলো। মই প্ৰায়ে তেখেতলৈ চিঠি পত্ৰ দি থাকো। আৰু মোলৈও আহি থাকে। দুই পিছৰ কথা মই ইমান দিনৰ ভিতৰত কিমান যে চিঠি দিলো তাৰ লেখ নাই, কিন্তু তাৰ এখনৰো উত্তৰ নাই! অৱশেষত পদূলিত ৰৈ থাকোতে এদিন এখন চিঠি আহিল। আৰু তাত লিখা আছিল।

"মৰমৰ নমিতা: তুমি মোক ক্ষমা কৰিবা। তোমাৰ সৈতে হোৱা সেই ভালপোৱাৰ কথা সকলোবোৰ পাহৰি যোৱা। মই তোমাক বিয়া কৰাম বুলি কৈছিলো, কিন্তু দেউতাই এজনী ছোৱালী চাই থৈছে। এতিয়া এৰিলো। ইতি দিগন্ত":

এয়া চিঠি মোৰ হাতত এতিয়াও আছে। চিঠি পঢ়ি ক্ষন্তেকৰ কাৰণে মই মূৰ্চ্ছা গৈছিলো। নিয়তিৰ নিষ্ঠুৰ পৰিহাস! ভাইটিৰো তেতিয়া কলা জ্বৰে দেহৰ অৱস্থা শোচনীয় কৰি তুলিলে। দেউতাৰ কথা মনত পৰিল, টকাৰ অভাৱত মৃত্যু হোৱা কথাটো। সেয়েহে পুৰণি কথা পাহৰি আকৌ লৰ দিলো মহাজনৰ ওচৰলৈ টকাৰ কাৰণে। মহাজনে এইবাৰ কিন্তু তেনেকুৱা কৰা নাছিল। আদৰ-সাদৰ কৰি ভিতৰলৈ মাতি নিছিল। আৰু ভিতৰলৈ নি দৰ্জা কেইখন বন্ধ কৰিছিল। তাকে দেখি মই চিএঞৰি দিছিলো। কিন্তু সেই চিএঞৰ কোনেও নুশুনিলে। অলপ সময় পিছত তেওঁৰ আদেশত কেইজনমান পশুৱে মোক এখন গাড়ীত উঠোৱা মোৰ মনত আছে আৰু তাৰপিছত এইয়া আপোনাৰ বিছনাত। কেনেকৈ আহিলো, কোনে আনিলে আপুনি ক'বনে? এই কি ঠাই মই চিনিও নাপাও।

ঃ মইয়ে তোমাক উদ্ধাৰ কৰিছো। অলপ আগতে তোমাক চাই ড° চলিহা ওলাই গ'ল আৰু ক'লে কিছু সময় পিছত হুচ আহিব আৰু ক'লে........

ঃ কি ক'লে (আচৰিত হৈ)

ঃ তুমি, তু....মি....।

কওক: Please.

ঃ তুমি সন্তানৰ মাতৃ হ'ব ওলাইছা।

ঃ সেই কথা মইও জানিছিলো। সেইয়ে দিগন্ত আৰু মোৰ প্ৰেমৰ প্ৰমাণ। আপুনি মোক কিয় বচালে। মোক মৰি যাবলৈ দিলে ভাল হ'লহেতেন। মোৰ আছে কোন; কাক লৈ জীয়াই থাকিম।

ঃ মই তোমাৰ সকলো কেচ সমাধান কৰিম।

ঃ অসম্ভৱ প্ৰফুল্লদা। কাৰণ মোৰ হাতত কোনো প্ৰমাণেই নাই।

ঃ পাৰিম নমিতা। আৰু মোৰ এই সৰু ভাড়া ঘৰটোতেই দুয়ো থাকিম।

ঃ কিন্তু আপুনি?

ঃ Yes I am C.B.I. Inspector. ■

**যাক প্ৰশংসা কৰিব নোখোজা তাক নিন্দা কৰিবলৈকো কলম হাতত নলবা।**

— ৰবীন্দ্ৰ নাথ ঠাকুৰ

# মোৰো মনে তোমাকে বিচাৰে

শ্ৰী পিংকু ঠাকুৰীয়া
স্নাতক ২ য় বৰ্ষ

ঐ জয়ন্ত, এইবোৰ কথা ভাবি থাকি লাভ নাই। মিছাতে সময় অপচয় কৰিছা। বিকাশে অলপ বিৰক্তিৰে ঘাৰত থপৰিয়াই ক'লে।

ঃ বিকাশ তুমি কি বুজিবা...................?

ঃ মই নুবুজা হ'লে তোমাৰ ইয়াৰ লগ হোৱাৰ দৰকাৰ ক'ত:

ঃ হ'লেও মানুহবোৰ ইমান নিৰ্দয় নে? অলপটো অন্তৰত মৰম থকা দৰকাৰ। দেখাত মানুহবোৰ যেনেকুৱা লাগে কিন্তু কাৰ্য্যক্ষেত্ৰত সম্পূৰ্ণ ওলোটা।

ঃ জয়ন্ত কিবা এটা উপায় দিয়ানা?

ঃ উপায়! উপায় এটা আছে সেয়া মৃত্যু তাইৰ আৰু মোৰ ।

ঃ জয়ন্তই উত্তেজিত ভাৱে চিএঞৰি চিএঞৰি বহাৰ পৰা উঠিল।

ঃ ব'ল এতিয়া বেলি মাৰ গ'লেই। আমি গৈ পাওঁ মানে আন্ধাৰ হ'ব।

লাহে লাহে ৰঙা বেলিটো পশ্চিম আকাশত ডুব যাৱ ধৰিলে! চৰাই চিৰিকতীবোৰেও নিজৰ নিজৰ বাঁহ ললে।

জয়ন্তই গিমী নামৰ এজনী ছোৱালীক ভাল পায়। তাইও তাক মনে প্ৰাণে ভাল পাইছিল। জয়ন্তই ভালপোৱা কথাটো গিমীৰ ঘৰৰ মানুহেও জানিছিল। তাত মাকৰ সন্মতি আছিল। কিন্তু প্ৰথমতে তাইৰ ককায়েকৰ সন্মতি নাছিল। পিছত তাইৰ সুখ কামনা কৰি সন্মতি দিলে। অৱশ্যে জয়ন্তহঁতৰ গাঁওৰ মানুহ তথা তাৰ ঘৰৰ প্ৰত্যেকটো ব্যক্তিয়ে সি গিমী নামৰ এজনী ছোৱালীক ভাল পোৱাটো জানে। কিছুমানে এই ভালপোৱাৰ ক্ষেত্ৰত সহযোগীতা কৰিছিল আৰু কিছুমানে ঠাট্টা বিদ্ৰূপ কৰিছিল। কাৰণ গিমী আছিল পাহাৰীয়া নিম্ন বংশৰ ছোৱালী। কিন্তু জয়ন্ত আছিল গাঁওৰ এটি উচ্চ বংশৰ ল'ৰা। সেয়ে বহুতে এই কথাত মত দিয়া নাছিল। জয়ন্তই কিন্তু সেইবোৰত গুৰুত্ব দিয়া নাছিল।

ঃ জয়ন্ত..... এইফালে আহা। দেউতাকে সিহঁতৰ আচুতীয়া কোঠালৈ মাতিলে। জয়ন্তই দেখিলে, দেউতাকৰ লগত তাৰ বৰদেউতাক আৰু মোমায়েক বহি আছে। সি ভাবিছিলে দেউতাকে তাক কিবা আনিব দিব, সেয়াই। কিন্তু ভবা মতেচোন একো নহ'ল। গিমীৰ কথা নহয়টো? সি নিজকে নিজে প্ৰশ্ন কৰিলে.......।

ঃ কি ভাবি আছা নবহা কিয়? দেউতাকে কোৱাতহে তাৰ ভাবৰ যতি পৰিল। সি ইমান সময়ে কি ভাবি আছিল নিজেই ক'ব নোৱাৰে। সি মোমায়েকৰ কাযত থকা হাত নোহোৱা চকীখনত বহিল।

ঃ বোপা এইবিলাক কি কৰিছা অ'......? বৰ বেয়া কথা। নেপায়.......। আমাৰোটো বংশৰ মৰ্য্যদাৰ কথা আছে। আমাৰ ঘৰৰ কোনো এজনেও এনেকুৱা কাম কৰা নাই। কিন্তু তই........?

ঃ বৰদেউতা কি ক'বলৈ খুজিছে খোলাখুলি ভাৱে নকয় কিয়.....?

প্ৰায় বৰদেউতাকৰ মুখৰ পৰা কথাযাৰ শেষ নহোওতে সি উত্তেজিত ভাৱে কৈ উঠিল।

ঃ তোৰ সেইজনী গিমীৰ কথা, - দেউতাকে খঙেৰে কৈ বহি থকা চকীখন অলপ ঘুৰাই ল'লে।

ঃ জয়ন্ত তোৰ কাৰণে এজনী ভাল ছোৱালী চাইছো। গণেশ মহৰীৰ ছোৱালী। কলেজত পঢ়া ছোৱালী। খুউব ভাল, দেখাত যেনে কামতো তেনে।

ঃ মোমাইদেউ মোক তেনেকুৱা ভাল ছোৱালী নালাগে। তাই ধনী মানুহৰ ছোৱালী বাবে ভাল আৰু গিমী দুখীয়াৰ বাবে বেয়া এইয়া আপোনালোকৰ বিচাৰ.........?

ঃ জয়ন্ত এইবোৰ কি কৈছ.......?

ঃ মামা ঠিকেই কৈছো। আপোনালোকে বংশৰ ওপৰত গুৰুত্ব দিয়াতকৈ ব্যক্তিত্বৰ ওপৰতহে গুৰুত্ব দিয়া উচিত।

গিমীক পাহৰি যোৱা জয়ন্ত আমাৰ কথা অলপ চিন্তা কৰিবা। আমি তোমাৰ অহিত চিন্তা নকৰো। তোমাৰ ওপৰত বহুত আশা কৰিছোঁ।

ঃ নাই দেউতা নোৱাৰিম। ক্ষমা কৰিব। সি দেউতাকৰ পিনে নোছোৱাকৈ কথাযাৰ কোনোমতে ক'লে।

ঃ দেউতা নাকান্দিবা। জয়ন্তই দেউতাকৰ হাতত ধৰি কাকূতি কৰিব ধৰিলে।

ঃ তুমি দেউতাৰাৰ একমাত্ৰ ল'ৰা। মা সৰুতে ঢুকাইছে। তেখেতে তোমাক দুখ কষ্টৰ মাজেৰে ডাঙৰ দীঘল কৰিলে আৰু তুমি এতিয়া সাধাৰণ কথাটো ৰাখিব নোৱাৰা..................?

ঃ "মোমাইদেউই ঠিকেই কৈছে। দেউতাই মোৰ কাৰণে ইমান কষ্ট কৰিছে অথচ মই সাধাৰণ কথাটো ৰাখিব

পূৰৱী হৈছে আন্তৰাষ্ট্ৰীয় ব্যৱসায়ী। মন্তি হৈছে-চিমেন্টৰ........।

এওঁলোকক যে মাতিলা ......?

মানে এটা প্লেন বুলিয়ে ধৰক গোটেই পূজাটোৰ খৰচ তেওঁলোকে বহন কৰিব। আৰু তাৰ বিনিময়ত মঞ্চত উঠাৰ সুবিধাটো দিব লাগিব।

তোমালোকে মানি ল'লা? পৰম্পৰাগত পূজাটো পাতিব খুজিছা। এইবোৰটো ইমান লজ্জাজনক প্ৰস্তুতি। পইচা নাই নাপাতিবা। কিন্তু পূজাকলৈ ইমান কিহৰ ৰাজনীতি..........?

বাইদেউ আপুনি বুজা নাই। বুজিবলৈ আৰু কি আছে? পইচাই তাৰ মানে সকলো। পইচা পালে তোমালোকে দেখোন সমাজদ্ৰোহী.......।

অ' ই। কিয় ৰই আছ......? আলিটোৰ পৰা কোনোৱাই মতাত ল'ৰা কেইজন বেগাই উঠি গ'ল।

গিতিকাই ল'ৰা কেইজন যোৱা দেখি গিৰিয়েকৰ ফালে চাই এটা মিঠা হাঁহি মাৰিলে।

পূজাৰ দুই দিনমান আগতে পূজা কমিটিৰ ডেকা ল'ৰা কেইজনমানে গিতিকাৰ ঘৰত হাজিৰ হ'ল।

গিতিকাই সভাত নিদিষ্ট বক্তাৰ ভাষণ ৰাখিব লাগে।

মই....? গিতিকাই সঁচাকৈ আচৰিত হ'ল। হয় বাইদেউ আপত্তি নকৰিব।

গিতিকাই সন্মতি দিয়াত ল'ৰাকেইজন গ'লগৈ।

মিটিঙৰ দিনা একেবাৰে এখন গাড়ী আহি হাজিৰ। গিতিকাই অলপ অ-প্ৰস্তুতেই হ'ল- গাড়ী কিয়? এক কিলোমিটাৰ ৰাস্তাহে। খোজকাঢ়িয়ে গলোহেঁতেন।

'নহয় বাইদেউ, আপুনি আমন্ত্ৰিত অতিথি।' হাঁহি এটা মাৰি এজনে ক'লে।

মিটিং আৰম্ভ হোৱাৰ পিছত সভাপতিয়ে তাইক বক্তব্য তথা মন্তব্য আগবঢ়াবলৈ ক'লে।

ৰাইজক হাত যোৰ কৰি গিতিকাই তাইৰ ভাষণ আৰম্ভ কৰিলে। চিৰাচৰিত ভাৱে অলপ পিছতে বিষয় বস্তুৰ পৰা ফালৰি কাটি অইন ফালে গতি কৰিলে। তাইৰ মাতটো ডাঙৰ হৈ আহিল।

হঠাৎ তাইৰ গাৰ ওপৰত পচা বিলাহী, ঘোলা কণী, চিগা চেণ্ডেল আহি পৰিব ধৰিলে। গিতিকা হতভম্ব হৈ গ'ল। তাই দেখোন বিশেষ কথা কোৱাই নাই কি প্ৰতিবাদত এইবোৰ হৈছে? তাই মানুহৰ কথাবোৰৰ প্ৰতি মন দিলে।

নাই কোনো বিশেষ একো কোৱা নাই। গণ্ডোগোল কৰি এনেয়ে গালি গালাজ পাৰি আগৰে পৰা দমাই থোৱা বস্তু বিলাক দলিয়াই আছে। মঞ্চত থকা বাকীবোৰে একো কৰা নাই। মুখত হাত দি ৰং চাই আছে।

এজন ডেকা ল'ৰাই তাইক ধৰি মঞ্চৰ পৰা নমাই দিলে। প্ৰায় টানিয়ে ৰাস্তাত থৈ গ'ল। যাওক যি ক'ব লগা আছে ঘৰত গিৰিয়েৰৰ আগত গৈ ক'ব।

কিয় যামহে....? মোক ইমান অপমান কিয় কৰিলা। মই জানিব লাগিব। মোক মতাৰ উদ্দেশ্য কি আছিল।

গিতিকাই নিজৰ কাপোৰৰ লেতেৰা দাগ আৰু গোন্ধবোৰৰৰ প্ৰতি লক্ষ্য কৰিলে। গিতিকাক দিয়া গামোচাখনিত বিলাহী, কণীৰ ৰস বৈ আছে। তাই লাহে লাহে লাজ আৰু অপমানো পালে ঘৰলৈ খোজ ল'লে। সকলো মানুহ তাইৰ ফালে ৰ'লাগি চাই থাকিল।

ঘৰৰ পৰাই গিৰিয়েকে প্ৰায় দৌৰিয়ে আহিলে। আপুনি কেনেকৈ গম পালে ........? সহজ সৰল মাতেৰে ক'লে।

তুমি অহাৰ পিছতে ৰবিনক লগ পাই তাক সুধিলো। সি প্ৰথমে একো নকয়। অলপ জোৰ দি সোধাত শেষত ক'লে- এইটো এক পূৰ্ব প্ৰস্তুতি আৰু এক গভীৰ ষড়যন্ত্ৰ। শুনিয়ে দৌৰি আহিছো পিছে নাপালোহি।

উঃ উঃ কি অৱস্থা কৰিছে তোমাৰ। মই............।

অজানিতে গিতিকাৰ দুচকুৰে দুধাৰি চকুপানী বৈ আহিল। নিজকে চম্ভালি গিৰিয়েকৰ বিব্ৰত মুখৰ ফালে চাই তাই মাথো ক'লে--দুখ নকৰিবা, এয়া মথোঁ শিক্ষা, সততা আৰু ন্যায়ৰ পুৰস্কাৰ। ■

> নিৰৱতাই শ্ৰেষ্ঠ ভাষণ। -- কাৰ্লাইল
>
> বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি। --- মাদাৰ টেৰেছা



# নিশাৰ চকুলো

শ্ৰীভৃগু কুমাৰ বৰুৱা
স্নাতক ২য় বৰ্ষ

বাই, অ' বাই, বাই অ', অ' বাই চাউল বাছি থকা নিশাৰ কাণত ভায়েকৰ মাতযাৰ ঘন্টাৰ কোবৰ দৰে লাগিলহি। চাউলখিনি বাছিবলৈ আধা আছেই। এনেকৈ আধাতে এৰি থৈ গ'লে মালিকনী বাইদেউৱে তাইক শুদাই এৰিবনে? সিদিনাতো তাইক কৈয়েই দিছে ভায়েৰে যে তোক এনেকৈ চিঞৰি চিঞৰি থাকেহি, তোক নেদেখিলে সি থাকিবই নোৱাৰে নেকি?

নহয় বাইদেউ তাক মই খুউব মৰম কৰো নহয়? সেই কাৰণে সি মোক এবাৰ মাতি যায়হি।

বৰ লেতেৰা ল'ৰা। তাক কম্পাউণ্ডত সোমাবলৈ নিদিবি কিন্তু।

নিশাৰ চকুযোৰ চলচলীয়া হৈ পৰিল। বুকুখন বিষাই গ'ল। এই মূহুৰ্ত্ততে দৌৰি যেন তাই তললৈ নামি গৈ ভায়েকৰ লগত ঘৰলৈ গুছি যাবগৈ। কিন্তু উপায় নাই। ঘৰ পালেগৈ মাকে মৰিয়াই মৰিয়াই ইয়াত থৈ যাবহি।

কাৰ মূৰটো খাবলৈ ঘৰ পালিহি? তাত ইমান সুখত দুমহলীয়া ঘৰত থাকিব পাইছ। কিয় আহিলি?

সিবাৰ তেনেকৈ যাওঁতে তাইক মৰমেৰে মতাৰ সলনি সেৰা পাতি যোৱাগৈ এচাৰি এডালেৰে কেবা চাটো দিলে।

ভায়েকে কান্দি কান্দি বাইক নেমাৰিবি অ' বুলি গগণ ফলাতেহে মাকে এচাৰিডাল দূৰলৈ দলিয়াই দিলে। নিশাৰ আৰু অকণো ভাল নালাগিল। তাই বুজিলে তাইৰ ঘৰত থকা মানে মাকৰে বিপদ। বেমাৰী বাপেক, ভায়েক, ককায়েক আৰু ভনীয়েকৰ কাৰণে কিমান কষ্ট কৰিব লগা হৈছে মাকে। নাই তাই ঘৰত নথকাই মঙ্গল। ওলাই গুছি যোৱা ঘৰখনলৈকে তাই পুনৰ গুছি আহিছিল।

নিশা থকা ঘৰখনৰ মালিকনী বাইদেউক প্ৰথম দিনা লগ পাই তাইৰ খুউব ভাল লাগিছিল। বিয়া এখনৰ খুওৱা ঘৰটোত তাই মাকৰ সৈতে কাম কৰি আছিল। কাম মানে আমন্ত্ৰিতসকলে খাই এৰি যোৱা পাতবোৰ পেলাই দিয়াৰ পিছত টেবুলবোৰ তিতা ফটাকানিৰে সুন্দৰকৈ মুছি পেলোৱা।

তোৰ নাম কি অ'? বহুত মানুহৰ লগত খোৱা ঘৰলৈ সোমাই যোৱা বাইদেউজনীয়ে সুধিছিল।

নিশা ........।

পঢ়িছনে কি......?

পঢ়িছিলো। দেউতাৰ অসুখ হোৱাৰ পৰা আজি কেবামাহো স্কুললৈ যাব পৰা নাই।

হয় নেকি? মই পঢ়ুৱাম তোক। মোৰ ঘৰত থাকিবিনে? কামবনো কৰিবি।

থাকিম। আনন্দৰ অতিশয্যাত তাইৰ চকুযোৰ তিৰ্‌বিৰাই উঠিছিল। বুকুখন দুৰু দুৰু কঁপিছিল। মনটো উৰু উৰু কৰিছিল। এৰি থৈ অহা স্কুলখনৰ ছোৱালীবোৰ, স্কুলৰ চাৰ-বাইদেউসকল, স্কুলৰ বহল খেল পথাৰখন মনত আকৌ ভাহি উঠিছিল। তাই যে আকৌ স্কুললৈ যাব পাৰিব, আকৌ পঢ়িবলৈ পাব, স্কুলৰ খেল-ধেমালিবোৰত আকৌ যোগ দিব পাৰিব কথাবোৰ ভাবি ভাবি দুগুণ উৎসাহেৰে সেইদিনা বিয়া ঘৰত ৰাতি এঘাৰ বজালৈকে কাম কৰিছিল।

.........নিশা ভালকৈ পঢ়িবি। বৃত্তি পৰীক্ষা দিব লাগিব নহয়। এইবুলি কোৱা ক্লাচৰ বাইদেৱে তাই পুনৰ স্কুললৈ গ'লে কিমান যে ভাল পাব সেই কথা ভাবি ভাবি তাই মনত সাহস পাইছিল। সেই বাইদেউৱেই যে তাইক ইংৰাজী গ্ৰামাৰৰ কিতাপ এখন আৰু জ্যামিতিৰ বাকচ এটা নিজেই কিনি দিছিল।

কিন্তু ইউনিফৰ্মৰ চোলাটো নোহোৱাৰ কাৰণেহে তাই স্কুললৈ যোৱা বাদ দিব লগাত পৰিছিল। যি'বা এটা চোলা আছিল সেইটো ঠায়ে ঠায়ে ফিচিকি গৈছিল। চিলালেও চিলনি নোৰোৱা হৈছিল, লগতে চুটি হৈছিল। নতুন এটা চিলালে স্কুললৈ যাব পাৰিব বুলি মাকে কৈছিল যদিও সেই নতুন চোলাটো আৰু চিলোৱা হোৱা নাছিল। দেউতাকৰ কফৰ অসুখটো বেছি হৈ হস্পিতালত থাকিব লগা হৈছিল। গতিকে তাই মাকৰ লগতে ইঘৰ-সিঘৰত গৈ কাম কৰিবলৈ যাব লগাত পৰিছিল।

দেউতাৰে ভাল হৈ আহিলে তই স্কুললৈ যাব পাৰিবি। মাকৰ কথাত তাই পতিয়ন গৈছিল। পিছে দেউতাক হস্পিতেলৰ পৰা ঘূৰি অহাৰ পিছতো তাইৰ স্কুললৈ যোৱা আৰু হৈ নুঠিল। তাইতকৈ দুবছৰ ডাঙৰ ককায়েক আৰু তিনিবছৰৰ তলৰ ভায়েকহঁতক কিন্তু মাকে স্কুললৈ পঠাই কষ্ট কৰি হ'লেও।

মা মই কেতিয়াৰ পৰা স্কুললৈ যাম? মোৰ লগবোৰ এইবাৰ 'এইট' পাবগৈ।

পাওকদে । কি কৰিম মই, তয়ে কছোন? দেউতাৰে যে আকৌ চাকৰি কৰি তহঁতক ভাত খুৱাব আশা দেখা নাই।

মাকৰ লগত লোকৰ ঘৰত কাম কৰিবলৈ ওলাই যাওঁতে তাই প্ৰায় লগ পায় স্কুললৈ ওলাই যোৱা তাইৰ লগৰীয়াবোৰক। মেখেলা চাদৰ পিন্ধি ৰাস্তাত কথাপাতি, জাক পাতি ওলাই যোৱা ছোৱালীবোৰ দেখিলে তাইৰ বুকু ভুকুৱাই কান্দি দিবলৈ মন যায়। এৰি থৈ অহা স্কুলখনলৈ ঘনে ঘনে মনত পৰে। কিমান সহজতে স্কুলৰ চাৰ বাইদেউৱে কোৱা কথাবোৰ মনত ৰৈ গৈছিল। কিমান ভাল আছিল সেই দিনবোৰ।

কিন্তু দেউতাক হস্পিতালত থাকোতেই যিমানবোৰ ধাৰ লাগিল মাকৰ টেটুত সেই ধাৰৰ মেৰপাক এৰাবলৈ কিমান যে কষ্ট কৰিব লাগিব মাকে বা তাই সেয়া একমাত্ৰ নেদেখাজনেহে জানে। তথাপিও তাই অকণমান আশা দেখিছিল মালিকনী বাইদেউক লগ পায়। কিন্তু তাই এই ঘৰলৈ অহাৰ পিছত দেখোন বাইদেউৱে এদিনো তাইৰ পঢ়াৰ নামেই নুলিওৱা হ'ল। অসমীয়া কিতাপ পত্ৰ তাই এইখন ঘৰত দেখাই নাই বুলিব পাৰি। মন্মী আৰু মৌচুমি ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ে যে সেই কাৰণেই নেকি? ইংৰাজী কিতাপ পত্ৰহে তাই দুই এখন দেখিছে। তাই পঢ়িব খুজিলে সেয়ে একমাত্ৰ এই অসমীয়া বাতৰি কাকতখন। কিন্তু সেইখনো তাই শান্তিৰে পঢ়িব নোৱাৰে। তাই পঢ়া দেখিলেই সকলোৱে চিঞৰে, নিশা তললৈ যাচোন, দোকানৰ পৰা আহ। যাচোন নিশা এয়া আইতাৰ ঘৰত দি আহ। মুঠতে নিশা, নিশা আৰু নিশা।

নিশা ঐ নিশা। কি হ'ল কাপোৰ নোধোৱ নেকি? চাউলখিনিও আধা বছাকৈ এৰিলি। কি কৰিছা অথনিৰে পৰা ইয়াত? মালিকনী বাইদেউৰ মাতত তাই উচপ খাই নুঠিল। কোনো ...

"ধুম ৰ'ব"।

সোনকালে ধুলেহে শুকাব।

তাই অকনো আগ্ৰহ নেদেখুৱালে।

বাইদেউ মই স্কুললৈ কেতিয়াৰ পৰা যাম?

স্কুললৈ? তয়ে কচোন......? তোৰ দেখোন কাম শেষেই নহয়। স্কুললৈ যাবলৈ সময় উলিয়াব পাৰিবি জানো? তোৰ মাৰাক সুধিছিলো জীয়েৰৰ দৰমহা লাগিবনে পঢ়ুৱাব লাগিব। মাৰেতো দৰমহা লাগিব বুলিহে ক'লে। মাৰাক এতিয়ালৈকে পাঁচ শ টকা দিলোৱেই গম পাইছনে?

নিশাৰ বুকুখন বিযাই গ'ল। তাৰমানে তাই আৰু পঢ়িবলৈ নাপায়। মাকেও তাইক পঢ়াত গুৰুত্ব নিদিলে। কিন্তু হাড়ক মাটি কৰি তেজক পানী কৰিও মাকে দেখোন ককায়েক আৰু ভায়েকক পঢ়ুৱাই আছে। তাইকতো মাকে পঢ়ুৱাব নালাগে, তাই নিজে কাম কৰিহে পঢ়িলেহেঁতেন।

মই ঘৰতেই পঢ়িম বাইদেউ। মোক কিতাপ আনি দিবছোন। ইমান পঢ়িবলৈ মন যায়।

হ'ব বাৰু যাচোন সেইবোৰ হ'ব। নিজৰ কামত ধৰ। মাৰাৰ ইমান দুখ মাৰালৈ বেয়া নালাগে। কামত মনোযোগ নিদিয় কিয় অকণো?

তাই উচপ খাই উঠিল। কামত মনোযোগ দিয়া নাই বুলি কিয় ক'লে বাৰু? তাই দেখোন ৰাতিপুৱাৰ পৰা ৰাতি দহ এঘাৰ বজালৈ কামেই কৰি থাকে। আচলতে তাই বুজি পালে পঢ়াৰ কথা কোৱা দেখিহে মালিকনীয়ে এইবোৰ আসোৱাহ উলিয়াইছে। তাইৰ দুখ লাগিল। মনে মনে ভীষণ খঙো উঠিল। চতুৰ্থ শ্ৰেণীত হেড্‌চাৰে কোৱা কথাষাৰলৈ আজি তাইৰ বৰকৈ মনত পৰিল-"যি পিতৃ মাতৃয়ে নিজৰ সন্তানক বিদ্যালয়লৈ নপঠায়, সেই পিতৃ মাতৃ সন্তানৰ শত্ৰু।

মাকে যদি মালিকনী বাইদেউক ক'লেহেঁতেন টকা কেইটা নালাগে দিয়ক ছোৱালীজনীয়ে পঢ়কচোন। তাইৰ পঢ়িবলৈ বৰ আগ্ৰহ। ইচ্ মাকে যদি তেনেকৈ ক'লে হেঁতেন।

সৰ সৰকৈ চকুপানী ওলাই আহিল ভাৰতীয় দুই চকুৰ। যেন পাৰ ভাঙি নামি আহিল চকুলোৰ বান। ■

(বিঃ দ্ৰঃ মহাবিদ্যালয় সপ্তাহৰ মুকলি গল্প লিখা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত গল্প।)



সাময়িকী

# শিক্ষানুষ্ঠানত ছাত্ৰ-শিক্ষকৰ নিয়মানুৱৰ্তিতা

শ্ৰীসাবিত্ৰী বেজবৰুৱা
জ্যেষ্ঠ প্ৰৱক্তা, শিক্ষা বিভাগ

নিয়মানুৱৰ্তিতা মানি চলাটো শিক্ষানুষ্ঠানসমূহৰ এৰাব নোৱাৰা দায়িত্ব। শৃঙ্খলাহীন শিক্ষানুষ্ঠানৰ মাধ্যমেৰে শৈক্ষিক পৰিৱেশ সৃষ্টি কৰিব নোৱাৰি। নিয়মানুৱৰ্তিতা অবিহনে শিক্ষকে শিক্ষানুষ্ঠানৰ উন্নতিত বৰঙণি যোগাবলৈ অসমৰ্থ হয়।সেইদৰে সম্ভাৱনাপূৰ্ণ মেধাবী শিক্ষাৰ্থীসকলেও উপযুক্তভাৱে বিকাশ লাভ কৰিবলৈ অক্ষম হয় নিয়মানুৱৰ্তিতাক অনুশাসনৰ আন এক ৰূপ হিচাপে গণ্য কৰা হয়। সেয়েহে শিক্ষাবিদ ৰ'চে (ROSS) আঙুলিয়াই দিয়ে "অনুশাসন" (Discipline) আৰু 'শিষ্য' (Disciple) একে জাতীয় শব্দ (Discipline and Disciple are ognate words) শিষ্যত্বৰ মনোভাৱ হলেহে ছাত্ৰৰ বাবে শিক্ষা গ্ৰহণ আৰু অনুশাসন ৰক্ষা কৰি চলাটো সম্ভৱ হৈ উঠিব পাৰে। আৰু তাৰ ফলত অনুগত্য আৰু অনুশাসনৰ মনোভাব জাগি উঠিব পাৰে। ভাৰতৰ পুৰণি বৈদিক শিক্ষা ব্যৱস্থাতো এনে এক মনোভাব স্পষ্টভাৱে পাব পৰা যায়। এই প্ৰসঙ্গত উল্লেখযোগ্য যে ইংৰাজী শব্দ (Discipline) ৰ উৎপত্তি এনে এক ভাবৰ পৰাই হৈছে। ই লেটিন ভাষাৰ Disciplina শব্দৰ পৰা উৎপত্তি হৈছে যাৰ অৰ্থ হৈছে (Disciple) (শিষ্য)। সেয়েহে গুৰুৰ প্ৰতি শিষ্যৰ মনত প্ৰয়োজন হোৱা বিনয় আৰু আত্মসমৰ্পণৰ অৱস্থাই হৈছে অনুশাসন।

শিক্ষানুষ্ঠানসমূহ পৰিচালনাৰ ক্ষেত্ৰত নিয়মানুৱৰ্তিতা বা অনুশাসনৰ প্ৰয়োজনীয়তা খুউব বেছি। অনুষ্ঠানখন সুসংগঠিত ভাবে চলাই নিবলৈ হ'লে নিজাববীয়াকৈ কিছুমান নিয়ম কানুন বান্ধি লব লাগিব। শিক্ষানুষ্ঠানৰ একোখনকৈ নিজস্ব সময়ৰ তালিকা প্ৰস্তুত কৰিব লাগিব। ইয়াৰ লগতে শিক্ষানুষ্ঠানসমূহৰ এখন বাৰ্ষিক পৰিকল্পনা তথা শৈক্ষিক দিনপঞ্জী (Prospectus and Academic Calender) প্ৰস্তুত কৰি লব লাগিব যাতে শিক্ষানুষ্ঠানৰ কৰ্ত্তব্যৰত দিন, (Working day) পাঠ্যক্ৰম তথা সহপাঠ্যক্ৰমিক কাৰ্য্যাৱলী, (Curriculum & Extra carricular activities) শিক্ষানুষ্ঠানৰ আদৰণী সভা, Freshers Meet) ছাত্ৰ-শিক্ষকৰ সন্মিলন, (Students -teacher's association) আলোচনাচক্ৰ, (Seminar) গ্ৰীষ্মকালীন শিবিৰ, Summer camp) ৰাষ্ট্ৰীয় সামাজিক সেৱা (National Social Service), বছৰেকীয়া খেল ধেমালী (Annual games and sports), বঁটা বিতৰণী সভা (Prize distribution ceremony), ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচন (Student Union Election), শপত গ্ৰহণ অনুষ্ঠান (Oath-taking ceremony), প্ৰাপ্তবয়স্ক শিক্ষা (Adult education programe), কম্পিউটাৰ শিক্ষা (Computer education), আভ্যন্তৰীণ পৰীক্ষা Internal examination), বন্ধৰ দিনৰ তালিকা List of Holidays), আদিৰ গুৰুত্বপূৰ্ণ দিশবোৰৰ বিষয়ে ছাত্ৰ-শিক্ষক তথা কৰ্মচাৰীসকলৰ নিয়মানুৱৰ্তিতা পালনৰ ক্ষেত্ৰত খেলিমেলিৰ মনোভাৱ দকৈ শিপাব নোৱাৰে। ইয়াৰ উপৰিও শিক্ষানুষ্ঠান প্ৰাঙ্গনৰ উচিত ব্যৱহাৰৰ প্ৰতি লক্ষ্য ৰাখিলেহে বিদ্যালয়ত শান্তি বিৰাজ হ'ব। এই ক্ষেত্ৰত শিক্ষানুষ্ঠানৰ মুৰব্বীজনৰ দায়িত্ব অতি গধূৰ। বিশেষকৈ প্ৰধান শিক্ষক বা অধ্যক্ষজনে সুচিন্তিতভাৱে সহকৰ্মীসকলৰ লগত যোগাসূত্ৰ বজাই ৰাখি সকলো কাৰ্য্যসূচী বাস্তৱত ৰূপায়িত কৰাৰ প্ৰচেষ্টা চলাব লাগিব।

শিক্ষাদানৰ ক্ষেত্ৰত নিয়মানুৱৰ্তিতা বা অনুশাসনৰ প্ৰয়োজনীয়তা বেচি। শিক্ষানুষ্ঠানত নীতি নিয়ম বন্ধা নাথাকিলে শিক্ষক শিক্ষাৰ্থী আৰু প্ৰধান শিক্ষক বা অধ্যক্ষৰ মাজত সমন্বয় গঢ়ি নুঠে আৰু খেলি মেলিৰ সৃষ্টি হয়। সেয়েহে শিক্ষাদান কাৰ্য্যসূচী সফল কৰি গঢ়ি তুলিবলৈ হলে শৃঙ্খলিত পৰিৱেশ গঢ়ি উঠিব লাগিব।

অনুশাসনহীন শ্ৰেণীকোঠাত তথা শিক্ষানুষ্ঠানত শিক্ষা আহৰণ কৰাৰ ক্ষেত্ৰতো শিক্ষাৰ্থীসকল বাধা প্ৰাপ্ত হয়। পাঠ আহৰণত মনোযোগ দিবৰ বাবে আৰু শিক্ষানুষ্ঠানৰ অন্যান্য কাৰ্য্যত নিষ্ঠাৰে মনোনিবেশ কৰিবলৈ হলে এটি সুস্থ পৰিৱেশৰ প্ৰয়োজন।

নিয়মানুৱৰ্তিতা বা অনুশাসনক কাৰ্য্যকৰী কৰাৰ পদ্ধতি সময়ৰ লগে লগে সলনি হৈ আহিছে যদিও শিক্ষকে ছাত্ৰৰ নিয়মানুৱৰ্তিতা ৰক্ষা কৰাৰ ক্ষেত্ৰত কাৰ্য্যকাৰী দায়িত্ব সদায় বহন কৰিব লাগে। এই নিয়মানুৱৰ্তিতা ৰক্ষা সম্বন্ধীয় দায়িত্বও বৰ্ত্তমান অধিক জটিলতাপূৰ্ণ হৈ উঠাটো লক্ষ্য কৰিব পাৰি। ইয়াৰ তাত্বিক দিশৰ ধাৰণাক শিক্ষকেই শিক্ষানুষ্ঠানত কাৰ্য্যকৰী

ৰূপ দিব লাগে। সেই বাবে শিক্ষানুষ্ঠানৰ অনুশাসন বজাই ৰখাটো শিক্ষকৰ মহান কৰ্ত্তব্য হোৱা উচিত। এই ক্ষেত্ৰত প্ৰয়োজন হোৱা সংশ্লিষ্ট ক্ৰিয়া ব্যৱস্থাৰ বাস্তৱ জ্ঞান- অভিজ্ঞতা শিক্ষকৰ থকাটো বাঞ্চনীয়।

শিক্ষানুষ্ঠানৰ অনুশাসন ৰক্ষাৰ ক্ষেত্ৰত শিক্ষকৰ ব্যক্তিত্বৰ প্ৰভাৱ (Influence of teacher's personality) প্ৰতিজন ছাত্ৰৰ লগতে শিক্ষকে ব্যক্তিগতভাৱে সম্বন্ধ স্থাপন কৰি (Individual attention to Students) তেওঁলোকৰ ব্যক্তিগত সমস্যাসমূহৰ বুজ লোৱা, ছাত্ৰসকলৰ মাজত নিৰাপত্তাৰ মনোভাৱ গঢ়ি তোলা (Feeling of Security), ক্ৰিয়াভিত্তিক শিক্ষা পদ্ধতি গ্ৰহণ (Active method of teaching), সহ পাঠ্যক্ৰমৰ সদ্ ব্যৱহাৰ (Unitisation of-co-curricular activities), শিক্ষক -অভিভাৱক সন্মিলন, (Parent -teacher assocotion) ছাত্ৰ-সংস্থাৰ ভূমিকা, (Role of Student's Union) ৰাজনীতিৰ প্ৰভাৱমুক্ততা, (Absence of Politics) প্ৰচলিত নিয়মৰ আনুগত্য (Respect for the exisiting rules), আৰু যথোচিত শাস্তিৰ ব্যৱস্থা (Reasonable punishment) আদিৰ নিচিনা অৱস্থাসমূহ পাৰ্য্যমানে গঢ়ি তুলিবলৈ আৰু এইবোৰ কাৰ্য্যকৰী কৰিবলৈ প্ৰতিজন ছাত্ৰ-শিক্ষক তথা কৰ্মচাৰী সমন্বিত প্ৰধান শিক্ষক বা অধ্যক্ষজনে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব লাগিব।

শিক্ষানুষ্ঠানৰ অনুশাসন বা নিয়মানুৱৰ্তিতাৰ লগত সামাজিক জীৱনৰ অনুশাসন ওতঃ প্ৰোতভাৱে জড়িত। সেয়েহে বহল অৰ্থাৎ ক'বলৈ গলে অনুশাসনৰ সমস্যা হৈছে সামাজিক জীৱনৰ এক জটিল প্ৰশ্ন। সামাজিক জীৱনৰ অনুশাসনৰ মানদণ্ড আৰু নৈতিক অনুভূতিৰ ওপৰত শিক্ষানুষ্ঠানৰ অনুশাসন নিৰ্ভৰ কৰে। সেইবাবে সামাজিক জীৱনৰ বহল পটভূমিতহে শিক্ষানুষ্ঠানৰ অনুশাসনৰ ৰচিত আৰু পৰিচালিত হয়। এই ক্ষেত্ৰত শিক্ষকসকল ছাত্ৰসমাজৰ লগত বন্ধু (Frind), দাৰ্শনিক (Philosopher) আৰু পথ প্ৰদৰ্শক হিচাপে (Guide) ভাগ লোৱাটো বাঞ্চনীয়।

বিচৰা বস্তুটো নোপোৱাটোৱেই ব্যৰ্থতা নহয়, বিচৰা বস্তুটো পাবলৈ কৰা সংগ্ৰাম এৰি দিয়াটোৱে প্ৰকৃত ব্যৰ্থতা।

-- জৰ্জ ইলিয়াচ

---

নিৰ্দ্দোযিতা সকলো আনন্দ আৰু সুখৰ মূল।

-- কৃষ্ণকান্ত সন্দিকৈ

---

শিক্ষাৰ ঘাই শিপাডাল তিতা, কিন্তু ইয়াৰ ফল বৰ সোৱাদ লগা।

-- এৰিষ্টটল

---

সাহিত্যৰ নামত গৌৰৱ কৰিবলৈ যি জাতিৰ সমল আছে, সেই জাতিৰ ভাগ্য ৰবি কেতিয়াও মাৰ নাযায়।

-- মিত্ৰদেৱ মহন্ত



# এৰা-বোটৌঁলা

শ্ৰীমনোজ কুমাৰ শৰ্ম্মা, প্ৰৱক্তা
অসমীয়া বিভাগ

(১)

দিনটোৰ ব্যস্ততাৰ মাজত কোনোমতে সময়কণ উলিয়াই দৌৰা দৌৰিকৈ গা-টো তিয়াই মিউনিচিপালিটিৰ সুগন্ধি ভৰা একাঠু পানী গচকি পূজাথলী পালোগৈ। শাওঁনৰ পঞ্চমী তিথিৰ শক্তি পূজাৰ হোম তেতিয়াওঁ শেষ হোৱা নাই। ঘৃতাক্ত বিল্বপত্ৰৰ হোমাঞ্জলি চলি আছে। এঘৰীয়া পূঁজা, মানে মোৰ সম্পৰ্কীয় বাইদেউৰ ঘৰ। হলেও মানুহ কিছু গোট খাইছে। দুই- চাৰি লগ হৈ ইটো সিটো আলোচনা কৰি 'টাইমপাছ' কৰিছে। অতি ব্যস্তভাৱে আলোচনা কৰি থকা ব্যক্তি দুজনৰ কাষৰ খালী থকা প্লাষ্টিকৰ চকী খনতে বহি ললো। ইতিমধ্যে দুয়োজনৰ কথা-বতৰা বেছ জমি উঠিছে। বক্তাজনৰ চুলিবোৰ সত্তৰ শতাংশ পকিলেও মুখখন ঘুৰণীয়া পকা আপেলটোৰ দৰে হোৱাত পয়ত্ৰিশ বছৰীয়া যুৱকজনৰ দৰে হৈ আছে। কথাবোৰো তেনে ৰসাল। মানুহজনৰ কথাবোৰ ইমানেই 'ৰসো বৈ সঃ' যে গৰমত গামি জামি যোৱা 'মই'-জনৰ হাতৰ বিচনিখন কেতিয়া বন্ধা হৈ তেখেতৰ কথাৰ মাজত সোমাই পৰিলো গমকে নাপালোঁ। হাতত চাহকাপ লৈ অহা বাইদেউৰ মাততহে এক প্ৰকাৰ উচপ্খাই উঠিলোঁ। চাহকাপ দেখি একপ্ৰকাৰ মোৰ পেটে-পেটে খঙহে উঠিছিল। কাৰণ চাহ খোৱাতকৈ ব্যক্তিজনৰ কথা শুনাতহে বেছি মজা আছে। লগে লগে বাইদেউৱে ব্যক্তিজনৰ লগত চিনাকি কৰি দিলে--

"এখেত ভট্টাচাৰ্য্য, হেড্মাষ্টৰ।"

লগে লগে প্ৰতি -চিনাকি......................। মোৰ মনটো বৰ ভাল লাগিল। কাৰণ অন্ততঃ এতিয়া বৈঠকৰ বৈধ শ্ৰোতাৰ পাৰ্মিটখন পালোঁ।

হেড্ মাষ্টৰ ভট্টাচাৰ্য্যই মোৰ ফালে চাই এমোকোৰা হাঁহি ভৰা মুখ খনেৰে ক'লে---

"আমি এই মাত্ৰ খাই উঠিছোঁ, চাহ কাপ ঠাণ্ডা হ'ব খাই লওঁক।"

"হেৰি চাৰ.......................? আপুনি ভাগৱতী ডাক্তৰৰ সেই এবাৰৰ কেপচুলতে ককালৰ বিষ ভাল পালেনে?"

উদ্গ্ৰীবভাৱে মোৰ কাষত থকা এক নম্বৰ শ্ৰোতা শ্ৰীযুত কাকতিয়ে হেড্মাষ্টৰক প্ৰশ্ন কৰি আগৰ পৰাই চলি থকা কথাৰ আঁত ধৰিলে।

"হয়, বুজিছে....'এম্, ডি, ভাগৱতী' ডাক্তৰ আচলতে মোৰ কাৰণে ভগৱান'। কাৰণ তেখেতে দিয়া কেপচুলৰ আধাখিনি খাওঁতেই সেই যে মোৰ কঁকালৰ বিষ পলাল আজিলৈ আৰু নাই।"

"হেৰি চাৰ......? আপোনাৰ সেই কেপ্চুলৰ নামটো মনত আছেনে?" কাকতিয়ে বৰ আগ্ৰহেৰে ভট্টাচাৰ্য্য চাৰক সুধিলে।

কেবা বছৰ হ'ল। ঔষধৰ ...... নামটো পাহৰিলো হে.....।

"হেৰি চাৰ আপোনাৰ কাগজখন মানে সেই 'প্ৰেক্চিপচনখন' আছে নহয়? মোক দিলে বৰ উপকাৰ হ'ব। ক'ত যে ঔষধ পানী কৰিলোঁ। তথাপি ককালৰ বিষটো এৰাব নোৱাৰিলোঁ।"

"ৰব চোন ৰব, ইমান উদ্গ্ৰীৱ নহ'ব"। ভট্টাচাৰ্য্য চাৰে অলপ গহীনাই ক'লে।

কপালত বিৰিঙি উঠা ঘামৰ টোপাল কেইটা পাঞ্জাপীৰ পেকেটৰ পৰা উলিওৱা বগা ৰুমাল খনেৰে মচি চাৰে আকৌ আৰম্ভ কৰিলে-----

"বুজিছে কাকতি আজি দুমাহ মান আগত মই আকৌ গলো ভাগৱতী ডাক্তৰৰ ওচৰলৈ।

"কিয়...? পুৰণা বিষটো আকৌ উক দিলে নেকি ...? এইবাৰ বিষ কঁকালৰ নহয়, একেবাৰে মূৰৰহে। লেখা- পঢ়া কৰিবই নোৱাৰো, মূৰটো ঘূৰাই থাকে।"

"ভাগৱতী ডাক্তৰে কি ক'লে...."

"কব আৰু কি, মোৰ বাবে ভগৱান স্বৰূপ সেই ভাগৱতী ডাক্তৰে আৰু দুটা নতুন বেমাৰ মোৰ ওপৰত জাপি দিলে--- 'ডায়বেটিছ আৰু গেষ্ট্ৰিক। মোৰ মূৰটো আচন্দ্ৰাই কৰি উঠিল। সেমেকা মন এটা লৈ সেইদিনা ঘৰলৈ উভতিলো, হাতত দুখন দীঘল প্ৰেক্চিপচনলৈ"।

"তাৰ পিছত .........? উৎকণ্ঠৰে কাকতিয়ে প্ৰশ্ন কৰিলে।

"সেইদিনা মোৰ বিচনাত চট্‌ফটাওতে ৰাতি পূৱাল। পিছদিনা ৰাতিপূৱাই গুৱাহাটী পালোগৈ; লগত মোৰ পত্নী তিনিজন ডাক্তৰক দেখুৱালোঁ। একসৰে, ই.চি.জি আৰু যে ক'ত কি ...? কিন্তু বেমাৰ বিচাৰি নাপালে। তেতিয়াৰ পৰা মোৰ আৰু একো নাই, ভগৱানৰ কৃপাত সুন্দৰ চলি আছো। মাত্র বয়সতকৈ আগে চুলি কেইদাল পকিল।

পকক দিয়ক, অন্ততঃ এবাৰলৈ ৰক্ষা পৰিল যেতিয়া ......। কথাৰ মাজতে কাকতিয়ে সহানুভূতিৰ চলেৰে ক'লে।

চাওঁক কাকতি, ভগৱানৰ স্বৰূপ ভাগৱতী ডাক্টৰেই মোৰ বাবে যমো হ'ল।

পেটৰ বিষৰ প্ৰেকচিপচন খোজা কাকতিয়ে কোনো উত্তৰ নিদি ভেবা লাগি ভট্টাচাৰ্য্য চাৰৰ মুখলৈ চাই ৰ'ল।

ইমান সময় ভট্টাচাৰ্য্য চাৰে মোৰ লগত প্ৰত্যক্ষ ভাৱে কথাৰ মাকো মৰাৰ আহৰিয়েই পোৱা নাছিল।

*কথাৰ সুৰুঙা পাই এইবাৰ ময়েই সুধিলো---*

আপোনাৰ স্কুল.....?

ইয়াৰ পৰা ৪২ কিলোমিটাৰ দূৰ। 'নিৰদী' ছোৱালী হাইস্কুল। অৱশ্যে ইয়াত বেছি বছৰ হোৱা নাই। গুৱাহাটীত আছিলো। তাৰ পৰা বদলি হৈ আহিছো।

তাত কেনে লাগিল আপোনাৰ। মই বৰ আগ্ৰহেৰে সুধিলো।

চব একে বুজিছে। এটা কিবা কওঁ বুলিও সুৰটো সলাই ভট্টাচাৰ্য্য চাৰে কবলৈ ধৰিলে। দুমাহমান আগৰ কথা। স্কুলৰ কিবা এটা কামত এদিন মই দিছপুৰলৈ গলো। দিছপুৰ ষ্টেজত নামিয়েই মই এৰি অহা স্কুলখনৰ ছাত্রী এগৰাকীক দেখিলো। ছোৱালীজনী এতিয়া বোৱাৰী হৈছে। তথাপি মই ভালদৰেই চিনি পাইছোঁ। কাৰণ ছয় বছৰ কাল মই স্কুলত পঢ়ুৱাইছো।

তাৰ পিছত কি হ'ল? মই প্ৰশ্ন কৰিলো।

হব আৰু কি? মই যিমানেই চিনাকি ভাৱ দেখুৱাইছো, সিমানেই ছোৱালীজনীয়ে মোক নেদেখাৰ ভাওঁ লৈছে। মই এক প্ৰকাৰৰ লাজ পোৱাৰ দৰে হ'লো।

এখোজ- আগবাঢ়ি গৈ মই উপযাচিয়েই মাত লগালো। হেৰা? তুমি 'জুনু' নোহোৱানে..........?

মোৰ মাতত ঠত মত খাই তেওঁ ক'লে আপোনাক....?

কিয়... তোমালোকৰ ভট্টাচাৰ্য্য চাৰ....?

চাৰ, মই আপোনাক একেবাৰে চিনি পোৱা নাই ....?

নাপাবাতো, কিন্তু মইটো একেদ্‌ৰেই আছো। বুজিছা নিজকে ফাঁকি দিব নাপায়। মোৰ অনুৰোধ অন্ততঃ তোমাৰ এই আচৰণ ল'ৰা-ছোৱালীক নিশিকাবা। আমি তোমালোককতো এই শিক্ষা দিয়া নাছিলো। আমাৰ শিক্ষাৰ মূল্যই বা ৰাখিলা ক'ত।

লাজতে ছোৱালীজনী ৰঙা-চিঙা পৰি হাত যোৰ কৈ ক'লে-- চাৰ মোৰ ভুল হৈছে, ভবিষ্যতে এনেকুৱা নকৰোঁ। আমি সচিবালয়ৰ কোৱাটাৰতে থাকো। কেতিয়াবা আহিবাছোন...?

এনেতে পূজাৰ অন্ত হোৱাত পুস্পাঞ্জলীৰ আয়োজন চলিল। আমিও বহাৰ পৰা উঠি হাত -মুখ ধুই পুস্পাঞ্জলী দিবলৈ বহিলোঁ।

(২)

গুৱহাটীৰ পৰা বৰপেটা অভিমুখী বাছখনে বকুলতল পাবলৈ তেতিয়াও প্ৰায় তিনি কিলোমিটাৰ মান বাকী। ঠাহ-খোৱা ভিৰত ককালৰ পৰা তললৈ নামি যোৱা লংপেন্টটো বেল্টডালত ধৰি ওপৰলৈ উঠাই অকণমান সকাহ ললে বৈকুণ্ঠ মাষ্টৰে। ৩১নং ৰাষ্ট্ৰীয় ঘাইপথ, অত্যন্ত ব্যস্ত পথ। আজিকালি ৰাষ্ট্ৰীয়পথ আৰু গলিপথৰ মাজত গুণগত পাৰ্থক্য বেছি নাই। মাত্র মাজে মাজে থকা চৰকাৰী নামাঙ্কিত ফলক কেইখনেহে ইয়াৰ অস্তিত্ব বজাই ৰাখিছে। আজি বাৰ বছৰে মাষ্টৰে এই পথটোৰে অহা-যোৱা কৰিছে। এই কেইটা বছৰত চিনাকি-অচিনাকি কিমান মানুহ লগ পাইছে তাৰ সীমা-সংখ্যা নাই। বকুলতল পালে মাষ্টৰে এক প্ৰশান্তি লাভ কৰে। কাৰণ বকুলতলৰ পৰা তেওঁৰ কৰ্মস্থলী মাত্র দহ, বাৰ মিনিটৰ বাট।

সোঁহাত খনেৰে ওপৰৰ লোৰ হেণ্ডেল ডালত ভালদৰে খামোচ মাৰি ধৰি মাষ্টৰে ঘড়ীটোলৈ এবাৰ চালে। এঘাৰ বাজিবলৈ তেতিয়াও ৩০ মিনিট বাকী। অন্ততঃ ক্লাচত সোমোৱাৰ আগতে কিছু সময় জিৰাব পাৰিব। এনেতে পিছফালৰ পৰা ল'ৰা এজনে ভিৰৰ মাজতে কোনোমতে মূৰটো উলিয়াই মাত লগালে--"চাৰ ইয়ালৈ আহক, মোৰ চিটটোতে বহি লওঁক।"

মাষ্টৰে অলপ ইতস্ততঃ কৰিছিল যদিও ছাত্র জনৰ একান্ত অনুৰোধত বহিবলৈ বাধ্য হ'ল।

পূৰ্বৰ চেহেৰাৰ লগত মিল নাথাকিলেও সুন্দৰ সু-স্বাস্থ্যৰ নিপোটল ল'ৰাজনৰ মুখলৈ চাই মাষ্টৰে বেছ ভালকৈয়ে চিনিব পাৰিলে।

হেৰা...? তোমাৰ নামটো কি আছিলহে...?

চাৰ... 'দীপেন মজুমদাৰ।'

তোমাক আঠ দহ বছৰ দেখা নাই। সেয়ে নামটো পাহৰিয়েই গৈছিলো। বাৰু, তুমি... ক'ত কি কৰি আছা...?

চাৰ বি.এ. পাছ কৰাৰ পাছত মই ডিফেন্সৰ চাকৰি এটাত সোমালো। বৰ্ত্তমান ডিমাপুৰতে আছোঁ। কম্পিউটাৰ কোৰ্চ এটাও শিকি আছোঁ। শেষ হলে প্ৰমোচনৰ সুবিধা পাম।

বৰ ভাল কাম কৰিছা। আজিৰ এই দুৰ্য্যোগৰ দিনতো যে চাকৰিৰ এটা ল'ব পাৰিছা সেইটো অন্ততঃ তোমাৰ ভাগ্য। কামৰ সৰু-বৰ নাই।

"চাৰ আপোনালোকৰ আশীৰ্বাদত আৰু খেলাৰ চাৰ্টিফিকেট কেইখনে বৰ কাম দিলে।"

এনেতে বকুল তলত বাছখন ৰখোৱাত ল'ৰাজনে নমস্কাৰ কৰি বাছৰ পৰা নামি গ'ল।

ল'ৰাজনৰ ফালে চাই থাকোতে ইতিমধ্যে বাছখনে পুনৰ গতি আৰম্ভ কৰিলে। এক পুলকিত মনৰ আবেগে বৈকুণ্ঠ মাষ্টৰক লৈ গ'ল বহু বছৰ আগলৈ...।

এদিনাখন 'বৈকুণ্ঠ মাষ্টৰো' এনেকুৱা এজন ছাত্র আছিল। সেয়া এৰি অহা শতিকাটোৰ সত্তৰৰ দহকৰ কথা, মানে তেওঁৰ স্কুলীয়া জীৱনৰ কথা। সেইযে বাদামী ৰঙৰ পাঞ্জাৱী আৰু শুধ বগা ধুতি পৰিহিত 'দেৱ বাবু'ই অঙ্ক আৰু ভূগোলৰ সূত্র নোৱাৰিলে বঙ্কোৱা বগা দাঁত কেইটা কৰচি কৰচি কাণটিপাৰে মুখমণ্ডল গৰম কৰাৰ কথা; আৰু তৰুণ বাবুই 'বি ভাৰ্ব'ৰ ৰূপ সম্পূৰ্ণকৈ ক'ব নোৱাৰালৈকে কাঁঠৰ স্কেলেৰে হাঁতৰ ওলোটা পিঠিত কোবোৱাৰ কথা.....। চাৰৰ এই কোব খাইয়ে সহপাঠী 'অমিয়' ইঞ্জিনিয়াৰ হ'ল, 'মচনুৰ', ই. এ.চি হ'ল, 'ইয়াচিন' প্ৰফেচাৰ হ'ল আৰু 'অমিত' ডাক্তৰ হ'ল। ডাক্তৰ হৈও কিন্তু সি নিজকে বচাব নোৱাৰিলে। বিয়াৰ তিনিবছৰ পিছতে কণমানি ল'ৰাটোক মাকৰ সৈতে এৰি সি চিৰদিনৰ বাবে আঁতৰি গ'ল। ৰাইজকেই সি চিনিলে নিজৰ শৰীৰটোৰ কথা অকনো নাভাবিলে...।

সঁচাকৈয়ে সেই শিক্ষকবোৰ যেন মনীষী আছিল আৰু সেই মনীষী শিক্ষক সকলোৰেই ছাত্র 'বৈকুণ্ঠ মাষ্টৰ'। ছাত্ৰাৱস্থাত বৈকুণ্ঠ মাষ্টৰহঁতে শিক্ষকক যথেষ্ট শ্ৰদ্ধা আৰু ভয় কৰিছিল। নে তাৰেই প্ৰতিদান দিলে আজি 'দীপেনে'...? বাছত আসন এৰি দিয়াটো মাষ্টৰৰ বাবে নতুন কথা নহয়। কেতিয়াবা একেবাৰে চিনাকি বা পঢ়ি থকা ছাত্র-ছাত্রীয়ে এনেকৈ আসন এৰি দি সন্মান কৰে। কিন্তু 'দীপেন' যেন আজি ব্যতিক্ৰম। পুৰণি ছাত্র হলেও সি নিজেই চিনাকি দিলে। বৈকুণ্ঠ মাষ্টৰে মনতে ভাবিলে গোটেই ছাত্র সমাজকে যদি 'দীপেন'ৰ আদৰ্শৰ দৰে শিক্ষা দিব পাৰিলে সমাজখন কিমান মধুৰ হ'লহেতেন...।

মাষ্টৰৰ দুচকুৰে ক'ব নোৱাৰাকৈ দুধাৰি চকুলোঁ সৰ্-সৰকৈ বৈ আহিল।

কোনোবাই দেখাৰ আগতে বৈ অহা আনন্দৰ চকুলো দুধাৰি মোহাৰি, চিনাকি বাছ আস্থানটোত নামি মাষ্টৰে অইন দিনাৰ দৰে খৰখেদাকৈ খোজ লৈ স্কুল চৌহদৰ ভিতৰত সোমাই গ'ল এক বুজাব নোৱাৰা আনন্দৰ অনুভূতি আৰু এমোকোৰা আশা বকুত লৈ...।

"জানা বাল্মীকি, দুৰ্জনৰ সঙ্গত সন্তৰো মতি নষ্ট হৱে।"

(কথা-ৰামায়ণ, ৰঘুনাথ মহন্ত ১৮শ শতিকা।)

"যুক্তিযুক্ত বচন ল'ৰাৰ উক্তিয়েই হওক, কিম্বা ভাটৌ চৰাইৰ মাতেই হওক, গ্ৰহণীয়; যুক্তিহীন বচন বুঢ়াই বোলক কিম্বা শুক মুনিয়েই বোলক বৰ্জ্জনীয়।"

— মনু

# অধ্যয়ন কোঠা সজোৱাৰ কৌশল

শ্ৰীগুনীন তালুকদাৰ
স্নাতক দ্বিতীয় বৰ্ষ

ছাত্ৰ- ছাত্ৰীৰ বাবে এটা নিজস্ব অধ্যয়ন কোঠা সজাই লোৱাটো শিক্ষা জীৱনৰ অপৰিহাৰ্য্য অঙ্গ। এটা পৰিয়ালত বহুত গৰাকী সদস্য -সদস্যা থকা হেতুকে এটা নিজস্ব ৰুচি সম্পন্ন অধ্যয়ন কোঠা প্ৰতিজন শিক্ষাৰ্থীৰ থকাটো বাঞ্চনীয়। এই অধ্যয়ন কোঠাটো নো কেনেকে ঠিক ঠাক কৰি ল'ব ইত্যাদি বহু কথাই আমাৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মনত ভুমুকি মাৰে।

নিজৰ অধ্যয়ন কোঁঠাটো কেনেদৰে মন আকৰ্ষণ কৰিব পৰা যায় তাৰ কেইটামান কিটিপ তলত উল্লেখ কৰিলো। ছাত্ৰ-ছাত্ৰীসকলে এই কিটিপ কেইটা অনুকৰণ কৰি অধ্যয়ন কোঠাটো সজাই তুলিব পাৰিলে উপকৃত হ'ব।

